REFERENCE,
(NOT FOR ISSUE)
READING ONLY INSIDE LIBRARY

# Assam Legislative Assembly Debates

## Official Report

SEVENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE ELEVENTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## Budget Session

## Vol. VII

No. 15

**THE 26 TH MARCH, 1985**

1989

PRINTED AT PRINTORAN PRESS. DANISH ROAD, PANBAZAR, GUWAHATI—781001

REFERENCE,
( NOT FOR ISSUE )
READING ONLY INSIDE LIBRARY

**PROCEEDINGS OF THE SEVENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SEVENTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA**

The House met in the Assembly Chamber, Dispur, Guwahati on Tuesday the 26 th March, 1985 with the Hon Speaker in the Chair. 17 ( Seventeen ) Ministers, 12 (Twelve) Ministers of State, 41 ( fourty One ) Members present.

——

DEBATS OF THE ASSAM LEGISLATIVE ASSEMBLY

# (Budget Session)

Dated the 26 th March 1985

VOL.—VII

NO.-15

## CONTENTS


| | | Page |
|---|---|---|
| 1. | Questions ...... .. ... | 1 |
| 2. | Voting On Demands for Grants .. ... | 22 |
| 3. | Calling Attention Notice .. ... | 111 |
| 4. | Adjournment ...... ...... | 114 |

## STARRED

## QUESTIONS & ANSWERS

(To which oral replies were given)

Date :—26th March, 1985.

### Re :— DYKE ON RIVER NA-NADI.

Shri Durgeswar Patir, asked :

*119. Will the Minister, Flood Control be pleased to state :

(a) Whether the Govt. has any proposal for construction of a dyke on West bank of the river Na-Nadi ?

(b) If not, why ?

Shri Borgoram Deuri (Minister, Flood Control) replied :—

119. (a) Yes, there is a proposal.

(b) For limitation of funds the work could not be taken up.

শ্ৰীদূৰ্গেশ্বৰ পাতিৰ :— অধ্যক্ষ মহোদয়, প্ৰপজেলটো আজি বহু বছৰৰ পৰাই আছে। মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে আগন্তুক বছৰত বান্ধটো বন্ধাৰ কিবা ব্যৱস্থা কৰিব নে ?

শ্ৰীবৰ্গৰাম দেউৰী (ৰাজ্যিক মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, অহা বছৰত সেইটো কৰিব পৰা হব নে নাই কোৱা টান। যিহেতু ফাণ্ডৰ অভাৱৰ কাৰণেই এইটো কৰিবপৰা হোৱা নাই। কিন্তু এই বিষয়ে চাৰ্ভে আদি কৰি থোৱা হৈছে।

## Re : Loan Applications.

Shri Hemen Das, asked :

*120. Will the Minister, Rural Development be pleased to state :

(a) Number of loan applications under IRDP accepted/sanctioned by Banks in the State during the year 1983-84 (Districtwise figure may be given) ?

(b) Number of loans disbursed by Banks during the aforesaid year (Districtwise figure may be given) ?

Shri Raghunath Pamegam (Minister, Rural Development) replied :

120.(a) District wise position of number of applications sponsored and sanctioned during 1983-84 is as follows :—

| Districts | Sponsored | Sanctioned |
|---|---|---|
| 1. Goalpara (Old) | 13276 | 7821 |
| 2. Kamrup (Old) | 18262 | 11642 |
| 3. Darrang (Old) | 10711 | 5610 |
| 4. Lakhimpur | 11495 | 4803 |
| 5. Dibrugarh | 12274 | 2916 |
| 6. Sibsagar (Old) | 17371 | 6251 |
| 7. Nagaon | 9898 | 4400 |
| 8. Karbi-Anglong | 5502 | 3485 |
| 9. N.C. Hills | 5458 | 3946 |
| 10. Cachar (Old) | 7119 | 6513 |
| Total | 111366 | 57387 |

(b) District-wise position of loans disbursed by Banks during 1983-84 as follows :—

| Districts | No. of loans disbursed |
|---|---|
| 1. Goalpara (Old) | 9336 |
| 2. Kamrup (Old) | 15150 |
| 3. Darrang (Old) | 5792 |
| 4. Lakhimpur | 5901 |
| 5. Dibrugarh | 4595 |
| 6. Sibsagar (Old) | 6341 |
| 7. Nagaon | 6111 |
| 8. Karbi Along | 4104 |
| 9. N.C. Hills | 5174 |
| 10. Cachar (Old) | 7962 |
| | 70499 |

These figures indicate No. of beneficiaries, there may be more than one beneficiary under one application sanctioned.

শ্ৰীহেমেন দাস ঃ—চাৰ, এইটো বুজাত অলপ টান পাইছো । বেংকত যিমান মানুহে দৰ্খাস্ত কৰিছে তাৰ বেছি মানুহক লোণ দিয়া দেখুৱাইছে ।

শ্ৰীৰঘুনাথ পামেগাম (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, তাত কেটামান আচনিত জইণ্টলি এপ্লাই কৰাৰ প্ৰভিজন আছে । আৰু সেই কাৰনেই তেনেকুৱা হৈছে ।

শ্ৰী হেমেন দাস — চাৰ, অসমৰ ভিতৰত একমাত্ৰ ডিব্ৰুগড় জিলাতে আটাই-তকৈ কম ৰিণৰ দৰ্খাস্ত বেংকে মঞ্জুৰ কৰিছে । মাত্ৰ ২ হাজাৰ দৰ্খাস্ত মঞ্জুৰ কৰিছে । ডিব্ৰুগৰ জিলাত এই দুৰ্ঘটনা হোৱাৰ কাৰণ কি ?

শ্ৰী ৰঘুনাথ পামেগাম (মন্ত্ৰী)— অধ্যক্ষ মহোদয়, ১৯৮৩-৮৪ চনত বিশেষকৈ আৰম্ভনীতে বহু জিলাত আমাৰ কামৰ অগ্ৰগতি লাভ কৰিব পৰা হোৱা নাছিল পিচত জনপ্ৰিয় চৰকাৰ হোৱাৰ পিচত বহু ধৰনে ব্যৱস্থা লোৱাৰ

কাৰণে বহু জিলাত অগ্ৰগতি হল যদিও বহুটো জিলাত নহল । সেই কাৰণেই সেই জিলাখনতো কম হৈ থাকিল ।

শ্ৰী হেমেন দাস— চাৰ, কথাটো ওলোটাহে নে কি ? ডিব্ৰগড় জিলাৰ গ্ৰাম সেৱকজনক ২ হাজাৰ টকা নিদিলে তেওঁ দৰ্খাস্ত গ্ৰহনেই নকৰে, এই কথাটো মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰী ৰঘুনাথ পামেগাম (মন্ত্ৰী)— অধ্যক্ষ মহোদয়, তথ্যপাতি মোৰ হাতত নাই

শ্ৰী হেমেন দাস — চাৰ মোৰ হাতত ৰাইজৰ চহী সহ বহু তথ্যপতি আছে, প্ৰয়োজন হলে মই দিম । এই বিষয়ে এটা তদন্ত কৰি ৰোহিনী শইকীয়া নামৰ গ্ৰাম সেৱক জনৰ বিৰুদ্ধে ব্যৱস্থা লবনে । কাৰণ দুশ টকা ঘোচ নিদিলে দৰ্খাস্ত নলয় ইয়াৰ পৰা আমি বুজিছোঁ আচলতে ডিব্ৰুগড় জিলাত বহু দৰ্খাস্ত আছিল ।

শ্ৰী ৰঘুনাথ পামেগাম (মন্ত্ৰী) —তথ্যপাতি আদি পালে মই নিশ্চয় তদন্ত কৰিম

শ্ৰী দুৰ্গেশ্বৰ পাতিৰ — অধ্যক্ষ মহোদয়, এই ৰিণ বিলাক দিওঁতে বেংকৰ মেনেজাৰে ৫ হাজাৰ টকাৰ পৰা ১ হাজাৰ টকা কাটি ৰখা কথা মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰী ৰঘুনাথ পামেগাম ( মন্ত্ৰী )— অধ্যক্ষ মহোদয়, তেনে লিখিত আপত্তি মই পোৱা নাই ।

শ্ৰী দুৰ্গেশ্বৰ পাতিৰঃ— চাৰ, যদি পায় তেন্তে ব্যৱস্থা লব নেকি ?

শ্ৰী ৰঘুনাথ পামেগাম (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, পালে নিশ্চয় বেংকৰ কৰ্তৃপক্ষৰ লগত মই যোগাযোগ কৰিম ।

শ্ৰী অলিত বড়ো — অধ্যক্ষ মহোদয়, ৰিণৰ ক্ষেত্ৰত কিবা মৰ্টগেজ দিয়াৰ নিয়ম আছে নেকি ?

শ্ৰী ৰঘুনাথ পামেগাম (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, এটা নিৰ্দিষ্ট সীমাৰ ভিতৰত হলে মৰ্টগেজ দিয়াৰ নিয়ম নাই । কিন্তু সেই সীমাৰ বেছি হলে মৰ্টগেজ দিব লগীয়া হয় ।

শ্ৰী অলিত বড়ো— অধ্যক্ষ মহোদয়, সেই নিৰ্দিষ্ট সীমাটো কি ?

শ্ৰী ৰঘুনাথ পামেগাম (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, সেই সীমাটো হৈছে ৫ হাজাৰ টকা লৈ মৰ্টগেজ দিব নালাগে কিন্তু তাৰ ওপৰত হলে মৰ্টগেজ দিব লাগে।

শ্ৰী ৰমেশ ফুকন — অধ্যক্ষ মহোদয়, এই, আই, আৰ, ডি, পিৰ লোণ দিয়াৰ ক্ষেত্ৰত একোজন ক্ৰেডিট অফিছাৰক দেখিছো তেওঁলোকে বেংকৰ লোণ দিয়াৰ ক্ষেত্ৰত যথেষ্ট অগ্ৰগতি লাভ কৰিছে। মন্ত্ৰী মহোদয়ে এই প্ৰতিশ্ৰুতি দিব পাৰে নেকি যে আই, আৰ, ডি, পীৰ দি আৰ, দি, এ আদি লোণ দিয়াৰ ক্ষেত্ৰত ৰেচপনচিবিলিটী ফিক্সড্ কৰি দিব নেকি ?

শ্ৰী ৰঘুনাথ পামেগাম (মন্ত্ৰী)— সেইটো দায়িত্ব তেওঁলোকৰ ওপৰত আছেই। মাননীয় সদস্যসকলে যি পৰামৰ্শ দিলে তাৰ ওপৰত ভিত্তি কৰি মই আৰু গুৰুত্ব দিয়াৰ ব্যৱস্থা কৰিম।

Shri Binoy Kumar Basumatari—Sir, the incidences of non-cooperation by the Bank are apparent to all of us. May I know from the Hon. Minister what steps the Government is taking to tackle such a situation ?

Shri Raghunath Pamegam (Minster)—Sir we are taking up the matter with the Bank authorities from time to time Our Chief minister has also taken up the matter with the Bank authorities.

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ :— অধ্যক্ষ মহোদয়, ক্ৰেডিট এক্সটেনচন অফিচাৰৰ কথাটো শ্ৰীফুকনে উত্থাপন কৰিছে। চয়গাৱৰ বি এফ চিয়ে এটা প্ৰস্তাৱযোগে শাস্তিমুলক ব্যৱস্থা লবলৈ প্ৰস্তাৱ পঠাইছে। এই খবৰটো মন্ত্ৰী মহোদয়ে জানেনে আৰু যদি নাজানে তেন্তে খবৰ কৰি শাস্তিমুলক ব্যৱস্থা লবনে ?

শ্ৰীৰঘুনাথ পামেগাম ( মন্ত্ৰী )— মোৰ হাতত সেই তথ্য নাই, মই খবৰ কৰি চাম।

শ্ৰীহেমেন দাস—মোৰ সমষ্টিত ক্ৰেডিত অফিচাৰ জনে চাৰচিডি নোপোৱাৰ কাৰণে ঋণ দিব পৰা নাই এইটোৰ খবৰ আছেনে ? ডিৰেক্টৰৰ পৰা চাৰচিডি বিলাক যাতে সোনকালে যায় তাৰ কাৰণে কিবা ব্যৱস্থা কৰিবনে ?

শ্ৰীৰঘূনাথ পামেগাম (মন্ত্ৰী) —এই সম্পৃৰ্কত মই দাবী মঞ্জুৰীৰ শিতানত কৈছিলো যে ডিৰেক্টৰৰ পৰা প্ৰজেক্ট ডিৰেক্টৰলৈ যাওতে কিছু সময় লয়, আৰু প্ৰজেক্ট ডিৰেক্টৰৰ পৰা বি ডি অলৈ যাওঁতেও কিছু সময় লয়। আৰু সেই কাৰণে ডিৰেক্টৰৰ পৰা ডাক যোগে যোৱাৰ কাৰণে হয়তো প্ৰজেক্ট ডিৰেক্টৰে পোৱা নাই। মাননীয় সদস্যই যিটো কথা উল্লেখ কৰিছে সেই সম্পৰ্কত মই ডিৰেক্টৰৰ লগত অলোচনা কৰিম। মই জনা মতে মাননীয় সদস্য জনেওঁ কেই দিন মানৰ আগতে অধিকৰ্ত্তাৰ লগত আলোচনা কৰিছিল।

শ্ৰীহেমেন দাস —মই জনাত যোৱা ৫ মাৰ্চলৈকে বৰপেটাৰ ইউনিয়ন বেংকে এজনো মানুহক টকা দিয়া নাই ?

শ্ৰীৰঘুনাথ পামেগাম (মন্ত্ৰী) :—এইটো মই অনুসন্ধান কৰি চাম

শ্ৰীহেমেন দাস —মই জনাত যোৱা ৫ মাৰ্চলৈকে বৰপেটাৰ ইউনিয়ন বেংকে এজনো মানুহক টকা দিয়া নাই আৰু ক্ৰেডিট অফিচাৰ জন বহি ভাগৰি গৈছে। এই সম্পৰ্কত কি ব্যৱস্থা লব ?

শ্ৰীৰঘুনাথ পামেগাম (মন্ত্ৰী):— এনেকুৱাকৈ আমি বেলেগ ঠাইৰ পৰাও আপত্তি পাইছো। তিনিচুকিয়াৰ পৰা এনে পাছটা বেংকৰ পৰা সহযোগ পোৱা নাই বুলি জানিব পাৰিছো। এইটো অনুসন্ধান কৰি চোৱা হব।

### Re : Creation of Agricultural Sub-Division.

Shri Siraj Uddin asked :

*121. Will the Minister, Agriculture be pleased to state :

(a) Whether the Government has any proposal for creating an Agricultural Sub-division at Bilasipara ?

(b) If so, when ?

Shri Golok Rajbanshi (Minister, Agriculture) replied :

121. (a) No.

(b) Does not arise.

শ্ৰী চিৰাজুদ্দিন — মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো যে কি ভিত্তিত উপসংমণ্ডল গঠন কৰা হয় ?

শ্ৰী গোলোক ৰাজবংশী (মন্ত্ৰী) —খেতিৰ উৎপাদন যিমানে বাঢ়ি যায় সিমানেই অফিচো বাঢ়ি যায় ।

শ্ৰীচিৰাজুদ্দিন — উঁপসংমণ্ডল কৰাৰ কৰাৰ কাৰণ কিবা টাৰগেট আছে নেকি ?

শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী)—গোটেই অসমতেই যতেই লাগে তাতেই কৰা হৈছে। বিলাসীপাৰাত টাৰগেট নাই কাৰণেই কৰা হোৱা নাই ।

শ্ৰীচিৰাজুদ্দিন — বিলাসিপাৰা এখন উন্নত কৃষি প্ৰধান ঠাই । ইয়াত ধান, মাহ মৰাপাট, সৰিয়হ আদি খেতি যথেষ্ট পৰিমানে হয় । গতিকে চৰকাৰে এই ঠাইত কৃষি উপসংমণ্ডল গঠন কৰাৰ কাৰণে ব্যৱস্থা কৰিবনে ?

শ্ৰী গোলোক ৰাজবংশী (মন্ত্ৰী)—খেতি বাঢ়িলে কৰা হব ।

শ্ৰী জয়নাল আবেদিন—খেতি বেচি হলে কৰা হব বুলি কৈছে । এতিয়া যিহেতুকে খেতি বেচি হৈছে সেই কাৰণে অহা বছৰলৈ কৰিবনে ?

শ্ৰী গোলোক ৰাজবংশী (মন্ত্ৰী) — যদি খেতি বেচিকৈ হৈছে তাত কৰা হব । আমাক লাগে খেতি বেচি হব লাগে, একেডৰা মাটিতে কেইবাটাও খেতি কৰিব লাগে । খেতি কৰি আমাক সন্তুষ্ট কৰিব পাৰিলেই তাত উপসংমণ্ডল কৰা হব ।

শ্ৰী জয়নাল আবেদিন—খেতিৰ উন্নতিৰ কাৰণে কি পদ্ধাত লব লাগে ?

শ্ৰী গোলোক ৰাজবংশী (মন্ত্ৰী)—বেচি খেতি কৰিবলৈ একেডৰা মাটিতে কেইবাটাও খেতি কৰাৰ পদ্ধতি গ্ৰহণ কৰা

শ্ৰী চিৰাজুদ্দিন—ইয়াত উপসংমণ্ডল গঠন কৰিবৰ কাৰণে চাৰভে কৰিছেনে ?

শ্ৰী গোলোক ৰাজৰংশী ( মন্ত্ৰী ) -- চাৰভে কৰা মতে যত যত দিব লাগে তাত দিয়া হৈছে ।

শ্ৰী বৰকটুল্লা— বিলাসীপাৰাত কিমান হেক্টৰ মাটিত খেতি কৰা হৈছে ?

শ্ৰী গোলাক ৰাজবংশী ( মন্ত্ৰী ) :— এইটো মোৰ হাতত নাই ।

Shri Altaf Hussain Mazumdar — Mr. Speaker, Sir the Hon'ble Minister has said that if there is more cultivation then and then only it can be considered. Will the Hon'ble Minister quantify the amount of land to be cultivated or the production that is to be raised ? Can he quantify that because the Hon'ble Minister's reply is very vague.

শ্ৰী গোলোক ৰাজবংশী (মন্ত্ৰী)— আমাক যিমান টকা মঞ্জুৰী দিছে সেই মতে যত খেতি বেচি হৈছে তাতেই প্ৰায়ৰিটি দি কাম কৰিছো। সেইটো খেতি কিমান বেচি হয় তাৰ ওপৰত নিৰ্ভৰ কৰে।

Shri Altaf Hussain Mazumder—Sir, my question has not been replied. Will he lay any yardstick that this is the quantity of land or the production. Let him lay it on the table of the House or place it before the House.

Mr. Speaker:— I request the Hon'ble Members to be more careful in choosing the words. The word 'bad' is not good— 'unsatisfactory' would serve the purpose.

শ্ৰী গোলোক ৰাজবংশী (মন্ত্ৰী)— গোটেই হিচাবটো মই তেখেতক পিচত দিব পাৰিম।

শ্ৰী চিৰাজুদ্দিন—গোটেই অসমত জিলা ভিত্তিত কিমান কৃষি উপসংমণ্ডল আছে ?

শ্ৰী গোলোক ৰাজবংশী (মন্ত্ৰ) —কৃষিৰ জিলা বেলেগ । সেই হিচাবে গুৱাহাটী, ধুবুৰী, বৰপেটা, নগাওঁ, শিবসাগৰ, তেজপুৰ, লক্ষীমপুৰ ডিফু আৰু নতুনকৈ মঙ্গলদৈ, গোৱালপাৰা আৰু কোকোৰাজাৰ কৰা হৈছে ।

বিঃ কেন্দ্ৰীয় চৰকাৰৰ আয়োগ

শ্ৰীমথুৰা ডেকাই সুধিছে ঃ

*১২২। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসমত ৮৩ চনত হৈ যোৱা দুৰ্ঘটনা সমূহৰ বিষয়ে অনুসন্ধানৰ কাৰণে

Shri Mathura Deka :— I do not wish to move the cut motion.

Shri Binoy Kr. Basumatari :— Sir, I want to know whether there is any proposal for starting a Fire Service Station at Udalgri.

Shri Hiteswar Saikia, (Chief Minister) :— Yes, there is a proposal for it.

Mr. Speaker :— Now, I put grant No. 22 before the House that a sum of Rs. 2, 51, 79, 000/- be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1986 for the administration of 'Fire Services'.

Grant No. 22 is passed.

Now Grant No. 23.

Shri Hiteswar Saikia, (Chief Minister) :— Sir, on the recommendation of the Governor of Assam, I beg to move that a sum of Rs. 1, 06, 20, 000/- be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1986 for the administration of 'Vigilance and Special Commissions'.

Mr. Speaker :— There is no cut motion to this grant. Now I put the grant that a sum of Rs. 1, 06, 20, 000/- be granted to the Minister in charge to defray the charges which will come in course of payment during the year ending the 31st March, 1986 for the administration of 'Vigilance and Special Commissions'.

Grant No. 23 is passed.

Now, Grant No. 36.

Shri Jagannath Sinha, (Minister, Town & Country Planning):— Sir, on the recommendation of the Governor of Assam, I beg to move that a sum of Rs. 7, 58, 30, 000/- be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1986 for the administration of 'Housing Schemes'.

Mr. Speaker :— There is a cut motion tabled by Shri Deka.

শ্ৰীমথুৰা ডেকা :— মাননীয় উপাধ্যক্ষ মহোদয়, হাউচিং স্কীমৰ মঞ্জুৰীৰ শিতানত ২নং খণ্ডৰ অষ্টাদশ অধ্যায়ৰ ১১ ৰ পৰা ৩১ পৃষ্ঠাত যি ৭, ৫৮, ৩০, ০০০ টকা বিচাৰিছে তাৰ পৰা ১ টকা কৰ্ত্তন কৰি মূল মঞ্জুৰীৰ স্থিতি ৰাখিবলৈ মই এই কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰিলো। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰে জনসাধাৰণৰ সুবিধাৰ অৰ্থে এই হাউচিং স্কীম হাতত লৈছিল। এই আচনি কাৰ্য্যকৰী কৰাৰ কাৰণে আমাৰ বাজেটত যথেষ্ট টকা ধৰা হয়। কিন্তু অধ্যক্ষ মহোদয়, এই আচনি কাৰ্য্যকৰী কৰোতে আৰু তাৰ দ্বাৰা জনসাধাৰণ কি হিচাবে উপকৃত হৈছে সেইটো চাবলগীয়া। মই জনাত এই আচনিৰ ঘৰত বাস কৰি থকা ৮ জন মানুহে এতিয়াও দিবলগীয়া ভাৰা আদায় দিয়া নাই। যদি এনেকৈয়ে ভাৰা নিদি তেওঁলোক এই ঘৰবোৰত থাকিবলৈ লয় তেনেহলে চৰকাৰৰ এই আচনি ফলপ্ৰসু হব কেনেকৈ। অধ্যক্ষ মহোদয়, সময় বৰ কম, সেই কাৰণে মই বৰ দীঘলীয়া নকৰো। মাত্ৰ এটা কথা কও এই আচনিৰ জৰিয়তে যিবিলাকক এই ঘৰত থকাৰ যোগ্য তেওঁ-লোকে তাত থকাৰ সুবিধা পাব লাগে, অনাদায় হৈ থকা ঘৰ ভাৰাবোৰ আদায় কৰিবলৈ চৰকাৰে ব্যৱস্থা হাতত লব লাগে আৰু এই শিতানত আমাৰ বছৰে বছৰে যি টকা মঞ্জুৰী দিয়া হৈছে সেই টকাৰ প্ৰকৃত ব্যৱহাৰ কৰি এই আচনিখন ফলপ্ৰসু কৰি তুলিব লাগে। অধ্যক্ষ মহোদয়, যি সকল ভূমিহীন মানুহ সেই ভূমিহীন মানুহ বিলাকক চৰকাৰে বজাৰৰ কাষেৰে ঘৰ সজাৰ কাৰণে মাটি দিয় বুলি কৈছিল। মাটি দিলে ১ বিঘা বা ১ কঠা আৰু ৭৫০ টকা দিলে। যিয়েই নহওক, এই হাউচিং আচনিত কিছুমান মানুহে ভাৰা নিদিয়াকৈ আছে। যিবিলাক দুখীয়া মানুহ এচ, চি, এচ, টি,

তেওঁলোকক ঘৰ কৰি দিয়ক। বৰ্ত্তমানে যি সকল লোকৰ আৰ্থিক অৱস্থা ভাল তেনে মধ্যবৃত্ত পৰিয়ালৰ মাজত এনে ঘৰ বোৰ নিদি নিম্ন শ্ৰেণীৰ যি সকলৰ ঘৰ সাজিবলৈ টকা পইচা নাই তেনে লোকক ঘৰবোৰ দিব লাগে। এইখিনি কৈয়ে মই মোৰ কৰ্ত্তন প্ৰস্তাৱটো উঠাই লৈছো।

Mr. Speaker :— Is it the pleasure of the House that the hon'ble member be granted leave to withdraw the cut motion ?

(voices : yes, yes.)

The leave is granted and the cut motion is withdrawn.

Now I put the grant that a sum of Rs. 7, 58, 30, 000, be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1986 for the administration of "Housing Schemes".

Grant No. 36 is passed.

Now grant No. 24.

Shri Hiteswar Saikia, ( Chief Minister) :— Sir, on the recommendation of the Governor of Assam, I beg to move that a sum of Rs. 4, 86, 45, 000, be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1986 for the administration of "Civil Defence and Home Guards".

Mr. Speaker :— There are two cut motions first one tabled by Shri Chandradhar Kalita and the other by Shri Mathura Deka. Now Shri Chandradhar Kalita will move.

Shri Chandradhar Kalita :— Sir, I beg to move that the to-

tal provision of Rs. 4, 86, 45, 000, under Grant No. 24 in respect of "Civil Defence and Home Guards" at pages 71-79 of Volume II, Part V of the Budget be reduced to Re. 1. i. e. the amount of the whole grant of Rs. 4, 86, 45, 000, do stand reduced to Re.1.

শ্ৰীমথুৰা ডেকা ঃ— মাননীয় অধ্যক্ষ মহোদয়, মই কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰিছো এই কাৰণেই যে গৃহৰক্ষী বাহিনীৰ লোকক লৈ এটা বিপদত পৰা হৈছে। এই সকলক লৈ চৰকাৰে বিপৰ্যয় সমূহত উদ্ধাৰ হয়। জনতা চৰকাৰ অসমত প্ৰবৰ্ত্তনৰ সময়ত মানুহক নানা ভুৱা দিব লাগিল যি সমূহ প্ৰতিশ্ৰুতি দিছিল তাক ৰক্ষা কৰিব নোৱাৰি অসমত বৃহৎ ভূমিকম্প হয় বুলি ঢাকঢোল বজাবলৈ লাগিল। তেতিয়া এই গৃহৰক্ষী বাহিনীৰ দ্বাৰা মানুহক ভূমিকম্পৰ পৰা ৰক্ষা পৰাৰ বাবে সজাগ কৰাৰ বাবে কিছুমান কুচকৱাজ কৰি মানুহৰ মাজত সন্ত্ৰাসৰ সৃষ্টি কৰি ৰাজত্বৰ ওৰ পেলালে। ভূমিকম্পৰ পৰা যাতে ৰক্ষা কৰে। কিন্তু এনেকুৱা ভাবে চৰকাৰে যেতিয়া লোক আত্ম ৰক্ষাৰ প্ৰয়োজন হয় তেতিয়া এই বিভাগৰ দ্বাৰা কাম চলায়। গৃহৰক্ষী বাহিনীক বাধ্যতামূলক ভাবে নিয়োগ কৰিব লাগে। গাওঁৰক্ষী বাহিনীৰ লোকক কোনো চাকৰী স্থায়ী কৈ দিয়া নাই। তেওঁলোকক তেনেকুৱা এজন চাৰটিফিকেট দি পহৰা দিয়াৰ ব্যৱস্থা কৰিব লাগে যাতে চোৰ ডকাইটৰ পৰা ৰক্ষা পোৱা যায়। পুলিচ বিভাগত মানুহ নিয়োগ কৰোতে গাওঁৰক্ষী বাহিনীৰ পৰা গৃহৰক্ষী বাহিনীৰ পৰা সুদক্ষ প্ৰশিক্ষণ পোৱা সকলক নিয়োগ কৰাৰ ব্যৱস্থা থাকিলে গাওঁৰক্ষী বাহিনী আৰু গৃহৰক্ষী বাহিনী শক্তিশালী হৈ উঠিব। প্ৰতিজন প্ৰাৰ্থীৰে যেতিয়া আত্ম বিশ্বাস আহিব তেওঁলোকে নিজ কৰ্ত্তব্য পালনত দৃঢ়তাৰে লাগিব। যদি গাওঁৰক্ষী বাহিনীক পুলিচ বাহিনীৰ শিক্ষা দিয়া হয় আৰু কিছুমান গাওঁৰক্ষী বাহিনীৰ মানুহ পুলিচ বিভাগত নিয়োগ কৰে সেই উদ্দেশ্য বহলাই কম বুলি মই কৰ্ত্তন প্ৰস্তাৱ আনিছো। এতিয়া মোৰ কোৱা হল, কৰ্ত্তন প্ৰস্তাৱ উঠাই দলো।

শ্ৰীচন্দ্ৰধৰ কলিতা :— মাননীয় অধ্যক্ষ মহোদয়, মই চিভিল ডিফেন্স আৰু হোম গাৰ্ডৰ যি ঠাইত ৪ কোটি ৯ লাখ টকা দাবী মঞ্জুৰীত কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰিছো। আমাৰ মাননীয় মুখ্য মন্ত্ৰীৰ পৰা সেই ক্ষেত্ৰত কেইটা

টামান কথা স্পষ্ট হব লগা আছে। সেই কেইটা হল আমাৰ সাধাৰণ শিতানৰ ঠাইত ৯০ কোটি টকা পুলিচ শিতানত ধৰিছে। আৰু ইয়াত প্ৰায় ৪ কোটিৰ বেছিয়েই কব পাৰি ইমান টকা ইয়াত উৎথাপন কৰিছে। আজি দাবী মঞ্জুৰী অহাত কম বেছি ইয়াত সুকীয়া ভাবে আছে। বাস্তৱ ক্ষেত্ৰত হোম গাৰ্ড আৰু চিভিল দিফেঞ্চে টকা কি পায়, যদিও বেছি নাপায় টকা বহুতউত্থাপিত হৈছে। সেইটো মোক স্পষ্ট কৰি দিয়ে যেন। গতিকে মই এই ক্ষেত্ৰত সুকীয়া দাবী মঞ্জুৰী বিচৰা নাই। গৃহৰক্ষী বাহিনীৰ টকা আমাৰ সাধৰণ অৱস্থাত কেনেকৈ ব্যৱহাৰ কৰা হয়। এই বিষয়ত তেওঁ-লোকক ট্ৰেইনিং দিব লাগে। তেনেকুৱা খেলিমেলি থকা কাৰণে তেনে ক্ষেত্ৰত ধন নেপায়। আৰু কেনেবাকৈ পাইছে যদি কব নোৱাৰো।

আৰু এটা কথা মই জানিব বিচাৰিছো এই হোমগাৰ্ড যিটো বাহিনী তাত কিছুমান নিয়মীয়া আৰু কিছুমান অনিয়মীয়া লোক থকা বুলি শুনো। আমাৰ মুখ্য মন্ত্ৰী মহোদয়ে জনাব লাগে কিমান নিয়মীয়া আৰু অনিয়মীয়া লোক আছে? এই হোমগাৰ্ড বিলাকৰ অৱস্থা দুখ লগা। দুৰ্দশা গ্ৰস্তলোকেই দেখিছো কিন্তু এওঁলোকৰ কথাটো অলপ বেলেগ। এওঁলোকৰ বহুতেই মেট্ৰিক পাচ অন্য ক'তো সংস্থাপন নাপায় ইয়াত সোমায়হি। কম বেতনতে পোচাক পৰিশ্চদ পিন্ধে আৰু কিছুদিন কাম কৰি থাকে। কিন্তু কিছুদিন পাছত যেতিয়া তেওঁলোকক এৰি দিয়া হয় অবৈতনিকভাবে তেওঁ লোকে ঘৰত গৈ দুৰ্ভোগ ভূগিবলগীয়া হয়। তেওঁলোকে ঘৰত গৈ অন্য কামো কৰিব নোৱাৰে আৰু বহি বহিও ভাল নোপোৱা হয়। মোৰ বোধেৰে এই চৰিত্ৰ সাজে তেওঁলোকৰ চৰকাৰে। গতিকে তেওঁলোকৰ বিষয়ে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে তাৰ স্পষ্টিকৰন বিচাৰি এই কৰ্ত্তন প্ৰস্তাৱটো উত্থাপন কৰিলো।

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) ঃ—মাননীয় অধ্যক্ষ ডাঙৰীয়া, চিভিল দিফেন্স আৰু হোমগাৰ্ড এটা নতুন বিভাগ নহয়। এই বিভাগ বহুত বছৰ ধৰি চলি আছে। বিশেষকৈ যুদ্ধৰ সময়ত এই চিভিল দিফেন্সৰ মানুহৰ দ্বাৰা কাম কৰোৱা হয় তেওঁলোকে যুদ্ধৰ সময়ত নানান ধৰনৰ প্ৰশিক্ষণ আমাৰ সাধাৰন নাগৰিকক দিয়ে কেনেকৈ নিজকে ৰক্ষা কৰিব পাৰি। আৰু হোমগাৰ্ড সম্পৰ্কে এই সদনত যথেষ্ট আলোচনা কৰা হৈছে। আমাৰ কলিতা ডাঙৰীয়াই জানিব

বিছাৰিছে অসমত কিমান হোমগাৰ্ড আছে। আমাৰ ট্ৰেইনিং হোমগাৰ্ড আছে ৫২৩৮ জন ১৯৮৪ চনলৈ। মুঠ আছে ১৮৫৫২ জন বিভিন্ন কামত তাৰে ৭ হাজাৰ ৮৩০ জন অট্ৰেইনি। ইয়াৰে আমি দুটা হোমগাৰ্ড বেটেলিয়ন খুলিব বিচৰা হৈছে। অৱশ্যে ইয়াত নতুন লোক মকৰল কৰা নহব। পুৰনাখিনিৰ পৰাই বাচি বাচি লোৱা হব। হোমগাৰ্ডৰ কাম সম্পৰ্কে ইতিমধ্যে এই সদনত কৈ গৈছো যে তেওঁলোকে আৰক্ষীলোকক সহায় কৰা, বাননিয়ন্ত্ৰন জলসিঞ্চন আদি বিভাগক সময়ে সময়ে সহায় কৰে। কৰ্ত্তন প্ৰস্তাৱৰ উত্তৰ সম্পৰ্কত মই আগতে কৈছো যে তেওঁলোকৰ মজুৰী আদি বঢ়াই দিয়া হৈছে, গৰম সাজপোচাক দিয়াৰ ব্যৱস্থা কৰা হৈছে। গতিকে এইবিলাকেই মই কলো আৰু বোধহয় মোৰ কথাৰ পৰা কলিতা ডাঙৰীয়াৰ কথাখিনিৰ উত্তৰ দিয়া হৈছে। তেখেতক কৰ্ত্তন প্ৰস্তাৱটো উঠাই লবলৈ অনুৰোধ কৰিলো।

শ্ৰীচন্দ্ৰধৰ কলিতা :— মই আৰু এটা কথা কব বিচাৰিছো এই যিবিলাক হোমগাৰ্ড আছে তেওঁলোকৰ বহুতৰে এজবাৰ হৈ গৈছে। তেওঁলোকে পুলিচৰ যিটো চেইন কৰে সেই চেইনত নপৰে। তেওঁলোকে এজ কন্দোান কৰিবৰ কাৰণে দৰ্খাষ্ট কৰে কিন্তু সেই দৰ্খাষ্ট কোনেও বিচাৰ নকৰে। গতিকে কাম কৰি থাকোতে যি সকলৰ এজ যায় আৰু যি সকলে এজ কন্দোনৰ কাৰনে দৰ্খাষ্ট দিয়ে তাৰ লিবাৰেল ভিউৰ কাৰণে কিবা ব্যৱস্থা কৰিব নে ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্য মন্ত্ৰী ) :— মই আগতে কৈছো তেওঁলোকৰ কাৰণে দুটা বেটেলিয়নৰ ব্যৱস্থা কৰা হৈছে আৰু এই বেটেলিয়ন দুটাত তেওঁলোকক অগ্ৰাধিকাৰ দিয়া হব। এজ কন্দোনৰ কাৰনে ইনদেভিজুৱেল মেৰিটত গুৰুত্ব দিয়া হয়।

শ্ৰীচন্দ্ৰধৰ কলিতা :— মই কৰ্ত্তন প্ৰস্তাৱটো উঠাই লৈছো।

Mr. Speaker :— Is it the pleasure of the house to grant leave to withdraw the cut motion ? (Voices 'yes'yes')

Leave is granted and the cut motion is withdrawn.

Now I put the main motion that a sum of Rs. 4, 86, 45, 000 be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March 1986 for the administra-

tion of "Civil Defence & Home Guards."

Grant No 24 is passed

Now grant No. 46

Shri Hiteswar Saikia (Chief Minister) :— Sir, on the recommendation of Governor of Assam, I beg to move that a sum of Rs. 1, 25, 00, 000 be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1986 for the administration of "freedom fighters, Rajya Sainik Board Relief programme etc.."

Mr. Speaker :— There are two cut motions, one tabled by Shri Mathura Deka and the other by Shri Binoy Kumar Basumatary.

শ্ৰীমথুৰা ডেকা :— মাননীয় অধ্যক্ষ মহোদয়, আমাৰ এই প্ৰস্তাৱত যে ১ কোটি ২৫ লখ টকা ৪৬ নং গ্ৰাণ্টৰ ফ্ৰিদম ফাইটাৰ ৰাজ্য সৈনিক বোৰ্ড, ৰিলিফ প্ৰগ্ৰেম' ২১৪-২১৯ পৃষ্ঠাৰ বাজেটৰ এটকালৈ হ্ৰাস কৰিব লাগে অৰ্থাৎ মুঠ ১ কোটি ২৫ লাখ টকাৰ এটকালৈ হ্ৰাস কৰি মূলাস্থিতি ৰক্ষাৰ বাবে লাগে বুলি কৰ্তন প্ৰস্তাৱ উত্থাপন কৰিলো।

Shri Binoy Kumar Basumatary :— Sir, the total provision of Rs 1, 25, 00, 000 under Grant No. 46 in respect of "Freedom Fghters, Rajya Sainik Board, Relief Programme ete.", at paes 214-219 of Volume II Part I of the Budget be redued to Rs. 1.. i. e. the amount of the whole grant of Rs. 1, 25, 00, 000, do stand reduced to Rs. 1.

শ্ৰীমথুৰা ডেকা :— অধ্যক্ষ মহোদয়, কৰ্তন প্ৰস্তাৱটো উত্থাপন কৰি কেইটামান কথা কব বিচাৰিছো। কথা হ'ল আমাৰ যিবিলাক মানুহে স্বাধীনতা আন্দোলনৰ সময়ত শ্বহীদ হ'ল তেওঁলোকৰ বহু পৰিয়ালকে পেঞ্চন দিয়া ব্যৱস্থা নহ'ল। কংগ্ৰেছ পাৰ্টিয়ে পাছত এখন লিষ্ট তৈয়াৰ কৰিছে। ত আমাৰো নাম আছে কিন্তু নাম অৰ্থাৎ মথুৰা নাই ডেকা বুলি আছেঁক।

তেনেধৰণে বহুতৰে নাম আছে কিন্তু ঠিকনা নাই। কিছুমান এনেলোকে পেঞ্চন পাইছে যি সকল স্বাধীনতা আন্দোলনত যোগ নিদি অপকাৰ্যত জেলত পৰা কেচৰ আচামীৰ নাম আছে মুক্তি যুজাৰুৰ কাৰণে কিন্তু আচলতে যিসকলে স্বাধীনতা আন্দোলনৰ কাৰণে নিৰ্যাতন ভোগ কৰালে তেওঁলোকৰ কিন্তু বহুতৰে ৰেকৰ্ড নাই। গবেশ্বৰ অঞ্চলৰো তেনেকুৱা বহুত মানুহৰ নাম নাই। অলপতে অৱশ্যে এখন কমিটি কৰি তেনে লোকৰ পুনৰ আবেদন বিছৰা হৈছিল ৰেডিওযোগে বাতৰি কাকতত্তো ঘোষণা দিছিল। নলবাৰীৰ ডাঃ খৰ্গেশ্বৰ মেধী জেলত থকা মই জানো মোৰ লগতে হাজোতি খাটিছিল কিন্তু তেওঁৰ নাম নাই। আমাৰ বৰ্ত্তমান ৰাষ্ট্ৰপতি যেতিয়া গৃহমন্ত্ৰী আছিল তেখেতৰ দিনতে এই সিদ্ধান্ত হৈছিল যে প্ৰকৃত কাৰাবৰন কৰা আন্দোলন শক্তিশালী কৰাৰ বাবে আত্মগোপন কৰি যি সকলে নিৰ্যাতন ভোগীছিল তেনেলোক সকলে যাতে সাম্সুবিধা পায় তাৰ ব্যৱস্থা কৰিব লাগে। আমাৰ অসমত বোধকৰো ইমানদিনে হেলাতে থাকিল এতিয়াহে মনত পৰিছে।

মাননীয় অধ্যক্ষ মহোদয়, আপুনিও অসমীয়া মানুহ অসমীয়াৰ স্বভাব জানেই, হেলাতে থাকি গল। কত দৰ্খাস্ত দিব। তাৰোপৰি, ফটো তোলা কথাটোও আছেই। এনেকুৱা বিলাক কথাতে বৈ থাকিল। কিছুমানে দৰ্খাস্ত কৰিলে। কিছুমানৰ লিষ্ট হল। কিন্তু 'ফ্ৰিডম ফাইটাৰ্চ পেন্সন' হলে পোৱা নাই।

তাৰ পিচত এনেকুৱা কথা আহিল, যি সকলে জেল খাটিছিল তেখেত সকলক জেইলৰ প্ৰমাণ পত্ৰৰ দৰ্কাৰ হল। জেইলৰ ৰেকৰ্ড তেনেকুৱা নাই। ৰেকৰ্ড নেথাকিলে দিব নোৱাৰে। এইটো এটা গল। দ্বিতীয়ত, জেইলৰ ৰেকৰ্ড নেথাকিলে একেবাহে পাছ বছৰ জেইল খোৱা মানুহৰ চৰ্টিফিকেট হলেও চলে। তেনে মানুহ এতিয়া পায় কত? অসমত মাত্ৰ তেনেকুৱা মানুহ দুজনহে আছে। তাৰে এজন হৈছে নগাৱঁৰ হলধৰ ভূঞা আৰু আন জন হৈছে শ্ৰীৰবীন কাকতি। বাকী যি সকল আছে সেই সকল চাৰিবা দুবছৰ, কোনোবা আঢ়ৈ বছৰ ইত্যাদি। চাৰ্টিফিকেট লবৰ কাৰণে সলোৰে টান হৈ পৰিল।

মাননীয় অধ্যক্ষ মহোদয়, ১৯৪২ চনত বহুত বিলাক মানুহ জেইল

have kept vacant for the time being. Sir, I assure the House that during the ensuing half an-hour discussion I shall place all the materials. All the fugures will also be placed relating to various appointments.

Shri Binoy Kumar Basumatary :— From 1985 to 1952 is a long period of 30 years when the quota filled up was only 3 p. c. It means during that period we have been deprived. Will the Govt. make an effort to place the number of accumulated backlog during the h lf an-hour discussion ?

Shri Hiteswar Saikia (Chief Minister) : — Sir, I assure in respect of GRADE III and GRADE IV po ts I am told in other State the covering up is only 0.8. per cent. I am bringing the figures of there States in respect of population pattern and other things as has been reflected there.

শ্ৰীদুৰ্গেশ্বৰ পাটিৰ ঃ— মাননীয় অধ্যক্ষ মহোদয়, প্ৰমোচনৰ ক্ষেত্ৰত কাৰ্য্যকৰী নকৰাৰ অভিযোগ মন্ত্ৰী মহোদয়ে পাইছে। তেখেতে কি ব্যৱস্থা লৈছে ?

শ্ৰীৰনেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী) ঃ— অধ্যক্ষ মহোদয়, মাজে সময়ে এনেভাবে ৰিপ্ৰেজেনটেচন পাওঁ আৰু লগে লগে এই বিষয়ে সংশ্লিষ্ট বিভাগৰ লগত যোগাযোগ কৰো। সংশ্লিষ্ট বিভাগে প্ৰমোচন দিব নোৱাৰাত যথাযথভাবে জনাইছে। দিব নোৱাৰাৰ যথেষ্ট সত্যতা আছে। সাধাৰণ ভাবে প্ৰমোচনৰ ক্ষেত্ৰত যে ট্ৰাইবেলক, এচ, চিৰ, মানুহক পোনপোতীয়াকৈ বঞ্চিত কৰিছে এইটো প্ৰমাণ হোৱা নাই।

Re : Building grant for Krishnai Gaon Panchayat.

Shri Mohammad Ali, asked :

*125. Will the Minister, Panchayat be pleased the state :

(a) The amount received by the Krishnai Gaon Panchayat for its building grant from Goalpara Mohkuma Parishad ?

(b) Whether the said grant has already been utilised ?

(c) Whether the construction of the Office Building of Krishnai Gaon Panchayat has been completed ?

(d) If so, whether the Utilisation Certificates of the grant has already been submitted ?

Shri Tilok Gogoi, (Minister, Panchayat) replied :

125. (a) Rs. 14,912.00

(b) Yes.

(c) No.

(d) Yes.

শ্ৰীমহম্মদ আলি :— কৃষ্ণাই গাওঁ পঞ্চায়তৰ ঘৰ নিৰ্ম্মানৰ কাৰণে ১৪ হাজাৰ টকা মঞ্জুৰী দিয়া বুলি কৈছে। আৰু ইউটিলাইজেচন চাৰ্টিফিকেট দিয়া বুলি কৈছে। আমি জনাত ঘৰৰ ভেটিতোহে হৈছে ঘৰ হোৱা নাই। আজিকালি ১৪ হাজাৰ টকাৰে এটা ঘৰ নিৰ্ম্মান কৰা সম্ভৱ নহয়। ইয়াতকৈও বেছি টকা দিয়া পঞ্চায়তৰ এটা সিদ্ধান্ত আছে। গতিকে ঘৰটো সম্পূৰ্ণ হোৱাকৈ টকা দিয়াৰ ব্যৱস্থা চৰকাৰে কৰিবনে ?

শ্ৰীতিলক চন্দ্ৰ গগৈ (পঞ্চায়ত মন্ত্ৰী) .— ঘৰ নিৰ্ম্মানৰ কাৰণে যিমান ব্যৱস্থা আছিল সিমান খিনিয়ে দিয়া হৈছে। অৱশ্যে ১৪৯১২ টকাৰে এটা ঘৰ পুৰা নহয়। কিন্তু তেওঁলোকে ঘৰৰ কাম আৰম্ভ কৰিছে আমি চাৰ্টিফিকেটও পাইছো। এনেকুৱা বিলাক ঘৰৰ কাৰণে আমাৰ প্ৰাককলন হৈছে ২৪ হাজাৰ টকা আৰু আমাৰ বিভাগে খুব বেছি ২৩ হাজাৰ টকা দিব পাৰে।

শ্ৰীমহম্মদ আলি :— ২৩ হাজাৰ টকা যদি চৰকাৰে দিয়ে তেনেহলে এক হাজাৰ টকা পঞ্চায়তৰ পৰা খৰচ কৰি হলেও ঘৰটো কৰিব। গতিকে ২৩ হাজাৰ টকা অতি সোনকালে মঞ্জুৰী দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীতিলক চন্দ্ৰ গগৈ (মন্ত্ৰী) :— মই কৈছোঁৱে এক হাজাৰ টকাৰ কাৰণে ঘৰটো পৰি নাথাকে। বাকী টকাটোৰ কাৰণে চৰকাৰে বিবেচনা কৰিব।

বিঃ মধ্য অসম বননীকৰণ সংমণ্ডল।

শ্ৰীহেমেন দাসে সুধিছে :

*১২৬। মাননীয় মুখ্য মন্ত্ৰী মহোদয় অনুগ্ৰহ কৰি জনাবনে :

(ক) মধ্য অসম বননীকৰণ সংমণ্ডলত কিমান হেক্টৰ মাটিত নাৰ্চাৰী আছে।

(খ) ভেটিৰ সংখ্যা কিমান?

(গ) সৰ্বমুঠ কিমান গছ পুলি উৎপান হৈছে?

শ্ৰীদীননাথ ৰাজখোৱা (বন বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে :

১২৬। (ক) ৬২.৯৬ হেক্টৰ

(খ) ২৫,০১১

(গ) ৫৭৯৪.৮৯১

শ্ৰীহেমেন দাস :— কি কি গছপুলি উৎপাদন কৰা হৈছে মন্ত্ৰী মহোদয়ে জনাব নে?

শ্ৰীদীননাথ ৰাজখোৱা (ৰাজ্যিক মন্ত্ৰী) বিভিন্ন ধৰনৰ গছপুলি কৰা হৈছে।

শ্ৰীহেমেন দাস :— বিভিন্ন ধৰনৰ গছপুলি কইছে বুজিছো, তাত হয়তো কলগছ কচুগছ কৰা নাই কিন্তু দৰ্কাৰী কি গছপুলি কইছে?

শ্ৰীদীননাথ ৰাজখোৱা (ৰাজ্যিক মন্ত্ৰী) :— বিভিন্নধৰনৰ গছপুলি আছে যিবোৰৰ দ্বাৰা বন বিভাগৰ কামত আহে, তেনে গছপুলিয়ে তাত কৰা হৈছে।

শ্ৰীহেমেম দাস :— বন বিভাগৰ দৰ্কাৰী গছপুলিয়ে ৰোৱা হৈছে, গাওঁৰ মানুহকো সেই গছপুলি দিছে নেকি?

শ্ৰীদীননাথ ৰাজখোৱা (ৰাজ্যিক মন্ত্ৰী) :— গাওঁৰ মানুহক দিয়া হোৱা নাই। গছ বিলাক মেচুৰিটি হোৱাৰ পাছত গাওঁৰ মানুহৰ ওচৰত অকচন কৰা হব।

শ্ৰীহেমেন দাস :— সামাজিক বননীকৰন আচনিমতে গাওঁৰ মানুহক গছ ৰোৱাত উৎসাহ যোগাবৰ কাৰণে গাওঁৰ মানুহকো গছপুলি বিতৰণ কৰি দিয়া হয়। ঠিক তেনেকৈ গাওঁৰ মাজতো এই পুলি বিতৰন কৰা হৈছিল নেকি?

শ্ৰীদীননাথ ৰাজখোৱা (ৰাজ্যিক মন্ত্ৰী) :— কিছুমান গছপুলি ফ্ৰি কৰি গাওঁৰ

মানুহকো দিয়া হৈছে।

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ :— ইয়াত কোৱা আছেই নাৰ্চাৰী কৰা বুলি। সেই কাৰণে মাননীয় সদস্য শ্ৰীদাস ডাঙৰীয়াই কি কি গছপুলি ৰোৱা হৈছে সুধিছে, সেইটো নিশ্চয় ৰেকৰ্ডত থাকিব লাগে। এতিয়া আকৌ পাচৰ পৰা শ্লিপ দিছে এতিয়া কব পাৰিব নেকি ?

শ্ৰীদীননাথ ৰাজখোৱা (ৰাজ্যিক মন্ত্ৰী) :— মই আগতে কৈছো বণ বিভাগৰ কাৰণে যিবিলাক দৰ্কাৰী গছ সেই গছপুলিহে ৰোৱা হৈছে। যেনে শেগুন গামাৰী শাল ইত্যাদি।

Re : Gram Sevak Quarter at Pizabari.

Shri Siraj Uddin, asked :

*127. Will the Minister, Agriculture be pleased to state :

(a) Whether it is a fact that there is a Gram Sevak Quarter at Pizabari under Ambari Sadhubhasa G. P., Dhubri ?

(b) If so, whether any Gram Sevak has been posted there ?

(c) If so, when ?

(d) If not why ?

Shri Golok Rajbanshi (Minister, Agriculture) replied :

127. (a) Yes.

(b) Yes.

(c) On 17.9.81

(d) Does not arise.

শ্ৰীচিৰাজুদ্দিন আহমেদ :— মন্ত্ৰী মহোদয়ে উত্তৰত কৈছে যে এজন গ্ৰাম সেৱক তাত নিয়োগ কৰা হৈছে। আমি জনাত তাত গ্ৰাম সেৱকেই নাই। গতিকে তথ্যটো পুনৰ পৰীক্ষা কৰি চাব নে ?

শ্ৰীগোলোক ৰাজবংশী (কৃষি মন্ত্ৰী) ঃ— আমাৰ যিটো ৰিপোৰ্ট আছে তাত থকা

বুলি কৈছে এতিয়া যেতিয়া নথকা বুলি কৈছে নিশ্চয় তদন্ত কৰি চাম।

শ্ৰীচিৰাজুদ্দিন আহমেদ :— এই গ্ৰাম সেৱকৰ যিটো কোৱাৰ্টাৰ সেইটো কৰ্ত্তিপক্ষই এতিয়ালৈকে বিভাগলৈ হস্তান্তৰেই কৰা নাই গতিকে গ্ৰাম সেৱক তাত আছে বুলি মন্ত্ৰী মহোদয়ে কেনেকৈ কলে ?

শ্ৰীগোলোক ৰাজবংশী (কৃষি মন্ত্ৰী) :— মোৰ হাতত থকা ৰেকৰ্ডমতে বিভাগৰ হাততে আছে।

শ্ৰীচিৰাজুদ্দিন আহমেদ :— চাৰ এই কৃষিৰ নিচিনা এটা কথাত ৰাইজৰ স্বাৰ্থ জৰিত আছে। গতিকে মই ভাবো এই বিষয়টোৰ প্ৰতি মন্ত্ৰী মহোদয়ে গুৰুত্ব দি পুনৰ তদন্ত কৰাৰ ব্যৱস্থা কৰিব নে ?

শ্ৰীগোলক ৰাজবংশী (মন্ত্ৰী) :— তদন্ত কৰা হব।

বিঃ গৃহ নিৰ্ম্মাণৰ বাবে লোৰ ৰড।

শ্ৰীমহম্মদ আলিয়ে সুধিছে :

*১২৮। মাননীয় গ্ৰাম্য উন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) গোৱালপাৰা জিলাৰ প্ৰকল্প সঞ্চালকে বাছি দিয়া ঠিকাদাৰে এন, আৰ, ই, পি, আক আৰ. এল, ই, জি, পি, ৰ আঁচনিত নিৰ্ম্মাণ কৰিবলগীয়া গৃহৰ বাবে লোৰ ৰ'ডৰ যোগান ধৰোতে ওজন কৰি নিদিয়া কথাটো সঁচানে ?

(খ) যদি সঁচা. তেনেহলে, লোৰ ৰ'ড ঠিকাদাৰে ওজন কৰি নিদিয়াৰ বাবে সৃজনগ্ৰামৰ গাওঁ উন্নয়ণ বিষয়াই উক্ত ৰ'ড ঘূৰাই পঠিওৱাটো সঁচানে ?

শ্ৰীৰঘুনাথ পামেগাম (গ্ৰাম্য উন্নয়ণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

১২৮। (ক) সঁচা নহয়।

(খ) প্ৰশ্ন নুঠে।

শ্ৰীমহম্মদ আলি :— আমি জনাত গোৱালপাৰা জিলাৰ দি আৰদিএত লোহা ৰড যোগান ধৰা যিজন ঠিকাদাৰ তেওঁ লোহা ৰড যোগান ধৰোতে ওজন কৰি লোৱা হোৱা নাই। মন্ত্ৰী মহোদয়ে এই বিষয়টো অনুসন্ধান কৰি ব্যৱস্থা গ্ৰহণ কৰিব নে ?

শ্ৰীৰঘুনাথ পামেগাম (মন্ত্ৰী) :— মোৰ হাতত যি তথ্য আছে সেই তথ্য মতে প্ৰজেক্ট অফিছাৰে যেতিয়া বিডিও সকললৈ এই ৰড লোহা পঠিয়ায় তেতিয়া ওজন কৰি পঠিয়ায় আৰু বিডিও সকলে বিলখনৰ ওপৰত অন দি বডি অৱ দি বিল চেক কৰি চাটি ফিাই কৰে। যদি তেখেতৰ হাতত কিবা নিৰ্দ্দিষ্ট তথ্য আছে দিলে তদন্ত কৰি চাম।

শ্ৰীমহম্মুদ আলি :— আমাৰ অঞ্চলত যিবিলাক গৃহ নিৰ্মান হৈ আছে সেই-বিলাকৰ চাইটত লোহা ৰড যোগান ধৰোতে ওজন কৰা হোৱা নাই। এই বিষয়ে তথ্য মোৰ হাতত আছে দিলে তদন্ত কৰিব নে ?

শ্ৰীৰঘুনাথ পামেগাম (মন্ত্ৰী) ঃ— চাব পৰা যাব।

## VOTING ON DEMANDS FOR GRANTS

**Mr. Speaker :—** Now Item No. 2 Voting on Demands for Grants.

### Grant No. 61.

**Shri Hiteswar Saikia (Chief Minister) :—** On the recommendation of the Governor of Assam, I beg, Sir, to move that a sum of Rs. 38,62,05,000 be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1986 for the administration of "Forests".

**Mr. Speaker :—** There are three cut motions, the first one tabled by Shri Binoy Kumar Basumatari, Shri Alit Chandra Boro, Shri Tajamul Ali Laskar and Shri Md. Hussain, the second one tabled by Shri Chandradhar Kalita and the third one tabled by Shri Mathura Deka. Now Shri Binoy Kumar Basumatari to move.

**Shri Binoy Kumar Basumatari :—** Sir, I beg to move that the total provision of Rs. 38,62,05,000, under Grant No.

61 in respect of "Forests", at pages 20-44 of Volume II Part XIX of the Budget, be reduced to Re. 1, i.e. the amount of the whole grant of Rs. 38,62,05,000, do stand reduced to Re. 1.

Mr. Speaker :— Now Shri Chandradhar Kalita to move.

Shri Chadradhar Kalita :— Sir, I beg to move that the total provision of Rs. 38,62,05,000, under Grant No. 61 in respect of "Forests", at gages 20-44 of Volume II, Part XIX of the Budget, be reduced to Re. 1, i.e. the amount of the whole grant of Rs. 38,62,05,000, do stand to Re. 1.

Mr. Speaker :— Shri Mathura Deka to move.

শ্ৰীমথুৰা ডেকা :— মাননীয় অধ্যক্ষ মহোদয়, বন বিভাগৰ শিতানত খাৰ্য্যকৰা দাবী মঞ্জুৰীৰ মুঠ ৩৮,৬২,০৫,০০০ টকাক এটকাৰে হ্ৰাস কৰা হওক।

Mr. Speaker :— Shri Binoy Kumar Basumatari to speak.

Shri Binoy Kumar Basumatari :— Sir, I rise in support of the cut motion that we have moved and to say that this demand should be reduced. Sir, once-again we have to study the allocations under the "Forests". Sir, if we go to page 21 we will find that out of Rs. 38 crores, Rs. 22 lakhs will be spent for research, Rs. 33 lakhs for education and training, Rs. 7 crores for Conservation and Development, Rs. 40 lakhs for survey of Forest Resources, Rs. 2.16 lakhs for plantation scheme etc. will be spent. Sir at first I would like to deal briefly with "Research". Sir, just beyond us there is a very young State, i. e Arunachal Pradesh. We have had a good opportunity to visit that State some time last year, when we were taken to a place called Tipi which has become a centre of or-

chids and it has become famous internationally, whereas in Assam whose total land was covered with more than 60 per cent of forests till 1950, does not have even 33 per cent of forests today. Sir, there should some visible signs that researches were conducted in the State to prove the progress. But, Sir, we regret to bring it here before the House that we have failed to see any sign of progress under "Research" in forest areas of the State. Similarly, for education and training, a huge amount of money is being kept, but, I think, this will go to the various forest schools and we are told to train even for logging and for such other courses, the students rather the new recruits from the State have to go to some other places like Siliguri and Karsiang for logging. Sir, if our forests is one of our dependable sources of income, Government should see that such logging centres and other facilities are arranged and provided for within the State itself by our Forest Department. In this field also, I am constrained to remark that this Department is a failure. For forest conseration and development sir, a sum of Rs. 7 crores or so has been ear-marked. We do not know what steps this Forest Department is going to take to conserve forests, whereas now right before my eyes in my own constitutncy, two parties were issued with orders of 200 truck-loads of fire-wood each. Unfortunately one order was purported to be issued in favour of the nephew of the Divisional Forest Officer Nort Kamrup at Rangia, and there is another businessman who has a saw mill, he has been given 200 truck-loads of fire-wood.

But really this so-called fire-wood is not fire-wood at all sir. They are the valuable forest products and truck-loads of them. On the floor of the Honse, the Government has repeatedly assured us that they have since stopped issuing permits for forest trees to inviduals. So it is not a fact. Perhaps they have not issued permits for forest trees, but certainly they have not issued permits showing them to be fire-wood. Sir, last, year we had also had a chance to visit this Rangia Forest Disision at Tamulpur Fosest Reserve and we were staying there and in the evening we were told by local people that during the agitation time in February and March 1983, within a span of 21 days the entire Kumarikata forest 'Khoir' plantation was finished. Sir, it is the Forest Department who took advantage of the agitation period in the State for their personal gains at the cost of our forest wealth. Boys were agitating over the foreigners and they asked the state government officials to support them and cooperate with them in this agitation. It was this Forest Division who had extended monetary help to the students for the agitation and their sole purpose was to make money for their own gains. Thousands of forest 'Khoir' trees valued at several crores of rupees were removed from the forest reserves day and night, and within a span of 21 days the whole forest reserve was denuded of valuable 'Khoir' trees at a loss to the State exchequer. Now in this matter of conservation, sir, it is very doubtful if the funds allotted are properly utilised. For instance, as I have informed the House, there was plantation in

a forest area even in the month of December 1984. I have seen it with my own eyes, and now I am told that Nalbari Soil Conservation Department or Social Forestry Division-or whatever it is called-had planted Simul trees and other trees along the Mangaldoi-Bhutiachang road between 20th to 25th of December 1984. I brought this to the notice of the D.C., the S.D O. and also D.F O. Kamrup. Sir, what are we to understand from this ? If in a State like Assam we start planting trees in the month of December, do you think that these trees will survive ? So we are forced to come to the conclusion that this department officials are not sincere and honest to the plans and programmes declared by the State. And this is a very sorry state of affairs in the state and we are told that there are lot of interference from the Ministers in cases of alloting orders for issuing permits to individuals. Sir, I am sorry to read out a photostat copy of an appeal and a telegram. This telegram was purportedly sent by one Mrinal Dasgupta. Here I quote :

" To,

Rajib Gandhi

Prime Minister, New Delhi

Forest officers seized illegal sal sleeper beam logs of thirty lakhs rupees from Basugaon Manabir Industries Saw Mill and its surroundings. Correct seizerlist doubtful. More search necessary at Kokrajhar Sakti Ashram Sapatgram Gossaigaon. Save national property. Ranendra Basumatary Flood Control Minister Assam behind all illegal

smuggling and interfering search. Action solicited.

Mrinal Dasgupta

Basugaon Town."

Sir, I place it before this House and I dont say that this is all. this sort of charges are continuing to come to us and it is, therefore, the duty of this Govt. to protect its fair name and if this is what is happening then how can this Govt. gain the public confidence that they are trying to obtain ? Therefore, with a lot of regret I read out this letter and place it before you. It says like this. I quote.

"Respected Sir,

I have the honour beg to infrom your nonour that every day illegal timber sleepers, beam and logs are being supplied from Basugaon, Kokrajhar, Fakiragam, Sapatgram, Gossaigaon and Kachugaon area by railway and roads to the outside of Assam.

On 24/2/85 and 25/2/85 some Forest Officers searched Basugaon Mahabir Industries Saw Mill and its surrounding and seized huge number of railway sleepers, beam and logs etc. But public fear that the seizing forest officers may not record in seizer list of timber. Shri Ranendra Narayan Basumatari, Flood Control Minister, Assam who takes money from the working Saw mills is actively behind all this illegal activities of timber smuggling. He interferes in the seareh and seizer. As Minister he has almost finished the forest timber—the national property of Kokrajahar district. Out of fear of Shri Ranendra Narayan Basumatary the Forest officers are hesitated to fur-

ther search and seizer of timbers. On several occasions for collection of illegal timbers, the forest officers had to closure of Saw Mills at Kokrajhar, Basugaon, Sakti Ashram etc. but under the influence of Shri Ranendra Narayan Basumrtary, Flood Control Minister, the officers seem compelled to vacate closer order of Saw Mills. He recommended for favour permit of timber to his relatives. Saw Mills and businessmen of outside of Kokrajhar district who gave him lakhs and lakhs of rupees. In this way he is involved in corruption and makes huge property. This is dangerous for the young generations and detrimental to the national interest and challenge to the clean administration undertaken by your honour.

So, it is requested that Shri Ranendra Narayan Basumatary, Flood Control Minister. Assam should be immediately dropped from the Assam Cabinet for the interest of the nation.

Yours sincerely,

Sd/-

(Mrinal Dasgupta)"

Sir, I place this evidence before this House. This is definitely happening because Sir this seizure is going on even in Udalguri. There are 8 Saw Mills in Udalguri. D.F.O., Ranagiya once seized all the logs in Udalguri but for one reason or other in one mill he had certified the stock of logs i.e. whatever stocks this Saw Mill had was certified and this Mill was not closed. Whereas even today if you give a surprise visit, you will see almost a mountain of logs behind this Saw Mill. Now Sir,

when yesterday I came, I was almost driven out from my road by some trucks in Amingaon area. If you go today, you will see that thousands of logs are on both side of the road. This Govt. is saying that they have stopped allotting these permits, but it is open evidence that they do not care at all now. So. I think, this is the time that this department should wake up and see what is happening. But this is happening on one side, on the other side it is the Tribals who are victimied. Sir, I do not like to repeat things. But I think, in Sonitpur area after the Gohpur incident, the forest officers and forest staff Sonitpur area have more or less declared some sort of undeclared war with Tribals. We have many reports, which says that this Sonitpur will give another blood bath, in the villages of Tribals, and Sir, if that is what is happening. then we do not know what to do. It is true that Tribals are there in forest areas because they are compelled to go there for reasons and this was also encouraged by the Govt. Now, Sir, in forest areas many settlers have been there for more than 30/40 years also. Sir, in Tangia villages even while the British Govt. was here, now those people are there. They have establised sehools in these forest areas. The lan occupied by Primary schools are not mutated. For instance the school at Tarabari in Sonitpur District is accepted by the D.I of Schools and even the Director of Elementary Education for provincialisation but these people are not getting this land transferred since 1977. But these forest people have now dis-allowed transfer of this land.

Therefore, Sir, there is so much of injustice going on in the forest areas which unless you enter the forest one does not realise it. Sir, I do not want to mention all these in support of my cut motion, I have to say that the tribals have been associated with the forests time immemorial and as per National policy tribals should be given preferential treatment in the forest areas, which is lacking in the Government of Assam. Therefore, I would request the Leader of the House that a new method of living in the forest areas by the tribals and the forest department should be evolved. In fact there are some areas in the developing countries where forest areas are selected for habitation. For instance, it is quite possible in the Sal plantation areas. If sal plantation is conducted in a systematic way some areas in between the forest could be used for cultivation where tribals can be settled and they should be given some short of understanding that they are to look after the forests. This is the case in Orissa and Madhya Pradesh. But in Assam we have seen that tribals are being evicted and are cut off from the forest areas. This is a very serious thing for tribals. Sir, tribals do not harm forest ; they love forest and are born in forest. So a new system of this kind has to be evolved This Government cannot go on evicting the tribals wasting time and money which will mean diversion of their attention from the real work and conservation of forest.

Sir, at page 22 there is an allocation of 89 lakhs for wild life. What is the position of wild life in the

State ? When I was young I used to run after rabbits and deers. But to-day my children do not recognise a rabbit or deer and they may be cheated by pointing out to a buffalo as elephant. Therefore, I have started keeping some rabbit in my house. Has the Forest department started keeping rabbits ? It is easy to keep rabbits They will produce puppies within 3 or 4 months. In my area people have started keeping rabbits. It is profitable also. It fetches a selling price of about Rs. 25/—each. Sir, just near Gauhati, in this Sila hill near Baihata Charali I visited the family whose son was killed by a tiger. The people say that the tiger was not there. This tiger was taken from the State Zoo and let loose there to evict the forest encroachers. (voices : from the Treasury Benches : this is too much) I think there is something to believe. Why I believe this ? The forest department has taken some tigers to Kokilabari in Barpeta. Tigers are there already. Cattles are already taken away. There is contradiction in Government policy and action. We would like the Government declare clearly its intention about Kokilabari farm, if this will be converted to a Tiger project area ?

Lastly Sir, at page 22 itself a sum of Rs. I crore 80 lakhs is provided for tribal area sub. plan. What is going in the forest ? Actually Sir, what they do is, they are digging there raising some mound of earth with the purpose that trees will be planted there, whereas, there is no plant tion in my area for 3 years. This time I have seen digging the earth and raising some mound. What-

ever plantation was done, it was done during the President's Rule. The road side plants have grown up well and it looks nice and when you pass through the road you feel happy. But what about the plantation done during December ? I was told that this money was to be spent during the previous financial year which could not be spent. So they started plantation in the month of December. It is only to sabotage the TSP. It is national money and the responsible officers, the learned officers should not waste the national money. Although it is meant for tribal, the money belongs to nation. They may not like the tribals, but the national money should not be wasted in this way. With these few words, Sir, I support the cut motion.

* শ্ৰীচন্দ্ৰধৰ কলিতা :— মাননীয় অধ্যক্ষ মহোদয় মই আমাৰ বিৰোধী পক্ষই অনা কৰ্তন প্ৰস্তাৱটো সমৰ্থন কৰি কেইটামান কথা কব ওলাইছো এই ফৰেষ্টৰ শিতানত। আমাৰ অসম থন যেনেকৈ বিভিন্ন ৰকমৰ প্ৰাকৃতিক সম্পদৰে সমৃদ্ধিশালী তাৰ ভিতৰত এতিয়া অতি উল্লেখনীয় হ'ল আমাৰ বনজসম্পদ। এই বনজ সম্পদ সম্পৰ্কে ইয়াত দীঘলীয়া উদ্ধৃতি দিয়াৰ বেচি প্ৰয়োজনীয়তা হৈ থকা নাই। এই সদনতেই এই সম্পৰ্কে আমাৰ বিভিন্ন ৰকমৰ তথ্য ইয়াত উৎথাপিত হৈছে। চাৰ, প্ৰথম কথাটো হ'ল এই যে বনজ সম্পদ আমাৰ যেনেধৰণে এই দেশত আজিৰ যুগৰ মানুহৰ স্বাৰ্থত বা দেশৰ জনসাধাৰণৰ স্বাৰ্থত বিশেষকৈ তল খাপত পৰি থকা জনসাধাৰণৰ স্বাৰ্থৰ কাৰণে ব্যৱহাৰ কৰাৰ সুযোগ আছিল সেই দিশত সেই সুযোগটো আমি গ্ৰহণ কৰা নাই। তাৰ বিপৰীতে প্ৰাকৃতিক যিখিনি আমাৰ সম্পদ আছিল বা আছে, এই শিতানত আমি খৰচ কৰাৰ নামত সেই বস্তু বিলাক ধ্বংসহে কৰি আছো। কেনেকৈ ধ্বংস কৰা হৈছে মই কব যাওঁ যে এই বন বিভাগ ৰক্ষণা-বেক্ষণৰ কাৰণে এই বিভিন্ন দিশ বা শিতান যদি নাথাকেও তাৰ পৰা একো

*Speech not corrected

লোকচান নহব অথচ সিদিনা মাননীয় মন্ত্ৰী ডাঙৰীয়াই সদনক কৈছিল যে ইন্দিভিজুৱেল পাৰ্মিট দিয়া নাই. কাগজে-কলমে এইটো প্ৰমাণিত নহব পাৰে কিন্তু এই বনজ সম্পদ আৰু মূল্যবান কাঠবিলাক আচলতে ব্যক্তিগত মালিকৰ দ্বাৰা অপহৃত আৰু ক্ষয় হৈ আছে। খৰিৰ নামত বা অন্যান্য প্ৰকাৰে এই বিলাক ৰক্ষণা-বেক্ষণ দিয়াৰ শিতানত খৰচ কৰা হৈ আছে। কিন্তু তাৰ বিনিময়ত প্ৰকৃততে কিছুমান মানুহকে ৰক্ষণা-বেক্ষণ দিয়া হৈছে। ওপৰ মহলত হস্তক্ষেপ থকা বুলি কয়। এই বনজ সম্পদ আজি ধ্বংস হৈছে আৰু এই ৰক্ষণা-বেক্ষণ কেৱল মাধ্যম হিচাবেহে লোৱা হৈছে। ইয়াত মই এটা বিশেষ কথা কবলৈ যাও যে ভূমিসংৰক্ষণৰ নামত বাজেটত টকা খৰচ কৰা হৈ আছে আৰু ইয়াৰ পৰিমাণ হ'ল ৫৭ লাখ ৪৫ হাজাৰ টকা আৰু ৮৪ লাখ ৭৪ হাজাৰ খৰচ টকা হৈছে। ইমান টকা ভূমি সংৰক্ষণৰ নামত ধৰা হৈছে। কিন্তু প্ৰলয়ংকৰী বানপানীত খহনীয়াৰ কাৰণে এই ভূমি সংৰক্ষণৰ দ্বাৰা কি কাম-কাজ হ'ল, কি ধৰণৰ প্ৰতেকচন দিলে, বৃক্ষৰোপণ কি কৰিলে, ভূমি সংৰক্ষণৰ নামত আমি কিবা দেখিবলৈ পাইছো জানো ? তাৰ পাচত গালি কণ্ট্ৰোল বা উলটাখণ্ডা ইত্যাদি কিছুমান অসাৰুৱা কাৰ্য্যৰ নামত টকা খৰচ কৰা হৈছে, ২৬ লাখ ৮ হাজাৰ টকা থৰচ কৰা হয়। যদিও তথ্য সহ প্ৰমাণ কৰিব নোৱাৰি এই উলটাখণ্ডাৰ নামত কিছুমানে যথেষ্ট টকা আত্মসাৎ কৰি আছে। কিছুমান ঠিকাদাৰ আৰু তেওঁলোকৰ সঙ্গীক ধনী কৰা হৈছে। বাস্তৱিকতে যিবিলাক খেতিয়ক মানুহ আৰু দুখীয়া আৰু এই মাটি বিলাকৰ গৰাকী সেই সকলৰ কামত হলে ইয়াৰ পৰা অলপো উপকাৰ হোৱা নাই। প্লাইউদ অসমত উৎপন্ন হৈছে তাতো ব্যক্তিগত বিৰলা গোষ্ঠীয়ে ইয়াৰ মালিকানা হৈ মোনাফাতো লৈ আছে। এই মোনাফা উঠোৱাৰ কাৰণে চৰকাৰে কোনো ব্যৱস্থা লোৱা নাই। দুখৰ বিষয় প্লেণ্টেচনৰ নামত যি সকলে আৰু যি সকল দুখীয়া জনসাধাৰণে ভূমিত বহি আছিল আৰু ভূমিহীনৰ নামত এই প্লেনটেচন কৰি প্ৰকৃত ভূমিহীন লোকক পুনৰ ভূমিহীন কৰি পেলালে আৰু তেওঁলোক একেবাৰে উচ্চোদিত হৈ গৈছে। জনসাধাৰণৰ স্বাৰ্থৰ হকে লোৱা এই বৃক্ষৰোপণৰ দ্বাৰা জনসাধাৰণৰ স্বাৰ্থৰ বিৰুদ্ধেহে কাম কৰা হৈছে। তাৰ দ্বাৰা অন্য কাম একো হোৱা নাই। পাগলাদিয়াৰ কাষত কিছুমান ভূমিহীন মানুহ জঙ্ঘলত জীৱন নিৰ্ব্বাহ কৰি আছিল। কিন্তু বৃক্ষৰোপণ কৰাৰ আচনি লৈ এই ভূমিহীন কিমান মানুহৰ স্বাৰ্থ ৰক্ষা কৰা

হ'ল সেই দিশত মন কৰিবলগীয়া হ'ল। এই দিশত নানা ধৰণৰ দুৰ্নীতি হৈয়ে আছে। একালে গছ ৰোৱাৰ নামত টকা খৰচ হৈছে আৰু অইনফালে গছ কটাৰ নামতো মুনাফা লৈ আছে। কব নোৱাৰো এইবিলাক পদ্ধতিৰে কেনেকৈ জনসাধাৰণৰ স্বাৰ্থ পূৰণ হব; আজি অসমৰ জঙ্ঘলত যিমান বিলাক মূল্যবান সম্পদ আছে বা ঔষধী কিছুমান গছ আছে সেই বিলাক সম্পদ পৃথিবীৰ ভিতৰতেই বিৰল। আয়ুৰ্ব্বেদিক চিকিৎসাৰ কাৰণে এই ঔষধী গছ বিলাক বনজ সম্পদৰ পৰা আহৰণ কৰিব পাৰি। আৰু সেইবিলাকৰ ৰক্ষণাবেক্ষণ দিয়াটো কিমান প্ৰয়োজন; সেইবিলাকৰ দীৰ্ঘকালীন প্ৰক্ৰিয়া থাকিব লাগে আৰু সেই গছ বিলাক কটাতো নিষিদ্ধ কৰিব লাগে, আন আন ঠাইত এনেবিলাক ক্ষেত্ৰত প্ৰত্যেকচনৰ ব্যৱস্থা থাকে আৰু গবেষণাৰ ব্যৱস্থাও থাকে। কিন্তু দুৰ্ভাগ্যৰ বিষয় আমাৰ স্বাস্থ্য বিভাগৰ ফালৰ পৰা এই দিশত যথাবিহিত ব্যৱস্থা লোৱা আমি দেখিবলৈ পোৱা নাই।

আজি স্বাস্থ্য মন্ত্ৰীক সোধো যে বনৌষধিসমূহ যিবিলাক হাবিত আছে, সেইবিলাকৰ বিকাশ ঘটোৱাৰ কাৰণে কিবা চেষ্টা কৰিছেনে? তেখেতে হয়তো এনেকৈ কব পাৰে যে আমাৰ এনে ধৰণৰ কি বনজ ঔষধ বা বৃক্ষ আছে নাজানো। আজি আমাৰ পৰম সৌভাগ্য যে অনেক মূল্যবান বনজ ঔষধ আমাৰ অসমৰ হাবিত আছে। কিন্তু সেইবিলাক আজি জন স্বাৰ্থত ব্যৱহাৰ কৰিব নোৱাৰে। এইটোৱেই যদি হয় তেন্তে জনসাধাৰণৰ কল্যাণ হব নোৱাৰে। এইবিলাকৰ বিকাশ ঘটোৱাৰ কাৰণে বিশেষজ্ঞৰ দৰকাৰ নাই। এই সম্পদখিনি ব্যৱহাৰ কৰিবৰ কাৰণে অক্ষম হৈছে, যিটোৰ কাৰণ বহুত সময়ত চৰকাৰে মূলধনৰ অভাৱ বুলি কয়। বনজ সম্পদৰ ক্ষেত্ৰত বৰ বিশেষ মূলধনৰ দৰকাৰ নাই। জনসাধাৰণৰ উন্নতিৰ কামত খটোৱাৰ কাৰণে ব্যৱস্থা লোৱা নহয়, এইটো বৰ দুখলগা কথা। এইখিনিকে কৈ কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি বক্তৃতাৰ সামৰণি মাৰিলো।

* শ্ৰীহেমেন দাস :— চাৰ, বাজেটত বনজ বিভাগ সম্পৰ্কত দুষাৰ কথা কৈছো। আজিও এটা কথা কব খুজিছো যে ভুলকৈ বাজেট কেনেকৈ আহিল? বাজেটত টকা ধাৰ্য্য কৰিছে ৩১ কোটি ৬০ লাখ ৫ হাজাৰ আৰু সেইখিনিৰ পিছত গ্ৰাণ্টত আছে ৩৮ কোটি ৬২লাখ ৫হাজাৰ। বিত্তমন্ত্ৰী থকা হলে

স্পষ্ট কৰি লোৱাত সুবিধা হলহেতেন। কি দিছে এই বিলাক ? এইখিনি ১৯৮৫-৮৬ চনৰ বাজেট আৰু ডিমাণ্ডত দেখুওৱা হৈছে। হেড অব একাউণ্টৰ গোলমাল নাই। মেজৰ হেড অব একাউণ্ট ৩১৩। মই জানিব বিচাৰিছো কোনটো সত্য তথ্যৰ ওপৰত প্ৰতিষ্ঠিত। কাৰণ দুয়োখন ডিমাণ্ড মোৰ হাতত আছে।

তাৰ পিছত মই এতিয়া বিষয়টোৰ সম্পৰ্কত কব বিচাৰিছো। বাজেট ভাষণৰ সময়ত কৈছিলো বনজ সম্পদ। এতিয়া মই কব খুজিছো বনজ বিপদ যিহেতু আয়তকৈ ব্যয় বেছি। এইটো হব নোৱাৰে। সামাজিক বনানিকৰণ সম্পৰ্কত অনুসন্ধান কৰিব লাগে। গোটেই অসমত একেদিনাই অনুসন্ধান কৰাটো সম্ভৱপৰ নহয়। পশ্চিম অসমৰ এটা ডিভিজন মাণিকপুৰ। আজি টকা যেনেকৈ পাইছে তেনেকৈ খৰছ কৰিছে, গছ নাই। যিমান গছ ৰোৱা বুলি কয় সিমান মাটি নাই। মুখ্যমন্ত্ৰীৰ স্বাস্থ্য ভাল হৈছে তালৈ যাব পাৰে। পাহাৰত কইছে চাবলৈ নাযাওঁ। ৰাষ্ট্ৰীয় পথত গছ গণিব পৰা নিচিনা। আহতগুৰীত দেখিব বিৰাট খালবিলাকৰ চাৰিওফালে ফেনচিঙৰ পোষ্ট আছে, গছ এডালো নাই। তাত বননিকৰণৰ বাবে যিমান খুটা কাটিছে, সিমান গছ নাই বুলি সন্দেহ হৈছে। মাণিকপুৰ ডিভিজনত দ্বিতীয় বাৰৰ বাবে চাই আহিছো ৰাষ্ট্ৰীয় পথৰ বিৰাট খালৰ চাৰিওফালে বেৰ আছে, গছ নাই। গতিকে এইটো চাবলগীয়া বিষয় হৈছে। টকা আনিছে, টকা খৰছ কৰিছে তাৰ পৰা একো নাপাওঁ, কেনে কথা ? কিছুমান ঠাইত হৈছে। কালি প্ৰশ্ন দিছিলো। আচলতে যিজন লৰাই লিখিছিল তেওঁ তথ্য দিছে। তেওঁৰ মাষ্টাৰ কলৰ চাকৰি শেষ কৰিছে। খণ্ডতে আহি কৈছে। তেওঁ সুন্দৰ ফৰেষ্ট কৰিছে কিন্তু চাকৰি খটম। গছ কৰাটোৰেই হল এটা অপৰাধ। বহু ঠাইত গছ কৰাটো অপৰাধ হৈছে। অলপতে খবৰ পাইছো তলৰ শ্ৰেণীৰ কৰ্মচাৰীক ৯ হাজাৰ টকাৰ বিল দিবলৈ কৈছে, তেওঁৰ মতে দুই হাজাৰ হৈছে। দুই হাজাৰৰ ঠাইত ৯ হাজাৰৰ বিল দিয়ে কেনেকৈ ? তেওঁ কি কৰিব, ফৰেষ্ট গাৰ্ড এটা। নিম্নতম কৰ্মচাৰীৰ বাধা দিবলৈ কি সাধ্য আছে ? আজি এনেকুৱা হৈছে। মুখ্যমন্ত্ৰী এতিয়া বেচ ঠিক হৈ আহিছে, তেখেতে এইবিলাক চোৱাত কিছুদিন সময় খৰছ কৰক, আমিও

যাম। কি ফাকি প্ৰবঞ্চনা চলি আছে। গছ কৱাৰ নামত তাঁৰ কাটা কিনা হৈছে। যিমান বিঘা মাটিত গছ কইছে সিমান মাটিত আছে নে? বৰপেটা, নলবাৰী, সৰভোগৰ ওচৰত দেখা পাব, বাকীবিলাকত একো নাই। এতিয়া মাটি তুলিছে, ফেনচিং দিছে, এডাল গছত কিমান খৰছ পৰিব? খৰছ যিমান পৰক কথা নাই কিন্তু গছ কিমান হৈছে? টকা খৰছ হওক, ভবিষ্যত বংশধৰসকলক সম্পদ দি যাব পাৰিম। ৰাজহুৱা ধন ভগোৱাৰ কাৰণে নহয়। দেশৰ সম্পদ সৃষ্টি কৰাৰ কাৰণে। কিমান সম্পদ সৃষ্টি কৰিলে তাৰ এটা নিৰ্দ্ধাৰণ কৰিব লাগে, হিচাব কৰিব লাগে। টকা খৰছ কৰি আছে, তাৰ পৰা লাভ হৈছেনে? নহলে সোনকালে বন্ধ কৰিব লাগে।

আন এটা বিষয় হৈছে-গছৰ পৰা নামিব খুজিছো। কাগজে পত্ৰে গছৰ হিচাব ৰাখিছে। বিধায়ক সকলেও গছত লাগি আছে। এই বিভাগটো ঠিক কৰক। আজি যি ২৩ কোটি টকাৰ আয় দেখুৱাইছে তাৰ ঠাইত আয় ৬০ কৌটিতকৈ কম নহয়। মুখ্যমন্ত্ৰীয়ে অলপ কষ্ট কৰক। যোৱা বছৰ ই এণ্ডডিত যিমান চি, এম শিল খৰছ কৰিছে?

অধ্যক্ষ মহোদয়, যোৱা বছৰ ই এন্দ দি বিভাগত কিমান চি, এম শিল খৰচ কৰিলে, কিমান চি, এম শিল ৰেলত গৈছে তাৰ হিচাব ৰাখিছেনে? পি, ডব্লিউ, ডি, ইৰিগেচন, ই এন্দ ডি, ৰেল এই চাৰিটা বিভাগত কিমান শিল ৰাস্তাত খৰচ কৰিছে তাৰ হিচাব আছেনে দ্বিতীয়তে কিমান চি, এম বালি ৰাস্তাত দিছে? কিমান চি, এম, শিল ৰাস্তাত দিছে, কিমান চি, এম মাটি ৰাস্তাত দিছে? আমাৰ পি, ডব্লিউ, দিৰ বাজেটত ৰাস্তা হে বেছিকৈ বান্ধে। ই এন্দ দিত গ্ৰেভেলৰ কাম বেছি। আৰু স্মল গ্ৰেভেলো আছে। আজি শিল বালিৰ ৰয়েলিটি কিমান বাঢ়িছে। যদি ৰয়েলিটি আদায় কৰিব নোৱাৰে তেনেহলে আয় কৰ পৰা হব? বন বিভাগৰ প্ৰশাসন সম্পূৰ্ণ সলনি কৰা প্ৰয়োজন। আমাৰ মুখ্যমন্ত্ৰীয়ে নিজেই জানেই যে, যোৱা অক্টোবৰত কেনেকৈ বন বিভাগৰ বিষয়াই বালিৰ ব্যৱসায় কৰি আছিল। আজি ৬ মাহ হল তদন্ত পুলিচে কৰিবলগা হৈছে। এইটো সকলো ৰাইজে ধৰিছে আৰু দেখিছে। এজন ৰেঞ্জাৰো গল, এজন চি চি এফ গল দি, এফ, অ গৈছে কিন্তু একচন লব পৰা নাই। এতিয়া দেখা গৈছে চেটেলমেণ্ট

বিলাক এক্সটেনচন দিয়া দেখা গৈছে। মোৰ সমষ্টিতে ৭ টা কোৱেৰি আছে। তাৰে কিছুমান বৈধ আৰু কিছুমান অবৈধ। কিন্তু আমাৰ ৰেভিনিউ বিভাগৰ মতে তাত দুটাহে মহল আছে। বৰপেটাৰ দি, চিক কথাটো কওঁতে তেখেতে ৰেভিনিউৰ মহল নাই বুলি কলে। জয়পুৰ মহলত যিটো চেটেলমেণ্ট দিছিল তেওঁলোকে ন চেটেলমেণ্ট কৰি এবছৰ বালি বিক্ৰি কৰিলে। ফৰেষ্ট বিভাগৰ অপাৰেচনৰ কথা কৈছে, কিন্তু মহল বিলাকৰ অপাৰেচনৰ কথা কোৱা নাই। এতিয়া ঠিকাদাৰক শিল তুলিবলৈ দিছে। এতিয়া বন বিভাগে বালি তুলিবলৈ লৈছে। পিচত অনুসন্ধান কৰি শুনিলো যে, এইধৰণে অসংখ্য মহলত কাম চলি আছে। আজি গুৱাহাটী নগৰত ঘৰ উঠিছে, ৰাষ্টা হৈছে. এই চহৰতে কিমান শিলৰ মহল, বালিৰ মহল আছে ইয়াৰ সঠিক হিচাব চৰকাৰৰ হাতত নাই। মাটি কাটি আছে, শিল ভাঙি আছে তাৰ পৰা কেই পইচা চৰকাৰে পাইছে? চৰকাৰে এক পইচাও পোৱা নাই। যৰ পৰা পইচা পাব লাগে তাৰ পৰা পইচা নাপায়। তেনেহলে এই বিভাগটো ৰাখি কৰ্ম্মচাৰী সকলক ৰাখি তাৰ পৰা কি লাভ হব? অসমৰ মাটিত সম্পদ আছে। আজি মাটি বি. জিৰ বাবে দিয়া হৈছে তাৰ কোনো হিচাব নাই। আজি মহল বিলাক এক্সটেনচন কৰি আছে। কথাই কথাই এপিল কৰিব আৰু এক্সটেনচন হব। গতিকে বন বিভাগৰ আইন অতি সোনকালে সংশোধন কৰা দৰকাৰ। নহলে দেশৰ স্বাৰ্থ ৰক্ষা নহব। এতিয়া ব্যক্তিৰ স্বাৰ্থ ৰক্ষা কৰাহে হৈছে। আজি এপিল কৰিলেই ষ্টে কৰি দিয়া হয়। এই ধৰণে ষ্টে কৰাটো বন্ধ কৰি দিব লাগে। গতিকে চৰকাৰে এইবিলাক বিষয়লৈ ভাল ধৰণে চকু দিব লাগে। এনেধৰণৰ আন আন সমস্যা আৰু বহুতো আছে। যিবিলাকে সাধাৰণ মানুহক স্পৰ্শ কৰিছে। মই সেইবিলাক কথা দাঙি ধৰিব বিচাৰিছো। আজি আমাৰ ইয়াত হাতীৰ উপদ্ৰপ বৰ বেছি হৈছে। অসমত এনে এখন গাওঁ নাই যত হাতীয়ে উপদ্ৰব কৰা নাই। কেন্দ্ৰীয় চৰকাৰে কৈছে হাতী শেষ হৈ যাব গতিকে হাতী ধৰিব নালাগে। আজি অসমত হাতীৰ সংখ্যা দিনক দিনে বাঢ়ি গৈছে। গতিকে কেন্দ্ৰীয় চৰকাৰক কব লাগে যে, হাতী বিলাক তেওঁলোকে লৈ যাব লাগে। আৰু হাতীৰ বংশ ৰক্ষা কৰক। নহলে হাতীৰ বাবে খেতিবাতি নষ্ট হৈ গৈছে মানুহৰ ঘৰ দুৱাৰ ভাঙিছে। মোৰ সমষ্টিৰ বিস্তীৰ্ন এলেকাত হাতীৰ উপদ্ৰপ এটা ডাঙৰ সমস্যাত

পৰিণত হৈছে। প্ৰতি বছৰে হাতীয়ে ধান খায়, হাতী আৰু মানুহৰ যুদ্ধ হয়। আগতে হাতীয়ে জুইলৈ ভয় কৰিছিল কিন্তু এতিয়া ভয় নকৰে। হাতী ঘৰলৈ আহি মানুহৰ ঘৰ দুৱাৰ ভাঙিব, মানুহ মাৰিব, গতিকে হাতীৰ সংখ্যা কমাবৰ বাবে অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰক কথাটো বুজাই দিব লাগে। অসমত হাতীৰ সংখ্যা বৃদ্ধিয়ে অসমৰ জনসাধাৰণ বিশেষকৈ বনাঞ্চলত বসবাস কৰা জনসাধাৰণৰ বাবে ভয়াবহ হৈ পৰিছে আৰু তেওঁলোকক ৰক্ষা কৰিব নোৱাৰা হৈছে। তেওঁলোকে খেতিবাতি কৰিব নোৱাৰা হৈছে গতিকে এইটো কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা কৰিব লাগে। এই বিষয়ে মুখ্যমন্ত্ৰী মহোদয়ক কোৱা হৈছে। তেখেতে মটৰ গাড়ীৰে ঘূৰিব পৰা হৈছে যেতিয়া নিজেই ওচৰে পাজৰে চাই আহিব পাৰে।

অধ্যক্ষ মহোদয়, আজি আমাৰ বনাঞ্চলত থকা গছ কাটি শেষ কৰিছে। এইদৰে কাটি থাকিবলৈ হলে দেশ ৰসাতলৈ যাব। গতিকে দেশৰ জনসাধাৰণৰ স্বাৰ্থ ৰক্ষাৰ বাবে দৃষ্টি ৰাখি এই গছকটা কাৰ্য্য বন্ধ কৰিব লাগে। তাৰোপৰি মহল বিলাকো বাৰে বাৰে এক্সটেনচন দিব নালাগে। অপেন টেন্দাৰ দিব লাগে। বিষয়া সকল বন বিভাগত থকাৰ ব্যৱস্থা কৰিব লাগে। উত্তৰ কামৰূপৰ বন বিভাগৰ সংমন্দলত থকা বিষয়া এজনে শিলৰ ঠিকা লৈছে। বৰপেটাৰ এন, আৰ, ই, পিৰ ৰাষ্টাৰ ঠিকাদাৰ সকলক কাম দি আছে। এইবিলাক কাম দি, আৰ, দি,য়ে কৰিব লাগে। এই সম্পৰ্কত ৪।৫ জন লৰা মোৰ ওচৰলৈ আহিছিল লিখাই নিবলৈ। গতিকে যাৰ যি কাম সেই কাম কৰাৰ বাবে নিৰ্দ্দেশ দিব লাগে। ইয়াকে কৈ মোৰ বক্তব্য সামৰিলো।

শ্ৰীঅলিত বড়ো :— মাননীয় অধ্যক্ষ মহোদয়, বন বিভাগৰ শিতানত উত্থাপন কৰা কৰ্ত্তন প্ৰস্তাৱৰ সমৰ্থনত মই মোৰ ফালৰ পৰা দুষাৰমান বক্তব্য ৰাখিব বিচাৰিছোঁ। এই বন বিভাগৰ সন্দৰ্ভত আমি বহু কথাই উপলব্ধি কৰিছোঁ আৰু ইয়াৰ দুৰ্নীতি কিছুমান দেখি মই ইয়াৰ বিষয়ে নোকোৱাকৈ থাকিব নোৱাৰিলো যি বিলাক আমাৰ চকুৰ আগত অহৰহ আহি আছে। যি বিলাক আমাৰ পৰিলক্ষিত হোৱা নাই সেই বিলাক অবাস্তৱ বুলি ধৰি লৈছোঁ আৰু বাস্তৱ ক্ষেত্ৰত আমাৰ চকুত সদায়ে ভাহি থকা, আমি সদায় দেখি থকা আৰু ৰাইজেও যি বিলাক অভিযোগ আনিছে সেই সন্দৰ্ভত মই কবলৈ বিচাৰিছোঁ।

এইটো হল প্লেনটেচন স্কীম বা বৃক্ষ ৰোপন আচনি। এই সম্পৰ্কত আমাৰ বিৰোধী পক্ষৰ পৰা বহু বক্তব্য ৰখা হৈছে। গতিকে মোৰ বক্তব্য বেছিকৈ দাঙি ধৰাটো যুগুত নহব বুলি ভাবিছোঁ।

অধ্যক্ষ মহোদয়, এই শিতানত ২ কোটি ৭০ লাখ ৫ হাজাৰ টকা ধৰা হৈছে। এই আচনিটো বৰ ভাল আছিল। আমি দেখিবলৈ পাইছোঁ আমাৰ যিবিলাকত ফৰেষ্ট ৰিজাৰ্ভ আছে, ভি, জি, আৰু আছে সেই বিলাকত এই বিভাগৰ কৰ্ম্মচাৰী সকলে প্লেন্টেচন স্কীমটো কাৰ্য্যকৰী কৰাৰ কাৰণে উঠিপৰি লাগিছে। কিন্তু ইয়াৰ উদ্দেশ্য আৰু লক্ষ্য আমাৰ গাৱঁলীয়া ৰাইজে বুজি পোৱা নাই। কেৱল মাত্ৰ আমি জানো অসমত বৰষুণ কমি গৈছে। গছগছনি নোহোৱা কাৰণে বৰষুণ কমি গৈছে। বৰষুন নহলে খেতি পথাৰত পানী নাপায়। এই বিলাক কথা আমি শুনিবলৈ পাইছোঁ। কথা হল এই বিভাগটোৱে ৰাইজে ভাল ধৰনে বুজি পোৱাকৈ কাম কৰিব পাৰিছেনে নাই বা আচনি বোৰ কাৰ্য্যকৰী কৰিব পাৰিছেনে নাই সেইটো ভাবি চাব-লগীয়া হৈছে। আমি দেখি আছোঁ এই বন বিভাগটোৱে বহু মাটি দখল কৰি বৃক্ষ ৰোপন কাৰ্য্য সঠিক সময়ত নকৰাৰ কাৰণেই গছপুলিবোৰ মৰি যোৱা আমি দেখিছোঁ। আজি দাস ডাঙৰীয়াই কৈছে যে গছ পুলি এটাও নাই। নেচনেল হাই ওৱেৰ কথাই নহয় মোৰ বৰমা সমষ্টিৰ শুৱনখাটা অঞ্চলতো এনে ধৰণৰ আচনি লৈছিল। কিন্তু আজি তাত গছ পুলি কিয় বেৰা পৰ্যন্ত নাইকীয়া হৈ গল। ফৰেষ্ট ৰিজাৰ্ভে বৃক্ষৰোপন কৰিছে। কিন্তু তাত গছ পুলি এটাও নাই। ৰাস্তাৰ সমুখত হয়তো দুই এদাল ওলাব। কিন্তু ভিতৰ অঞ্চলত একো নাই। এই ধৰণৰ কাৰ্য্য আমি দেখিবলৈ পাইছোঁ। আৰু এটা কথা এই যে বৃক্ষ ৰোপন কৰে এই ৰোপন কৰা মাটি বিলাকত যথেষ্ট খেৰ গজে। এই খেৰ বিলাক বন বিভাগৰ কৰ্ম্মচাৰী বিলাকে নিজে নিজে কাটে আৰু কাটি হয়তো বিক্ৰী কৰে নহলে ঘৰলৈ লৈ আহে। মই ইয়াৰ এটা উদাহৰণ দিও মোৰ বৰমা সমষ্টিত প্ৰায় ৩৫ বিঘা মাটি দখল কৰি লৈছে ধনবিল ৰিজাৰ্ভৰ। তাৰে ১৫ বিঘা মাটিত তেওঁলোকে খেৰ কাটিছে আৰু ১৫ হাজাৰ খেৰ পাইছে। খেৰৰ দাম শতকৰা ১০০ লৈ উঠিছে, এই হিচাপত তেওঁলোকে ১৫ বিঘা মাটিৰ খেৰত প্ৰায় ১৫ হাজাৰ টকা পাইছে। এইটো প্ৰত্যক্ষ প্ৰমাণ। নিয়মমতে আমি জনাত যি বিলাক

খেৰ, ঘাঁহ বন আদি গজে সেই বিলাক চাপা কৰি পেলাব লাগে তেতিয়াহে গছ পুলিবোৰ লহ পহকৈ বাঢ়ি আহিবলৈ সুবিধা পায় । সেইটো কৰা হোৱা নাই, ফলত এইবোৰে গছপুলিবোৰ হেচা মাৰি ধৰে সেয়ে গছৰ পুলিবোৰ মৰি গৈছে । যি বিলাক পুলি হয়তো এই ধৰণে হেচা খোৱা নাই সিহে জী উঠিছে । আকৌ এটা কথা যে ঠিক সময়ত এই গছৰ পুলিবোৰ ৰোৱা নহয় । সেয়ে অসময়ত ৰোৱা কাৰণেও বহু পুলি মৰি গৈছে। গছপুলি বোৰ ৰুই তাৰ চাৰিওফালে ভালকৈ বেৰা আদি দিব লাগে যাতে গৰু আদিয়ে খাই নষ্ট কৰিব নোৱাৰে । কিন্তু দেখা গৈছে গছ পুলিটো বাদেই কাটাতাৰৰ বেৰা পৰ্য্যন্ত নাইকীয়া হৈ যায় । এই ধৰণৰ কাৰ্য্য কলাপ আমি সদায়ে দেখি আহিছোঁ। গতিকে চেয়াৰমেন মহোদয়, এই আচনি বিলাক নতুনকৈ আৰু নিয়মমতে আগবঢ়াই নিবলৈ চাব লাগে । আমাৰ দুখীয়া গাৱঁৰ ৰাইজে গৰু আদি ৰখি অলপ গাখীৰ উলিয়াই বেচি কিছু আয়ৰ পথ মুকলি কৰিছিল । এতিয়া সেইটোও বন্ধ হৈ গল । এই ধৰণৰ কাৰ্যকলাপ চলিয়ে আছে । থলুৱা ৰাইজে তেওঁলোকৰ জীৱিকা নিৰ্ব্বাহৰ কাৰণে কষ্ট কৰিবলগীয়া হৈছে । যি বিলাক বনাঞ্চল আছে সেই বিলাকৰ ৰক্ষনাবেক্ষনৰ কাৰণে আজি ফৰেষ্ট বেটেলিয়ন দিছে । এই বিলাকক বনাঞ্চল ৰক্ষা কৰিবৰ কাৰণে উঠি পৰি লগা দেখা পাইছেনে ? আজি আমাৰ বনজ সম্পদ ধ্বংসৰ মুখলৈ গৈছে সকলো গছ গছনি কাটি শেষ কৰিছে । কৰ্ত্তব্যত ৰত নথকা বিৰোধী কুচক্ৰীৰ কামবোৰ আমি দেখিছোঁ আৰু সেই কাৰণেই কৈছোঁ ।

চেয়াৰমেন মহোদয় । মই আৰু এটা উদাহৰণ দিব খুজিছোঁ শুনিতপুৰত এটা ৰিজাৰ্ভ আছে । আগতে এইটো মনাই চাহ বাগিছাৰ অধীনত আছিল । এই চাহ বাগিছাৰ অতিৰিক্ত মাটি হোৱাৰ কাৰণেই তাৰ পৰা ৭০০ একৰ মাটি চিলিং আইন মতে কৰ্ত্তন কৰা হল । ভূমিহীন মানুহক তেতিয়া মাটি দিয়াৰ কাৰণে । তাত ১৮২ ঘৰ মানুহে বসবাস কৰি আছিল আৰু আজিও আছে কিন্তু এই ফৰেষ্ট ৰিজাৰ্ভৰ ডি. এফ, অ' জনে এই মাটি খিনি এতিয়া বন বিভাগৰ অধীনলৈ নিয়াৰ কাৰণে জোৰ জুলুম কৰি আছে।

এই বিলাকৰ কাৰণেই তাৰ ৰাইজ জুকলা হৈ পৰিছে। এই কথাটো মুখ্য মন্ত্ৰীৰ দৃষ্টিগোচৰ কৰাত মুখ্য মন্ত্ৰীয়ে ২০।৪।৮৪ তাৰিখে ডি এফ অৰ

পৰা এটা ৰিপৰ্ট খুজি পঠিয়ালে । তেখেতে উচ্ছেদ কাৰ্য বন্ধ কৰিবলৈ দিয়াত সেই মতেই উচ্ছেদ কাৰ্য বন্ধ হল । কিন্তু দুৰ্ভাগ্যৰ বিষয় যে উচ্ছেদ কাৰ্য পুনৰ এতিয়াও চলি আছে। যোৱা ১৬।৩।৮৫ তাৰিখে উচ্ছেদ চলে। এই উচ্ছেদ কাৰ্য চলোৱাৰ সময়ত ৩১ জন মানুহক এৰেষ্ট কৰি জেইল হাজোতত ৰাখে। অধ্যক্ষ মহোদয়, এই দৰে মানুহক জেল হাজোতত ৰখাটো জানো উচিত কাম হৈছে ? সেই দৰে শোনিতপুৰ জিলাত শ্ৰীঅংগত কছাৰি, শ্ৰীবালিৰাম মেচ নামৰ এই লোক দুজনক এগ্ৰিমেণ্ট কৰি দখল কৰিবলৈ দিছিল । সেই এগ্ৰিমেণ্টৰ কপি মোৰ হাতত আছে লাগিলে দাখিল কৰিব পৰা হব । কিন্তু দুৰ্ভাগ্যৰ বিষয় যে এনে এগ্ৰিমেণ্ট থকা স্বত্বেও ১১।৪।৮২ তাৰিখে এওঁলোকক উচ্ছেদ কৰি ৪।২।৮৫ তাৰিখে এওঁলোকক জৰিমনা কৰে । এনে ধৰণৰেই দুনীতি চলি আছে। কৰ্মচাৰী সকলে নিজৰ কামত ব্যস্ত নাথাকি এনে বিলাক কাম কৰি ফুৰিছে । চৰকাৰে ভূমিহীনলোকক ৰক্ষণা-বেক্ষণ দিয়াৰ কাৰণে ১৯৮০ চনৰ আগতে যি বিলাক বনাঞ্চল বা ভিজি আৰ আছে সেই বিলাকত দিয়াৰ কথা কৈছিল। আজি বহুত বছৰ ধৰি এই বিলাক অঞ্চলত ভূমিহীন লোক বসবাস কৰি থকা স্বত্বেও এনে কৰাল গ্ৰাসত পৰিছে ।

আমাৰ প্লেনটেচনৰ বিষয়ত যি আচনি আছে সেইটো অধ্যক্ষ মহোদয়, মই আপোনাৰ যোগেদি মুখ্য মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো। আমাৰ বনজ সম্পদ বিলাক চৰকাৰে ৰক্ষা কৰাটো একান্ত বাঞ্চনীয়। বিশেষকৈ যি বিলাক বন্যপ্ৰানী আছে বিশেষকৈ হাতীৰ কথা মই উল্লেখ কৰিব বিচাৰিছো, সুৱৰ্ণখাটাত দুটা হাতী মৰিল। মই আশা কৰিছো এই সম্পৰ্কত চৰকাৰে বা বাতৰি সংগ্ৰহ কৰি আনি ইয়াৰ এটা বিহিত ব্যৱস্থা কৰিব ।

শেষত মই এটা কথা কব বিচাৰিছো যে মৰা পাগলাদিয়া নৈৰ বিজাৰ্ভত ১৯৭৯ চনতে ২০৮ ঘৰ লোকক বসতি দিয়া হৈছিল নানান আবেদন নিবেদন কৰা স্বত্বেও মুখ্য মন্ত্ৰীয়ে ২৩।২।৮৪ তাৰিখে এটা ৰিপৰ্ট খুজিছিল ডি এফ অৰ পৰা । কিন্তু ডি এফ অৰ পৰা আজিলৈকে ৰিপৰ্ট অহা নাই । এই গাৱঁলীয়া ভূমিহীন মানুহ খিনিক ভাত মাটি দিয়াৰ কাৰণে নিবেদন জনালো । মই ইয়াকে কৈ কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থণ কৰি মোৰ বক্তব্যৰ সামৰনি মাৰিলো ।

শ্রীতজমুল আলী লস্কর :— চেয়ারম্যান মহোদয়, ফরেষ্ট বিভাগের কর্ত্তণ প্রস্তাব সমর্থন করে আমি কয়েকটি কথা বলব। মহোদয়, কাছাড় এবং মিজোরাম বর্ডার এলাকায় হাজার হাজার বিঘা ফরেষ্ট ওয়েষ্ট ল্যাণ্ড বহুদিন ধরে পড়ে আছে। এইগুলি মিজোদের দখলে ছিল। মিজোরা কাছাড়ের গরীব ভূমিহীন কৃষকদেরে এই জমি আধিবাগী দিত। আস্তে আস্তে মিজোরা এই জমি ছেড়ে চলে কাছাড়ের বিভিন্ন ভূমিহীন কৃষকদের অধিকারে এই জমিগুলি আছে। আমি মুখ্যমন্ত্রী মহোদয়কে অনুরোধ করব এই ভূমিহীন কৃষক যারা মিজো হিল্‌সে ফরেষ্ট এনক্রোচার হিসাবে আছে তাদের সংস্থাপনের জন্য যেন একটা ব্যবস্থা করা হয়। কারণ চরকারের ২০ দফা কার্যসূচীতে ভূমিহীন চাষীদের জমি দেওয়ার কথা রয়েছে। সুতরাং যারা প্রকৃত ভারতীয় নাগরিক এবং ভূমিহীন চাষী তাদেরে প্রত্যেককে অন্ততঃ ২-৩ বিঘা জমি দেওয়ার ব্যবস্থা করার জন্য আমি মুখ্যমন্ত্রী মহোদয়কে অনুরোধ করছি।

মহোদয়, আমাদের হাইলাকান্দি সিভিল সাব-ডিভিশনে ২ টা ফরেষ্ট ডিভিশন'র সঙ্গে যুক্ত। অর্ধেক করিমগঞ্জ ডিভিশনের সঙ্গে এবং অর্ধেক কাছাড় ডিভিশনের সঙ্গে। এই ব্যাপারে হাইলাকান্দির জনসাধারন বিভিন্ন সময় সরকারের কাছে বার বার অনুরোধ করেছে যে করিমগঞ্জে যে পর্শন রয়েছে তা কাছাড ডিভিশনের সঙ্গে দিলে হাইলাকান্দির জনসাধারনের খুব সুবিধা হয়। কারন হাইলাকান্দি থেকে শিলচর যাতায়াত সহজ। করিমগঞ্জের দূরত্ব বেশী। তাছাড়া ফরেষ্ট প্রডিউসের মাত্র শতকরা ১০ ভাগ করিমগঞ্জের ডিভিশন থেকে আসে। সেজন্য আমি আবার অনুরোধ করব যাতে সম্পূর্ণটা কাছাড় ডিভিশনের সঙ্গে যেন যুক্ত করা হয়।

মহোদয়, আর একটা ব্যাপারে আমি মুখ্যমন্ত্রী মহোদয়ের দৃষ্টি আকর্ষণ করতে চাই যে কয়েকদিন আগে তেজপুর ফরেষ্ট ডিভিশনের এলাকায় (নগাওঁ'র নিকটবর্তী) জনসাধারনের উপর মারাত্মকভাবে অত্যাচার করা হয়েছে। গত মার্চ মাসের ২—৩ তারিখ থেকে ৬ তারিখ পর্যন্ত ঐ এলাকায় এভিকশন করা হয়েছে। মেয়ে ছেলেদের ইজ্জত হানি করা হয়েছে, রেপ্‌ করা হয়েছে, মানুষ মারা গিয়েছে। এই ব্যাপারে মুখ্যমন্ত্রী মহোদয়ের নিকট অভিযোগ এসেছে। আমি ঐ অঞ্চল থেকে খবর পেয়েছি যে ২ জন মন্ত্রী

নাকি এই ব্যাপারে তদন্ত করতে গিয়েছিলেন। এই সমস্ত লোক নাকি আমাদের অর্থমন্ত্রী মোঃ ইদ্রিস ও আবুনাসের সাহেবের সমর্থক চর এরিয়াতে ছিল। ১৯৬২ ইংরাজী থেকে এদেরে বন্দোবস্ত দেওয়া হয়েছে এবং এদের কাগজপত্রও আছে। কিন্তু ফরেষ্ট বিভাগের লোক এদেরে এমন ভাবে জুলুম করেছে যে মারধর ছাড়াও এদের রেডিও, সাইকেল ইত্যাদি লুঠ করেছে। পুলিশ এবং ফরেষ্ট বিভাগের লোক এতে ছিল। এই ব্যাপারে আমি মুখ্যমন্ত্রী মহোদয়ের দৃষ্টি আকর্ষণ করছি। কারণ যাদের উচ্ছেদ করা হয়েছে তারা প্রত্যেকেই ধর্মীয় সংখ্যালঘু সম্প্রদায়ের লোক। এখন তারা বিভিন্ন ক্যাম্পে রয়েছে। মুখ্যমন্ত্রী মহোদয় ১-৩ দিন আগে রিলিফের নির্দেশ দিয়েছিলেন কিন্তু এই লোকগুলি ভূখা হয়ে কষ্ট পাচ্ছে। অথচ পুলিশের রিপোর্ট মতে এরা সকলে ভারতীয়, আমি মুখ্যমন্ত্রী মহোদয়ের দৃষ্টি আকর্ষণ করে বলতে চাই যে এই সমস্ত অন্যায় জুলুম করার জন্য যে সমস্ত কর্মচারী দায়ী তাদের বিরুদ্ধে যেন বিহিত ব্যবস্থা গ্রহণ করা হয়।

চেয়ারম্যান মহোদয়, আপুনি জানেন যে আমি রাজ্যপালের ভাষণর উপর বিতর্কে যোগ দিয়ে একটি কথা উল্লেখ করেছিলাম যে গিয়াসুদ্দিন বরভূঞা নামে একটি ছেলে দিল্লী থেকে এ সি এফ'র একটা সিট আনতে বাধ্য হয়েছিল এবং মুখ্যমন্ত্রী মহোদয় এই ব্যাপারে আশ্বাসও দিয়েছিলেন। কারণ মেরিট সে ৩ নং ছিল এবং ১৬ পর্যন্ত নিয়োগ করা হয়েছে অথচ তাকে বাদ দেওয়া হয়েছিল। পরে কেন্দ্রীয় চরকার থেকে সীট দেওয়া হলেও আজ পর্যন্ত ব্যাপারটা নিষ্পত্তি হয়নি। এই ছেলেটি আপনার সমর্থক। আপনি নিজে মুখ্যমন্ত্রীকে এই ব্যাপারে লিখেছিলেন কিন্তু জানি না কি গুপ্ত রহস্য এতে কাজ করছে। এই ব্যাপারে আমি আবার মুখ্যমন্ত্রী মহাশয়ের দৃষ্টি আকর্শণ করছি।

চেয়ারম্যান স্যার, আপনি জানেন যে কয়েকশত ফরেষ্ট বেটেলিয়ন গার্ড নাকি ইতিমধ্যে নিয়োগ করা হবে। কাছাড়ে যারা এপ্লাই করেছিল তাদের ইন্টারভিউ হয়ে গেছে। ব্রহ্মপুত্র ভেলীতে ইন্টারভিউ হয়েছে। শুনেছি কয়েকশত লোককে নিয়োগ করা হয়েছে! আমি এই ব্যাপারে মুখ্যমন্ত্রীর দৃষ্টি আকর্ষণ করে বলতে চাই যে কাছাড়ে যেন এই ইন্টারভিউর ব্যবস্থা করা হয় এবং নিয়োগের ব্যাপারে পপুলেশন প্যাটার্ণ কার্যকরী করা হয়।

তাছাড়া আমরা আরও শুনেছি যে বিভিন্ন স্কীমে অনেক ফরেষ্ট গার্ড এবং ফরেষ্টার নিয়োগ করা হবে। যদি সত্য হয় তবে এতেও যেন মুখ্যমন্ত্রী মহাশয়ের ঘোষিত নীতি পপুলেশন প্যাটার্ণ কার্য করা করা হয়। এই বলে আমি কর্ত্তণ প্রস্তার সমর্থন করে আমার বক্তব্য শেষ করছি।

শ্ৰী মথুৰা ডেকাঃ— মাননীয় চেয়াৰমেন মহোদয় আজি আমাৰ বন বিভাগৰ ওপৰত যি কৰ্ত্তণ প্ৰস্তাৱ আনিছে তাক সমৰ্থন কৰি মই দুষাৰ কব ওলাইছো। পোন প্ৰথমে মই আমাৰ মুখ্যমন্ত্ৰী মহোদয়ক এটা কথা অনুৰোধ কৰো আমাৰ যিবোৰ গছ-গছনি, চৰাই-চিৰিকতি পোক-পৰুৱা জীৱ-জন্তু আদি আছে সেইবোৰক লৈ এখন ডকুমেন্টৰী চিনেমা উলিয়াব লাগে কিয়নো আজি আমাৰ ৰাজ্যত কিমানবিধ গছ, জীৱ-জন্তু আদি আছে সেইটো আমাৰ অসমৰ মানুহেই নেজানে। গতিকে এনেধৰণৰ এখন চিনেমা যদি উলিওৱা হয় তেনেহলে আমাৰ ছাত্ৰ-ছাত্ৰী আৰু ৰাইজৰ এই বিষয়ক যথেষ্ট জ্ঞান বাঢ়িব। আৰু আমাৰ ৰাজ্যৰ বিভিন্ন দিশত সন্মান আহিব।

চেয়াৰমেন মহোদয়, এই খিনিতে মই আপোনাৰ জৰিয়তে মুখ্যমন্ত্ৰী মহোদয়ক আৰু এটি কথা অনুৰোধ কৰো যে আমাৰ যিখন চিৰিয়াখানা আছে সেইখন ভাৰতৰ ভিতৰতে এখন অন্যতম চিৰিয়াখানা। এই চিৰিয়াখানা খনত অকল যে জীৱ জন্তুৱেই ৰখা হৈছে তেনে নহয়, এইখনত নানা তৰহৰ গছ তৰু লতা ৰোপন কৰি বটানিকেল গাৰ্ডেনৰ আৰ্হি ডাঙি ধৰিছে আৰু বহুতো বন সম্পদেও প্ৰাকৃতিক সৌন্দৰ্য বৃদ্ধি কৰিছে। সেই কাৰণে এই চিৰিয়াখানা খনৰ আৰু অধিক উন্নতিৰ কাৰণে মনোনিবেশ কৰিব লাগে। ইয়াৰ কৰ্মচাৰী সকলৰ দৰমহা আদিৰ কাৰণে ১০ লাখ টকা ধৰা হৈছে। কিন্তু এইখনৰ উন্নতিকল্পে বাজেটত টকা ধৰা হোৱা নাই। সেইকাৰণে ইয়াৰ উন্নতি কল্পে বাজেটত টকা ধৰিব লাগে আৰু ইয়াৰ উন্নতি সাধন কৰিব লাগে। আজি অসমৰে নহয় ভাৰতৰ বহু ঠাইৰ পৰা মানুহ আহি এই চিৰিয়াখানাত প্ৰাকৃতিক সৌন্দৰ্য্য উপভোগ কৰে। সেইকাৰণে এই চিৰিয়াখানা খন ভাৰতৰ ভিতৰতে এখন শ্ৰেষ্ঠ চিৰিয়াখানা হিচাবে গঢ়ি তুলিবলৈ মই মুখ্য মন্ত্ৰীক অনুৰোধ কৰিলো।

চেয়াৰমেন মহোদয়, বৃটিছে যেতিয়াৰ পৰাই আমাৰ দেশখন আমাৰ ৰাইজৰ হাতত দি গল সেই দিন ধৰি আমাৰ বন বিভাগত কেলেংকাৰীয়ে

বিৰাজ কৰিছে। আজি চৰকাৰে স্কুল ঘৰ সজাৰ নামত, নামঘৰ সজাৰ নামত স্থানীয় উদ্যোগী আদিৰ নামত যথেষ্ট কাঠৰ পাৰমিট দিছে কিন্তু এই পাৰমিটবোৰ নি তাৰ পৰা কি কাম হৈছে সেইটো আমি জানো লক্ষ কৰিছো? ইয়াৰ আগতেও এই কাঠৰ পাৰমিট লৈ বিৰাট হুলস্থূল লাগিছিল। তেতিয়া এই বিভাগৰ মন্ত্ৰী আছিল শ্ৰীগিৰীন চৌধুৰী। তেওঁৰ দিনত এনেকৈ কাঠৰ পাৰমিট দিয়া হল যে সকলোৰে মুখত আনকি লৰা ছোৱালীৰ মুখতো যে গিৰীণ চৌধুৰীয়ে অসমৰ সকলো কাঠ কাটি শেষ কৰিলে বুলি প্ৰচাৰ হ'ল।

অধ্যক্ষ মহোদয়, তাৰ পিচত আহিল আমাৰ চৰকাৰৰ কথা। আমাৰ আগৰ যিজন মন্ত্ৰী আছিল তেখেতৰ বদনাম উঠি গল। চলিহাৰ দিনতো হুলস্থুল। অৱশ্যে মন্ত্ৰী বংপী মহোদয়ৰ তেনেকুৱা হোৱা নাই। বোধহয় ডি, এফ, ও, জন ওস্তাদ আছিল। সেইবিলাকৰ ভাগ মন্ত্ৰী মহোদয়ে নাপাব পাৰে। এই ১৪ শ মানুহ লোৱাৰ পিচত এটা গন্দগোলৰ সৃষ্টি হৈছিল যদিও তেওঁ লোকক কামৰ পৰা এৰি দিয়া হয়। আকৌ কোনো স্কুলত ৫ হেজাৰ দিয়ে, কোনো খনত ৫ হেজাৰ সামাজিক অনুষ্ঠানত ২০ হেজাৰ টকা দি খৰছ কৰে। এইটো আমি বুজি নেপাও। হেজাৰ হেজাৰ টকা ৰাজকোষৰ পৰা কেনেকৈ যে দলিয়াব পাৰে, তাৰ হিচাব ক'ত লিখিছে চৰকাৰৰ কোনো হিচাব ৰখাৰ আৰু চোৱাৰ ব্যৱস্থা নাই নেকি বুজি নেপাও। সেইবিলাক আমাৰ আগৰ সদনত হৈ গৈছে। আমি তদন্তৰ কাৰণে দাবী কৰিছো। মন্ত্ৰী মহোদয়ে প্ৰতিশ্ৰুতি দিছিল। আমিও আকৌ কৈ থাকিম। যেতিয়ালৈকে তদন্তৰ ৰিপোৰ্ট নুশুনো তেতিয়ালৈকে কৈ থাকিম। নহলে ভাগ আছে বুলি কম। আগৰবাৰ সদনত ভাগ থকা বুলি কোৱাত হুলস্থুল লাগি গ'ল। এইবাৰ ভাগ থকা বুলি কোৱা নাই, সেইবাবেহে কৈছিলো। আমাৰ অসমখন স্বকীয়া পৰিবেশৰ ৰাজ্য। এই অসমৰ প্ৰতিটো বস্তুৱে আমাক জীয়াই থাকিবলৈ সুযোগ দি আছে। আমাৰ যি মাটিৰ খাজনা আমাৰ যি মাটিৰ খাজনা আদায় কৰা হয় সি একেবাৰে সামান্য। ফৰেষ্টৰ বালি শিল বিক্ৰী কৰা হয়, তেতিয়া হলে খাজনা নললেও চলে। অধ্যক্ষ মহোদয়, আপোনাৰ যোগেদি মুখ্য মন্ত্ৰী মহোদয়ক কৈছো গুৱাহাটী চহৰত বিল্ডিং বিলাকৰ কাম বালিৰে হয়। ভৰলুৰ যি বালিৰ মহল তাৰ পৰাই বালি আহে। ভৰলুৰ বালিৰে গুৱাহাটী চহৰৰ প্ৰায়ভাগ বিল্ডিংৰ কাম হৈছে।

এই বালিৰ পইচা ঠিকমতে পাইছে নে নাই ? কোনে হজম কৰিলে, চোৰ কৰিলে নে কি হল ? অফিচাৰে চোৰ কৰিলে নে মন্ত্ৰী মহোদয়ে ভাগ ললে ? এইয়া আগৰ কথা, এতিয়াৰ কথা কোৱা নাই। মই পুৰণা কথা অলপ কৈছো। এই বালিৰে গোটেই অসমখনতে বিভিন্ন অফিচ ঘৰ, বিল্ডিং হৈ আছে। আনকি দিশপুৰ কেপিটেল কমপ্লেক্সও এইবিলাক মহলৰ পৰাই বালি শীল আনি তৈয়াৰ কৰিছে। এইবিলাকত ফৰেষ্টে চকু দিয়া নাই, গছৰ হিচাব কৰিব যোৱা নাই। টকা ফৰেষ্টে পাইছে নে নাই। মুখ্য মন্ত্ৰীয়ে যদি হিচাব কৰি লয়, এই ঘৰবোৰ সাজোতে কৰ পৰা বালু শীল অনা হৈছে; এটি ঘৰ সাজোতে কিমান বালু লাগে কিমান শীল লাগে কাৰী কৰি বিভাগৰ হিচাব আছে। চহৰৰ ঘৰ বোৰত কিমান পৰিমানৰ বালুশীল লাগিল হিচাব লওক এই বালু শিলৰ খেজানা পোৱা হৈছে নে নাই খবৰ কৰক ৰহস্য ওলাই পৰিব। ইঞ্জিনিয়াৰক শোধক কিমান বালি লাগিব তেতিয়া অফিচাৰ জনে কব ইমান বালি পৰিব। এই ধৰণে আমি টকা পাওঁ। কিন্তু টকাবিলাক চৰকাৰে পাইনে নে ব্যক্তিৰ পেটলৈ গৈছে। এই বালি শীলত চৰকাৰে চকু দিব লাগে।

অধ্যক্ষ মহোদয়, তাৰ পিচত আছিল শিলৰ কথা। নদীবিলাকে ওপৰৰ পৰা তললৈ শিলবিলাক বগৰাই লৈ আহে। সুন্দৰ বোলডাৰ, গ্ৰেভল আদি লৈ আহে। সেইবিলাক বেচা কিনা আৰম্ভ কৰিছে। সেই বিলাক বেছি পইচা পায়। সেই ব্যক্তি বিলাকে বেচে ক'ত —গড়কপ্তানী বিভাগত। গড়কপ্তানী বিভাগৰ যিমান ৰাষ্টা তৈয়াৰ হৈছে সেইবিলাক শিলেৰেই। আমাৰ চহৰৰ বিল্ডিংবোৰত শিল লাগে। শিল নোহোৱাকৈ হব নোৱাৰে। বালি যিমান পৰিমানৰ লাগে, তাৰে চাৰি গুন শিল লাগে। গড়কাপ্তানী বিভাগৰ ইঞ্জিনিয়াৰ সকলৰ ফৰমুলা আছে ২,—৪--১ এনেকুৱা ধৰণৰ। অসমৰ বস্তু অসমতে ব্যৱহাৰ হব লাগে। কাঠখিনি, শিলখিনি, বালিখিনি অসমৰ বাহিৰৰ পৰা নানে। সেইবিলাকৰ ইণ্ডাষ্ট্ৰি গঢ়ি উঠা নাই। গুৱাহাটী চহৰত ১৯৮৫ চনৰ কাৰণে নতুনকৈ ঘৰ হব ধৰিছে। এটা হিচাব কৰি সেইখিনি শিল, বালি যোগান ধৰিব লাগে। তেতিয়া মুখ্যমন্ত্ৰী মহোদয়ে বুজি পাব যে আচলতে কিমান টকা কাঠত আছে,

কিমান টকা শিলত আছে, কিমান টকা বালিত আছে তেতিয়া হিচাব পাব। এই বালি পি, ডবলিউ, দি, বিভাগতো লাগে।

মাননীয় অধ্যক্ষ :— সোনকাল কৰক। চাৰে বাৰ টাত শেষ হব।

It is getting 12. 30. p m. and you will have to finish your speech. You have started at 12.15 p m. and 15 minutes have been allotted to you.

শ্ৰীমথুৰা ডেকা :— অধ্যক্ষ মহোদয়, শেষ কৰিছোৱেই। এনেকুৱা ধৰণে অনেক কথা আছে। অসমখন ঔষধৰ কাৰণে বিখ্যাত। ঔষধৰ ক্ষেত্ৰত বৰ বেছি টকা ধৰা নাই। মাত্ৰ ২ লাখ টকা ধাৰছে। গছ-গছনিৰ পৰাই বহুতো ঔষধ তৈয়াৰ কৰা হয়। মান্দাকাটা ফৰেষ্ট পাহাৰত দেখিলো অসম আয়ুৰ্বেদ প্ৰদাক্টচক দিয়া ঠাই খিনিৰ পৰা গছ কাটি আছে। তাত মানুহ আছে নে নাই, চৌকিদাৰ আছে নে নাই কব নোৱাৰো। সিজু গছ কটাৰ পৰা আৰম্ভ কৰি প্ৰায় গছেই কাটিব ধৰিছে। এই সিজু গছৰ পৰাই ঔষধ তৈয়াৰ কৰা হয়। এই ঔষধিকৰণ যদি চৰকাৰে হাতত লয় তেতিয়া কিছুমান সকাহ পায়। ফৰেষ্টৰ এই ঔষধি গছবিলাক কটা বন্ধ কৰিব লাগে। এইবোৰ ঔষধৰ গছ আমি উপযুক্ত ধৰণে ব্যৱহাৰ কৰিব পৰা নাই। এইবোৰ আমাৰ মূল্যবান সম্পদ এই গছ গছনিৰ বজাৰ সমগ্ৰ বিশ্বতে আছে। আমি ইয়াৰ ব্যৱহাৰ কৰিব নজনাৰ বাবে আমিও অবহেলিত হৈ আছো। এইখিনি কৈয়ে অধ্যক্ষ মহোদয়ৰ নিৰ্দ্দেশ মানি মই মোৰ বক্তব্য শেষ কৰাৰ আগতে চৰকাৰক সকিয়াই দিও আমি যদি পাহাৰ কেখনৰ শিল, নদীৰ বালু, শীল, ঔষধৰ গছ আৰু বিভিন্ন গছ গছনী ৰক্ষণা বেক্ষণ কৰি চলো আমাৰ যি আয় হব যি উল্লেখনীয়। অসম ৰাজ্য প্ৰাকৃতিক দিশত চহকী। কিন্তু আমি প্ৰাকৃতিক সম্পদ সমূহ ব্যৱহাৰ কৰিব নোৱাৰি কিছুমান অপদাৰ্থ লোকক ব্যৱহাৰ কৰিবলৈ দি আমি আজি কেন্দ্ৰৰ ওচৰত হাত পাতিব লগা হৈছে।

MR SPEAKER— It is more than 12.30 now. I cannot give you any more time for your speech. After lunch break a new member will speak. Now the House stands

adjourned till 2.30 P.M. The House re ($\frac{1}{2}$ cm) assembled at 2—32 p.m. with Mr. Deputy Speaker in the Chair.

Mr. Deputy Speaker :— Now, Shri Durgeswar Patir.

*শ্ৰীদুৰ্গেশ্বৰ পাটিৰ :— মাননীয় উপাধ্যক্ষ মহোদয়, বিৰোধী পক্ষই উৎথাপন কৰা কৰ্ত্তন প্ৰস্তাৱটোৰ বিৰোধীতা কৰি আমাৰ বন নীতি বিলাকৰ যিবিলাক আসোৱাহ হৈছে যি ধৰণে বনজ সম্পদ নষ্ট হৈছে তাৰে কিছুমান কথাৰ ইঙ্গিত দিব বিছাৰিছো। আমাৰ ফৰেষ্ট বিভাগৰ যিখন বাজেট তাৰ আয় ব্যয়ৰ হিচাব দেখিলে বুজা যায় ১৯৮২-৮৩ চনৰ ২১ কোটি ১৯৮৩-৮৪ চনৰ ২০ কোটি আৰু ১৯৮৪-৮৫ চনৰ সাম্ভাব্য ২১ কোটি ধাৰ্য্য কৰা হৈছে। খৰচৰ শিতানত চালে প্ৰতি বছৰে ৫ কোটিৰো অধিক টকা বৃদ্ধি পাইছে। আমাৰ খৰছৰ বোজা বাঢ়ি গৈছে। আমাৰ ধাৰনামতে যি ধৰনে খৰছ বাঢ়িছে সেই হিচাবে ৰেভিনিউও বৃদ্ধি হব লাগিছিল। সামাজিক বনানী-কৰনৰ ক্ষেত্ৰত খৰছ বঢ়াতো স্বাভাবিক কিন্তু আমাৰ যিখিনি বনজ সম্পদ আছে সেই হিচাৱে তাৰ হাৰো বৃদ্ধি হব লাগিছিল। আমাৰ যিমান বিলাক শিল আছে বালি আছে কাঠৰ কুপ আছে সেই হিচাৱে আমাৰ আয় যথেষ্ঠ বাঢ়িব লাগিছিল। কিন্তু প্ৰতি বছৰে ১৯৮৩ চনৰ পৰা আয় কমি গৈছে আৰু তাৰ কাৰন বিছাৰি চোৱাৰ সময় আহি পৰিছে। আমাৰ ভাৰতৰ ৰাষ্ট্ৰীয় ফৰেষ্ট পলিচিৰ সামঞ্জস্য ৰাখি কি কাৰনত ইয়াৰ আয় কমি গ'ল সেইটো লক্ষ্য কৰিবৰ সময় আহি পৰিছে। আমাৰ নেচনেল ফৰেষ্ট পলিচিমতে একোটা ওৱাৰকিং প্লেন থাকিব লাগে। কামৰূপৰ এনকে ডিভিজনক বাদ দি কোনো ৰেঞ্জতে ওৱাৰকিং প্লেন নাই। ওৱাৰকিং প্লেনমতে ১০ হেক্টৰ মাটিত পাৰ্মা নেন্ট প্লেনটেচন কৰিহে অপাৰেচন কৰিব লাগে। কিন্তু একোতা ৰেঞ্জত ৭০ হেক্টৰ পৰ্য্যন্ত কাঠ কাতি নষ্ট কৰিছে। আচলতে ১০ বছৰৰ পাচতহে ১০ হেক্টৰ মাটিত অপাৰেচন কৰিবলৈ দিয়া হয়। কিন্তু ১০ বছৰ পৰ্য্যন্ত আজি কালি নতুন গছ কৰাই নহয়। আজি যথে মধে পাৰ্মিট দিয়াৰ ফলত এই অৱস্থা হৈছে। গুৱাহাটীৰ মানুহ এজনক ডিব্ৰুগড় শিৱসাগৰ আদি ঠাইত কাঠৰ পাৰ্মিট দিয়াৰ কাৰণে কাঠ কাতি শেষ কৰি পেলাইছে। গতিকে

*Speech not corrected.

এই নীতি সলনি কৰি যাতে বনজ সম্পদ ৰক্ষা কৰিব পাৰি তাৰ বাবে মই মুখ্য মন্ত্ৰীক অনুৰোধ জনালো। কাঠ কতাৰ ক্ষেত্ৰত আমি লক্ষ্য কৰিব লাগিব আমাৰ যিটো ৰাষ্ট্ৰীয় বননীতি সেইমতে যিবিলাক কাঠ মৰে বা পোকে ধৰে সেইবিলাক কাঠহে কাটিব দিব লাগে। কিন্তু আমি দেখিছো এজোপা গছ কৰাৰ তিনি চাৰি বছৰ পাছতে কাতিবলৈ আৰম্ভ কৰে আৰু তেনেকৈয়ে বননী ধ্বংস হৈ গৈছে। মোৰ নিজৰ কাষতে সোৱনশিৰী ৰিজাৰ্ভ আছে সেই ৰিজাৰ্ভত গছ নাই মুকলি হৈ পৰি আছে। ১০ বছৰৰ পৰা তাত প্লেনটেচন কৰা নাই এজোপা গছো নাই মুকলি হৈ পৰি আছে। ঠিক তেনেকৈ জীয়াঢোল ৰিজাৰ্ভ ফৰেষ্ট আজি ৰিজাৰ্ভৰ নামত গছ গছনি নোহোৱাকৈ মুকলি হৈ পৰি আছে। সেই বিলাক ঠাইত আজি অৰুনাচলৰ লোকে আহি বেদখল কৰি বহি আছে আৰু তেওঁলোকে অসমৰ মানুহৰ দ্বাৰাই খেতি কৰি নিজে বেহা বেপাৰ কৰি আৰামত বহি আছে। এই বিষয়টো মূখ্য মন্ত্ৰী মহোদয়ে নিজে চাব লাগে। মই আৰু এটা কথা উল্লেখ কৰিব খুজিছো তুলুখমুখ যিখন ৰিজাৰ্ভ ফৰেষ্ট আছে তাত বৰদলনী বুলি গাওঁৰ কিছুমান লোকে সৰিয়হ খেতি কৰি আছিল। তেওঁলোকে সৰু সৰু পজাঘৰ কাৰি খেতি কৰি আছিল। তেওঁলোকক জুই লগাই খেদি পঠিয়ালে। অথচ তাৰ ওচৰতে কিৰন হাজৰীকা নামৰ এজন লোকে ২০০ বিঘা মাটিত সৰিয়হ খেতি কৰি খাই আছে তেওঁক কিন্তু উচ্ছেদ কৰা নাই। দুখীয়ালোক সকলে যাৰ খাবৰ নাই তেওঁলাকে সৰিয়হ খেতি কৰিব নোৱাৰে কিন্তু ধনীলোকজনে ২০০ বিঘা মাটিত খেতি কৰি আছে তেওঁক উচ্ছেদ নকৰে। মই দিএফওক সুধিলো তেখেতে কলে লাহে লাহে কৰা হব। এই দুমুখীয়া নীতি ঠিক নহয়। মই মুখ্য মন্ত্ৰী মহোদয়ৰ কথাটোৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিলো। সামাজিক বননীকৰন আচনিত গুৱাহাটীৰ পৰা আৰম্ভ কৰি লক্ষীমপুৰলৈ ৰাষ্টাৰ দুয়োপাৰে গছ কৰাৰ যত্ন কৰা হৈছে। কিন্তু বহুত ঠাইতে এতিয়ালৈকে গছপুলি দেখা নাই। সুদীৰ্ঘ ৫০০ কি: মিঃ ঘনানীকৰনত টকা খৰছ কৰা হৈছে গতিকে এই বিলাক কথাও চিন্তা কৰি চাব লাগিব। আমাৰ যিমান বিলাক ফৰেষ্ট পামিট দিয়া হৈছে সিয়ে এই বনজ সম্পদ ধ্বংসৰ মূল কাৰন হৈছে। আমাৰ মুখ্য মন্ত্ৰী মহোদয়ে অৱশ্যে কৈছে যে এই নীতি সলনি কৰা হৈছে। মোৰ বোধেৰে ইয়াক ৫ বছৰৰ কাৰনে বন্ধ ৰাখিব লাগে।

অৱশ্যে মাননীয় উপাধ্যক্ষ মহোদয়, সিদিনা তেখেতে ঘোষণা কৰিছিলে. ৫ বছৰৰ কাৰণে 'পাৰ্মিট' দিয়াটো বন্ধ ৰাখিছে । আমি আশা ৰাখিছো এই পাছ বছৰৰ ভিতৰত যাতে এই বিলাক হবলৈনেপায় তাৰ কাৰণে চৰকাৰে চোকা দৃষ্টি ৰাখিব ।

মাননীয় উপাধ্যক্ষ মহোদয়, মই ইয়াৰ পিছত ব্যক্তিগত মানুহৰ স্বাৰ্থত 'কুৱাৰি' বিলাক 'এক্সটেনশ্বন' দি কেনেকৈ 'ৰাজ্যখনৰ ৰেভিনিউ' নষ্ট কৰা হৈছে তাৰ এটা উদাহৰণ দিব খুজিছো । মতঙ্গা আৰু বৰনদীৰ কুৱাৰি এজন মানুহকে দিছে আৰু সেই মানুহ জনে লাখ লাখ টকা উপাৰ্জন কৰিছে । টেণ্ডাৰকল কৰা হলে নিশ্চয় যথেষ্ট টকাৰ ৰেভিনিউ চৰকাৰে লাভ কৰিলেহেঁতেন । এইবিষয়েও আমাৰ মূখ্য মন্ত্ৰীয়ে দৃষ্টি দিব বুলি আশা কৰিলো ।

মাননীয় উপাধ্যক্ষ মহোদয়, মই মোৰ বক্তৃতা বৰ দীঘলীয়া কৰিব খোজা নাই । আমাৰ যি বিলাক ফৰেষ্ট আছে সেই ফৰেষ্ট কেনেকৈ ৰক্ষা কৰিব পাৰি তাকে চৰকাৰৰ অনুৰোধ জনাই ফৰেষ্টৰ ওপৰত অনাদাবি মঞ্জুৰীটো সমৰ্থন কৰিছো আৰু বিৰোধী পক্ষই অনা কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি বহিছো ।

শ্ৰীমতী মৃদুলা চহৰীয়া ঃ— মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই এই পৱিত্ৰসদনত ৩৮ কোটি ৬২ লাখ ৫ হেজাৰ টকাৰ যি দাবী মঞ্জুৰী বিছাৰিছে তাক সমৰ্থন কৰি আৰু বিৰোধী পক্ষই যি কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰিছে তাৰ বিৰোধীতা কৰি মই মাত্ৰ দুটা কথাই কবলৈ ওলাইছো ।

মাননীয় উপাধ্যক্ষ মহোদয়, দৰং জিলাৰ উত্তৰ অঞ্চলত আৰু পামেৰী সমষ্টিৰ উত্তৰাঞ্চলতেই নৈৰ 'ৰেঞ্জ' টো অৱস্থিত । তাত হাতীৰ বৰ উপদ্ৰৱ । এই ক্ষেত্ৰত যি বন্যপ্ৰাণী সংৰক্ষণ কমিটি গঠন হৈছিল সেই বন্যপ্ৰাণীৰ সংৰক্ষণ কমিটিৰ সভানেত্ৰী আছিল প্ৰয়াত প্ৰধান মন্ত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধী । এই কমিটিৰ ফালৰ পৰা আমাৰ দেশত বনৰীয়া হাতী ধৰাটো বন্ধ ৰখা হৈছিল । আন আন ঠাইত হাতীৰ সংখ্যা কমিব পাৰে, কিন্তু অসমত কমা নাই । এই হাতীয়ে যথেষ্ট ক্ষতি সাধন কৰিছে ।

পানেৰী অঞ্চলত হাতীয়ে যোৱা দুবছৰত প্ৰায় ১১ জন মানুহ মাৰিছে। সেইদৰে তাত থকা চাহ বাগান বিলাকতো হাতীয়ে যথেষ্ট ক্ষতি সাধন কৰিছে। মানুহৰ ঘৰ দুৱাৰ ভাঙিছে, খেতি পথাৰ আদি নষ্ট কৰিছে। অকল একেৰাতিৰ ভিতৰতে বহুত বিঘা মাটিৰ খেতি নষ্ট কৰিছে। ঘৰ ভাঙিছে। তাৰোপৰি, ৩ খন প্ৰাইমেৰী স্কুলো ভাঙি চুৰমাৰ কৰি দিছে। এই ক্ষেত্ৰত বন বিভাগৰ ফালৰ পৰা যিটো টকা দিয়া হয় সেইটো একেবাৰেই নহয়। এই দৰে হাতীৰ উপদ্ৰৱত তাত সন্ত্ৰাসৰ সৃষ্টি হৈছে। তাত গলেই আমি জুলুমত পৰো। মানুহে আমাক কৰলৈ আৰম্ভ কৰে, "আজি কালি মানুহতকৈ হাতীৰ মূল্যই বেছি নেকি ?" ইত্যাদি। এই বিষয়ে সময়ে সময়ে সেই সময়ৰ প্ৰয়াত প্ৰধান মন্ত্ৰী, কেন্দ্ৰীয় উপমন্ত্ৰী শ্ৰীডি, সিং, আৰু বন বিভাগৰ সেই সময়ৰ মন্ত্ৰী শ্ৰীধনীৰাম ৰংপি দেৱকো আমি জনাইছিলো। তাৰোপৰি, এটা হাতী খেদা ফৌজ গঠন কৰিবলৈকো মই আমাৰ মাননীয় মুখমন্ত্ৰীক অনুৰোধ জনাইছিলোঁ। এই ক্ষেত্ৰত হাতী খেদা হব বুলি আৰু ধৰা হব বুলি আশ্বাস দিছিল। কিন্তু বাস্তৱ ক্ষেত্ৰত কিমান দূৰ অগ্ৰসৰ হল সেইটো জানিব নোৱাৰিলোঁ। যোৱা ৫ ফেব্ৰুৱাৰীত এখন মিটিং টংলাৰ ওচৰৰ ভোলাটাৰ গাওঁত হৈছিল। টংলা কলেজত সেই ঠাইৰে ৪ ফেব্ৰুৱাৰীৰ ৰাতি P.U. পঢ়ি থকা এজন ছাত্ৰক আৰু তাৰআগ ৰাতি এজনী মাইকী মানুহক হাতীয়ে মাৰিছিল। গতিকে এই বিলাক ঘটনাৰ পৰিপ্ৰেক্ষিতত মই আমাৰ মুখ্যমন্ত্ৰীক অনুৰোধ কৰিছোযে, তেখেতে অন্ততঃ হাতীৰ উপদ্ৰৱৰ পৰা আমাৰ ৰাইজক যেন ৰক্ষা কৰে। কিছুমানে কোৱা মতে থাকিবলৈ জেগা নাইকীয়া কাৰণে হাতীৰ এই উপদ্ৰৱ হৈছে। কিছুমানে কয় যে, ভূটানৰ সীমাত মানুহ বহাৰ কাৰণে তাত হাতী থাকিবলৈ জেগা নোহোৱাৰকাৰণেই হাতী বিলাক এই অঞ্চলৈভাগি আহিছে। কোনোৱে কয় যে, চেৰেপা সকলে বনোৱা মদ হেনো হাতীয়ে খাবলৈ বৰ ভাল পায়। সেই কাৰণেই এই হাতী বিলাক মদ খাবলৈ আহে।

মাননীয় উপাধ্যক্ষ মহোদয়, সঠিক তাৰিখটো মই নেজানিলেও যোৱা মাহৰ ১০ তাৰিখৰ ভিতৰত 'চেন্টিনেল' কাগজত এটা বাতৰি পৰিবেশিত হৈছিল যে, যোৱা দুবছৰৰ ভিতৰত পানেৰী অঞ্চলত ১১ জন মানুহ মৰিছে, আৰু এই ক্ষেত্ৰত চৰকাৰে ব্যৱস্থা নোলোৱা বুলি দোষাৰোপ কৰিছে।

গতিকে মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে এই ক্ষেত্ৰত ব্যৱস্থা লব লাগে। যিহেতুকে নৰ্থ কামৰূপ ডিভিজনটো তাৰ পৰা দূৰ হয় আৰু দৰং এখন পূৰ্ণ পৰ্য্যায়ৰ জিলা গতিকে তাত এটা 'টেৰিটৰিয়েল ডিভিজন খুলিবৰ কাৰণে মই আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। পুনৰ মঙ্গলদৈত এটা পূৰ্ণ পৰ্য্যায়ৰ ডিভিজনৰ খুলিবৰ কাৰণে অনুৰোধ জনাই কৰ্ত্তন প্ৰস্তাৱটোৰ বিৰোধীতা কৰি মোৰ বক্তব্যৰ সামৰণী মাৰিলো।

*শ্ৰীমহম্মদ আলি ঃ— মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে বনবিভাগৰ ওপৰত যি দাবী মঞ্জুৰী আনিছে আৰু তাৰ বিৰোদ্ধে বিৰোধী পক্ষই যি কৰ্ত্তন প্ৰস্তাৱ তুলিছে তাৰ বিৰোধীতা কৰি মই মোৰ বক্তব্য ৰাখিম।

উপাধ্যক্ষ মহোদয়, বনজ সম্পদ অসমৰ কাৰণে এটা ডাঙৰ সম্পদ। এই ডাঙৰ সম্পদ ৰক্ষা কৰিবৰ কাৰণে আমাৰ বহুতো মাননীয় সদস্যই বহুতো পৰামৰ্শ আগবঢ়াইছে। বহুদিনৰ পৰা যিখন ফৰেষ্ট আইন চলি আছিল সেই আইন খন সংশোধন কৰাৰ কাৰণে মই আমাৰ মুখ্যমন্ত্ৰী আৰু বনজ বিভাগৰ মাননীয় মন্ত্ৰীক ধন্যবাদ জনাইছো। কিয়নো এইখন সংশোধন কৰাৰ ফলত নামনি অসমত যি বিলাক দুৰ্নীতি চলিছে সেই বিলাক অন্তত: কিছু পৰিমাণে হলেও হব। এই প্ৰসঙ্গতে মই আৰু এটা কথা চৰকাৰক অনুৰোধ কৰিব খুজিছো আৰু সেইটো হৈছে বজাৰত কাঠৰ বৰ্দ্ধিত চাহিদালৈ চাই কাঠৰ ৰয়েলটি কিছুপৰিমাণে বৃদ্ধি কৰিলে ৰাজ্যখনৰ ৰাজকোষলৈ কিছু ধন আহিব। এই কথাখিনি মানমীয় মুখ্যমন্ত্ৰী মহোদয়ে নিশ্চয় বিবেচনা কৰিব। বজাৰত ভাল শাল কাঠ cubicfeet ত ৭০ টকাৰ পৰা ৮০ টকালৈকে বিক্ৰী হয়। গতিকে সেই ফালৰ পৰা এই ৰয়েলটি বৰ্দ্ধিত কৰাৰ প্ৰয়োজনীয়তা আছে।

মাননীয় উপাধ্যক্ষ মহোদয়, অসমৰ যিমান সংখ্যক জমিৰ ওপৰত বন থাকিব লাগে সিমান নাই। সেই কাৰণেই 'চছিয়েল ফৰেষ্ট' বিভাগৰ জৰিয়তে গছপুলি ৰোৱাৰ দিহা কৰি থকা হৈছে। কিন্তু আমাৰ গোৱালপাৰা আৰু কামৰূপ জিলাৰ মাটি শাল খেতিৰ কাৰণে ইমানেই ধুনীয়া যে, তাত 'ৰিজেনেৰেশ্বন' হয়। বিশ্বৰ আন ঠাইত তেনেকুৱা নজিৰ নাই বুলিয়েই কবপাৰি। শালগছৰ এডাল শিপাৰ পৰাই পুনৰ গছ গজে। ১৯৮০-

*Speech not corrected

৮৩ চনৰ মাজভাগত যিবিলাক বনজ সম্পদ নাইকীয়া কৰি পেলাইছিল সেই বিলাক ঠাইতো এতিয়া আপোনা আপুনিয়েই গছ গজিবলৈ আৰম্ভ কৰিছে। যি বিলাক জেগাত ৰিজেনেৰেশ্বন হয় তাত গছ পুলি ৰোৱাৰ কাৰণে খৰছ নপৰে। গতিকে তাত বনজ সম্পদ ৰক্ষণাবেক্ষণৰ কাৰণেহে চেষ্টা কৰিব লাগে।

মাননীয় উপাধ্যক্ষ মহোদয়, বহু ঠাইত গছ নোহোৱাৰ ফলত 'নন্ শালউডকে' কেমিকেল প্ৰাক্ৰয়াৰ দ্বাৰা শালৰ নিছিনা টান কৰি ব্যৱহাৰ কৰা হয়।

গতিকে এই প্ৰগ্ৰাম ঠায়ে ঠায়ে কৰবাত চলিছে নে নাই সেইটো সম্পৰ্কে দৃষ্টি ৰাখিবলৈ মই দৃষ্টি আকৰ্ষণ কৰিলো। আমাৰ বনাঞ্চল সমূহত ১৯৫৫-৫৬ চনত যি জৰীপ হৈছিল বিশেষকৈ গোৱালপাৰা জিলাত যি জৰীপ হৈছিল তাত কিছুমান মাটিৰ ওপৰত বনাঞ্চল থকা বুলি লিখা হৈছিল। শালনি আদি থকা বুলি লিখা হৈছিল কিন্তু বিশ বছৰ পিচত দেখা গ'ল এম-এন-পি আচনিৰ জৰিয়তে ভূমিহীনক ভূমি দান কৰাৰ সময়ত সেই বিলাক ঠাই খালি পোৱা হৈছে। মাটিত মানুহে বসবাস কৰিছে কিন্তু মাটি পট্টন দিয়াৰ কাৰণে অসুবিধা হৈছে কিয়নো জৰীপত শালনি আৰু বনাঞ্চল থকা বুলি লিখা হৈছিল। গতিকে এই ফৰেষ্ট লেণ্ড চাৰ্ভে কৰি লোৱা দৰকাৰ আৰু তাৰ দ্বাৰা এম-এন-পি আচনিৰ জৰিয়তে ভূমিহীন লোকক মাটি দিয়াৰ ব্যৱস্থা কৰিব পৰা হব। ইয়াৰ লগতে যি পৰিমাণৰ ফৰেষ্ট ল্যাণ্ডৰ দৰকাৰ আছে সেই পৰিমাণে ফৰেষ্ট ল্যাণ্ডৰ কাৰণে ডিমাৰকেট কৰি ৰক্ষণাবেক্ষণ দিয়াৰ ব্যৱস্থা কৰিব লাগে।

উপাধ্যক্ষ মহোদয়, আমাৰ মেঘালয় বোৰ্ডাৰৰ কামৰূপ-গোৱালপাৰা জিলাৰ পৰা বনাঞ্চল ধ্বংস কৰাৰ উপক্ৰম কৰিছে। গোৱালপাৰা জিলাৰ পৰা বিশেষকৈ গছ কাটি নি মেঘালয় পোৱাগৈ আৰু তাত ফৰেষ্ট আফচাৰৰ দ্বাৰা মাৰ্কা মৰাই ট্ৰেনজিট পাচ আদি কৰি অসমৰ পৰা বাহিৰলৈ নিয়াৰ ব্যৱস্থা চলি আছে। এই বিলাকৰ কাৰণে বনাঞ্চল ধ্বংস হোৱাৰ উপক্ৰম হৈছে। ইয়াৰ কাৰণে ফৰেষ্ট সম্পত্তি ৰক্ষণাবেক্ষণ দিয়াৰ কাৰণে বোৰ্ডাৰৰ এলেকাত অধিক বিট-অফিচ আৰু পুলিচ পহৰা চকীৰ ব্যৱস্থা কৰিবলৈ মই

মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো। চোচিয়েল ফৰেষ্ট্ৰিৰ কথা বহু কেইজন মাননীয় সদস্যই কৈ গৈছে। মোৰ কবলগীয়া এটা কথাই আছে যে কোনো বছৰত যদি চোচিয়েল ফৰেষ্ট্ৰিৰ গছ ৰোৱা হয় পিচৰ বছৰত দেখা যায় তাত আধাই নাথাকে। অৰ্থাৎ গছ বিলাক মৰি যায় কিয়নো সেই ঠাইত চাৰি পাচ হাত পানী উঠে আৰু বছৰটোৰ ভিতৰতে সেই বিলাক মাৰি পেলায়। গতিকে অন্যান্য ৰাজ্যত গছ পুলি ৰোৱাৰ কাৰণে ঢিপ কৰি ৰখাৰ পদ্ধতি আমাৰ ইয়াতো কৰিব লাগে অথবা এটলীয়া কৰি পানী বাগৰি যোৱাৰ সুবিধা ৰাখি গছ পুলি কৰ পাৰিলে চোচিয়েল ফৰেষ্ট্ৰিৰ আধাৰত ৰোৱা গছ পুলি বিলাক বৰ্ত্তাই ৰাখিব পৰা যাব। কুৰিদফীয়া আঁচনিৰ আধাৰত গোৱালপাৰা জিলাত চোচিয়েল ফৰেষ্ট্ৰিৰ কাৰণে যি ষ্টিয়েৰিং কমিটি আছিল ডি-আৰ-ডি-এৰ তলত সেই মতে এলোটেড টকা খিনি নিয়া নাই। তাৰ কাৰণে আঁচনি কাৰ্যকৰী কৰিব পৰা নাই। খবৰ কৰি দেখা গ'ল যে যোৱা বছৰৰ কাৰণে এন-আৰ পিৰ কাৰণে যি আঁচনি তৈয়াৰ কৰিব লাগিছিল ফৰেষ্ট্ৰি প্ৰটেকচনৰ কাৰণেই হওক বা আন কাৰণেই হওক আঁচনি দাখিল কৰা নহল আৰু ফলত কাম নহল। সেই কাৰণে গোৱালপাৰা ডি-আৰ-ডি-এৰ চোচিয়েল ফৰেষ্ট্ৰিৰ টকা খৰচ কৰিব পৰা নহল। মই আশা কৰিছো অহা বছৰৰ কাৰণে সময় থাকোতেই চোচিয়েল ফৰেষ্ট্ৰিৰ কাৰণে জিলাখনৰ কাৰণে ধাৰ্য্য কৰা ধন ব্যৱহাৰ কৰাৰ বাবে সময় মতে আঁচনি দাখিল কৰি ব্যৱস্থা কৰিব। এনে ধৰণে টকা খৰচ কৰিব নোৱাৰাৰ কাৰণেই চোচিয়েল ফৰেষ্ট্ৰিয়ে আগবাঢ়িব পৰা নাই। ইয়াৰ লগতে মই এটা কথা জনাব খোজো যে গোৱালপাৰা জিলাৰ মাষ্টাৰ ৰোলত কাম কৰা দহ বাৰ বছৰৰ অভিজ্ঞতা থকা কৰ্ম্মী সকলৰ চাকৰি নিয়মীয়া হোৱা নাই। গতিকে মই অনুৰোধ ৰাখিলো যেন গোৱালপাৰা ডি-এফ-অ'ৰ অধীনত ওলোৱা কোনো চতুৰ্থ শ্ৰেণীৰ চাকৰিৰ কাৰণে তেনে পুৰণা মাষ্টাৰ ৰোল কৰ্ম্মীৰ প্ৰাৰ্থীত্ব যেন বিবেচনা কৰা হয়। গোৱালপাৰা জিলাত আৰু এটা সমস্যা হৈছে এম-এন-পি ৰাস্তা লৈ। মুঠ ২২ খন গাওঁ সভাৰ ১১ খন গাওঁ সভা ট্ৰাইবেল এৰিয়াত পৰে। টি-এচ-পি এৰিয়াৰ ট্ৰাইবেল ভাইসকল থকা ঠাইত বনাঞ্চল আছে কিন্তু এম-এন-পিৰ ৰাস্তা ফৰেষ্ট ল্যাণ্ডৰ মাজেৰে যাব লগীয়া হোৱাত বাধা প্ৰাপ্ত হৈছে। পি-ডব্লিউ-ডিও চৰকাৰী বিভাগ আৰু বন

বিভাগো একেই চৰকাৰৰে গতিকে এই ৰাস্তা যোৱাত বন বিভাগে যাতে বাধা নিদিয়ে তাৰ ব্যৱস্থা কৰিবলৈ মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো। এই অসুবিধা দুধনৈ সমষ্টিত এম-এন-পি ৰাস্তা বন্ধাৰ কাৰণে দেখা দিছে । এই বাধা নিষেধ যেন আঁতৰ কৰি এম-এন-পি ৰাস্তাটো বন্ধাত সহায় কৰে তাৰ কাৰণে মই মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনালো ।

( উপাধ্যক্ষৰ সলনি মাননীয় অধ্যক্ষ আসনত উপবিষ্ট হয় )

মাননীয় অধ্যক্ষ মহোদয়, মই পুণৰ অনুৰোধ কৰিছো আৰু জনাব বিচাৰিছো যে গোৱালপাৰা বিঅৰগেনাইজেশ্বন হোৱাৰ পিচত দোহেলা ফৰেষ্ট ল্যাণ্ডত দহ বছৰ ধাৰ ৰাইজে কমিটি কৰি গছ ৰক্ষা কৰা আৰম্ভ কৰিছে আৰু সুন্দৰ সেউজীয়া বননি হৈছে। কোনোবাই গছ কাটিলে ৰাইজে মিলি দুশ টকা ফাইন কৰে। এইটো বৰ ভাল কথা হৈছে । মই পুনৰ বাৰ মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰো যেন মেঘালয়লৈ গছ নিয়াৰ কৌশলটো বন্ধ কৰাৰ কাৰণে সীমান্ত এলেকাত বীট অফিচৰ সংখ্যা বৃদ্ধি কৰে আৰু প্ৰয়োজন সাপেক্ষে পহৰা চকীৰ সংখ্যাও বৃদ্ধি কৰে । কিয়নো ইয়াৰ পৰা আমাৰ অৰ্থ ভাণ্ডাৰলৈ বহুখিনি ধন জমা হোৱা বন্ধ হৈ আছে । এইখিনিকে কৈ মুখ্যমন্ত্ৰী মহোদয়ে যি দাবী মঞ্জুৰী ৰাখিছে সেইটো সমৰ্থন কৰি মোৰ বক্তৃতাৰ সামৰণি মাৰিলো ।

শ্ৰীৰমেশ ফুকন :— মাননীয় অধ্যক্ষ মহোদয়, বন বিভাগৰ শিতানত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যি দাবী মঞ্জুৰী আনিছে তাৰ ওপৰত বিৰোধীপক্ষই অনা কৰ্ত্তন প্ৰস্তাৱটোৰ বিৰোধীতা কৰি মই মাত্ৰ দুষাৰ কবলৈ উঠিছো। মোৰ আগৰ এগৰাকী বক্তা শ্ৰীমতী মৃদুলা চহৰীয়া মহোদয়াই বন বিভাগৰ ক্ষেত্ৰত হাতীৰ উপদ্ৰপ সম্পৰ্কে যিখিনি কথা কৈছে সেইটো মই মোৰ অঞ্চলতো অনুভব কৰিছো । তাৰ এটা কাৰণ আছে আৰু সেই কথাতো উত্থাপন কৰিছো । সেইটো হৈছে বন বিভাগত কিছুমান অবৈধ মহৰ খুটি আছে । বন বিভাগৰ বিষয়া কিছুমানৰ তলত বা বিষয়া সকলৰ পৃষ্ঠপোষকতাত এই মহৰ খুটি বিলাক থাকে আৰু ১০০ পৰা ১৫০ টালৈ তাত ম'হ থাকে। এই ম'হ বিলাকৰ দলৰ উতপাতত আৰু অত্যাচাৰত হাতী বিলাক থাকিব নোৱাৰি তলতৈ নামি আহে আৰু মানুহৰ ঘৰ দুৱাৰ, খেতি পথাৰ ইত্যাদি

নষ্ট কৰে আৰু কোনো কোনো ঠাইত মানুহও মাৰিছে। এটা প্ৰবাদ আছে যে হাতীয়ে অত্যাচাৰ কৰিলে মানুহ বিলাকে নজনায় কিয়নো আপত্তি জনালে হাতীয়ে হেনো পুনৰ অত্যাচাৰ কৰে। সেয়েহে আমি দেখিছো হাতীয়ে অত্যাচাৰ কৰিছে যদিও চৰকাৰৰ ওচৰত আপত্তি জনোৱা নাই। গতিকে এই হাতীয়ে অত্যাচাৰ কৰাতো বন্ধ কৰাৰ কাৰণে কাৰ্য্য ব্যৱস্থা হাতত লবলৈ পৰামৰ্শ আগবঢ়ালো। সামাজিক বনানীকৰণৰ ক্ষেত্ৰত আলোচনা সমালোচনা হৈছে। সামাজিক বনানীকৰণৰ ক্ষেত্ৰত বিভাগটোক আমি নিশ্চয় ধন্যবাদ জনাব লাগিব। আমাৰ গোটেই ৰাষ্ট্ৰৰ ভিতৰতেই আমাৰ ৰাজ্যখনে সামাজিক বনানীকৰণৰ দিশত যথেষ্ট যোগ্যতা দেখুৱাইছে আৰু আমি এতিয়া দেখিছো ৰাষ্ট্ৰীয় পথত দুয়ো কাষে পৰিবেশৰ সলনি হৈছে। অন্যান্য ঠাইৰ নিচিনাকৈ ৰাষ্ট্ৰীয় পথৰ দুয়োকাষে গছ গছনি থকাৰ দৰে আমাৰ ৰাজ্যতো হৈছে। এতিয়া গছ বিলাক জী উঠিছে। আৰু কেইবছৰমানৰ ভিতৰতেই ৰাষ্ট্ৰীয় পথৰ দুয়ো কাষে গছ-গছনী হৈ উঠি ছাঁৰ ব্যৱস্থা হব আৰু সামাজিক বনানীকৰণৰ ক্ষেত্ৰত সফলতা লাভ কৰিব। ৰহা সমষ্টিৰ বৈঠালাংচুত হাতীয়ে মৰা লোকক কমপেনচেচন দিব লাগে যেনেকৈ অন্যান্য ক্ষেত্ৰত ৰিলিফ দিয়া হয়, ঘৰ পুৰিলে, বানপানী আহিলে, ধুমুহা আহিলে দুৰ্দ্দশাগ্ৰস্ত লোকক ৰিলিফ দিয়াৰ নিয়ম আছে ঠিক তেনেকৈ হাতীয়ে মৰা লোকৰ ক্ষেত্ৰতো ৰিলিফ দিয়াৰ ব্যৱস্থা কৰিব লাগে। আৰু এটা কথা হ'ল আমাৰ বালিৰ মহল সম্পৰ্কে। বালিৰ মহলৰ ঠিকা দিয়াৰ ক্ষেত্ৰত যি টেণ্ডাৰ দিয়া হয় আৰু যি সকল ঠিকাদাৰে বেচি টকাৰ টেণ্ডাৰ দিয়ে তেওঁলোকে নাপায়। আগৰ ঠিকাদাৰে কম টকাৰ টেনডাৰ দিয়া বুলি জনাৰ পিছত তেওঁলোকে ওপৰত ধৰামেলা কৰি অহেতুক ভাবে আগৰ বছৰৰ Settlement ৰ এক্সটেনচন কৰোৱাই। ইয়াৰ ফলত ৰাজহৰ ক্ষতি হয়। এইটো কৰিব নালাগে। শেষত মই মোৰ নিজৰ জিলাৰ কথা এটা কব খুজিছো যে সামাজিক বনানীকৰণৰ ক্ষেত্ৰত আমাৰ বিভাগে যথেষ্ট সফলতা অৰ্জন কৰিছে। নগাওঁ জিলাত সামাজিক বনানীকৰণৰ কাৰণে ডিভিজন খোলাৰ প্ৰস্তাৱ লোৱা হৈছে বুলি শুনিছো। এইটো কি পৰ্য্যায়ত আছে নাজানো। যদি তাত কিবা বাধা আছে সেইটো আতৰাই নগাওঁ জিলাত সামাজিক বনানীকৰণ ডিভিজন খোলাৰ ব্যৱস্থা কৰিব লাগে। এইখিনিকে মুখ্যমন্ত্ৰী ডাঙৰীয়াই দি মঞ্জুৰীৰ

প্ৰস্তাৱটো সমৰ্থন কৰি বিৰোধীপক্ষৰ কৰ্ত্তনপ্ৰস্তাৱটো বিৰোধীতা কৰি ইয়াতেই সামৰিলো ।

Mr. Speaker :— Now Shri Silvius Condpan to speak.

Shri Silvius Condpan :—Mr. Speaker, Sir, while supporting the demand for forests and opposing the Cut Motion by the Hon'ble members in the opposition, I would like to put a few points before the Hon'ble Chief Minister in—charge of Department of Forests to take some action. Sir, in my area also wild elphants cause havoc, create panic among the peace loving people. They kill people every day damage property, damage houses and it has become practically nobody's business to take a note of it. Sir, I have been agitating for it for the last three years and so far as my own area is concerned, I see the department has not taken a serious note of it to protect the lives and properties of the people in that area. I remember the Hon'ble cheif Minister has answered in one of our questions that scaring squad has been arranged. They have been put into action. But, Sir, so far in my area and also in other areas like Mazbat Range, Udalguri and Dhekiajuli areas where every year the wild-life comes in large number nothing has been done. But Sir, this scaring squad has not taken any action. I may be right to say that this scaring squad might be working in some other places. So Sir, it is a serious thing. The Government is to protect the forest products, animals and at the same time Government should also realise that the life and property of the poor people are more valuable than forest products and the animal. Sir, I failed to un-

derstand why Government has failed to take adequate action to protect the life and property of these innocent people. So, my humble suggestion is that adequate measures must be taken forth-with so that poor farmers, their lives and properties and their children are protected from the wild elephants.

Now I want to refer to Orang Sanctuary. This sanctuary has not come to the notice of the Forest Department. I have been suggesting the Government to develop this sanctuary to the extent as Kaziranga sanctuary Appropriate measures should be taken to make it more attractive. If we develop this sanctuary, it will give revenue to the Department and at the same time the area will be developed I would also like to state that there are fisheries within the Orang sanctuary. The encroachers everyday catch fishes in this sanctuary. No formal settlement order has been given to anybody and in this way Government is loosing revenue either within or without the knowledge of the officials. So my humble suggestion, through you, to the Department and to the Government that they should take action for the development of fisheries within the Orang sanctuary so that the Department could earn revenue.

Sir, Udalguri area is adjacent to the forest areas. Therefore, we have been agitating for a Divisional Office in that area. Our Hon'ble Member Smti. Saharia has also suggested that there shou d be a Divisional Office from the point of view o forest areas and from the point of view of other amenities and this Divisional Office is loca-

ted there and it will not be only for the sake of a division office in Udalguri But division. Subdivision office will be able to look after the forest produce, it will be able to protect the forest products, it will equally be able to protect human lives from wild elephants.

My next point, Sir, this Forest Division will be adjacent to the forest areas, the tribals, the tea-garden and Ex-tea garden labour comunity, the nepalees are the permanent settlers serrounding the forest area. But so far the appointment of these people in this department are concerned, you will find even for petty jobs in the lowest rank they are not reflected in the matter of appointment. My humble suggestions before the Government is that Sir, in the matter of appointment for lower rank posts and since these people are nearby the forest areas, they should be given scope for being appointed in this deparment.

My next point, Sir, the forest beat office, range office staff quarters in many areas including my areas are in a very deplorable condition. The staff are facing many dificulties for this sort of accommodation. Atleast better woods should be used for their quarters, if pucca houses are not being provided. Their houses are in a very deplorable condition, very old and not undergoing any repairs. Sir, our Hon'ble Chief Minister is so much sympathetic towards these low paid employees, he will also be equally sympathetic to the low paid forest officials and surely look into their accommodation problem, and provide them better accommodation facilities.

Sir, my next point is about Social Forestry. Sir, I would like to draw the attention of the Minister specially in-charge of Social Forestry. I have told many times even to the CCF in-charge Darrang District and major part of Sonitpur District is completely out of their notice, so far social forestry is concerned. I am telling here because I have been telling them times without number, but no action has been taken on my points. Now, through you, Sir, I would like to request the Hon'ble Chief Minister to kindly see that schemes in social forestry is taken up in Darrang District.

With these suggestion, I again support the grant and oppose the cut-motion.

*শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, আজি বন বিভাগৰ সম্পৰ্কত বহুখিনি পৰামৰ্শ আৰু সমালোচনা আগবঢ়াইছে। তাৰ কাৰণে মই মাননীয় সদস্য সকললৈ ধন্যবাদ জ্ঞাপন কৰিছো। মাননীয় অধ্যক্ষ ডাঙৰীয়া আমাৰ ৰাজ্যখনত কেতবোৰ বিভাগ আছে যিবিলাকৰ ওপৰত আমি বিশেষ গুৰুত্ব নিদিও। কিন্তু এইটো শুভ লক্ষণ বুলিয়েই কব লাগিব যে এই বন বিভাগৰ ওপৰত আজি বিশেষ গুৰুত্ব দিয়া হৈছে। আমাৰ ৰাজ্যখনৰ কেতবোৰ বিভাগ আছে যিবিলাকে ৰাজ্যখনৰ অৰ্থনৈতিক অৱস্থা টনকিয়াল কৰাত যথেষ্ট বৰঙণি যোগাইছে আৰু স্থানীয় মানুহও উপকৃত হব। সেই-বিলাক বিভাগৰ ওপৰত আমি বিশেষ গুৰুত্ব দিয়া উচিত। সাধাৰণতে কৃষি, পশুপালন, চোৰকালচাৰ, উইভিং, ফৰেষ্ট, ফিচাৰী এইবিলাকৰ ওপৰত বিশেষ গুৰুত্ব দিয়া দেখা নাযায়। এই বিভাগ বিলাক সৰু বুলি ধৰা হয় আৰু খুব কম আলোচনা কৰা হয়। আমাৰ ৰাজ্যখনৰ বেছিভাগ লোকেই কৃষিজীৱি, তৃথীয়া কৃষক শ্ৰেণীৰ মানুহ আৰু ইয়াৰ এটা পৰম্পৰা আছে। এই কৃষিজীৱি মানুহ বিলাকে কাম কৰিবলৈ বিশেষ শিক্ষা নালাগে। হাজাৰ বছৰ ধৰি কৃষক হিচাবে মাছ পুহি, হাঁহ-কুকুৰা, গাই-গৰু, সূতাকটা, সূতা

*Speech not corrected.

তৈয়াৰ কৰা আদি কাম কৰি সাধাৰণ ভাবে জীৱন-জাপন কৰি আহিছে। নিজস্ব একোটা জন্মগত এই বিলাকৰ বিকাশত আমি গুৰুত্ব দিলে আমাৰ দুখীয়া মানুহ বৰ্ত্তি থাকিব। শিক্ষাৰ ওপৰত গুৰুত্ব দিয়া হৈছে। শিক্ষাত যিমানখিনি টকা খৰচ কৰা হৈছে সেইটো প্ৰয়োজন সাপেক্ষেহে কৰাহৈছে। সেই দৰে উদ্যোগৰ ওপৰতো গুৰুত্ব দিয়াহৈছে কিয়নো ৰাজ্যত যদি উদ্যোগ গঢ়ি নুঠে আৰু শিল্পৰ বিপ্লৱ নহয় তেতিয়া দেশখন বা সমাজখন লাভবান নহয়। কিন্তু এই ব্যৱস্থাৰে এচাম মানুহ বেচি ধনী হয় আৰু এচাম দুখীয়া হৈ যায়। এই দুখীয়াৰ দুখ দূৰ কৰিবলৈ হলে আমাৰ কৃষিৰ লগত যি সকল জড়িত, যি সকলে শিক্ষা-দীক্ষা নাপায়, উদ্যোগ ইত্যাদিতো অংশ গ্ৰহণ কৰিব নোৱাৰে সেই সকলৰ ওপৰত কঠোৰ পৰিমাণে গুৰুত্ব দিব লাগে। সেই কাৰণে বন বিভাগৰ ওপৰত, কৃষিৰ ওপৰত গুৰুত্ব দিয়া হৈছে। বসুমতাৰী ডাঙৰীয়াই কৈছে অৰ্কিডৰ কথা। আমাৰ ৰাজ্যখনত এই অৰ্কিডৰ চেণ্টাৰ ভাল ধৰণে হৈ উঠা নাই। বশিষ্ঠত এটা অৰ্কিড চেণ্টাৰ খোলাহৈছে আৰু আশা কৰিছো সপ্তম পঞ্চবাৰ্ষিক পৰিকল্পনাৰ কালচোৱাত সম্প্ৰসাৰণ কৰিব পৰা হব। তেতিয়া অকল ইয়াতেই নহয় দেশ বিদেশলৈও অৰ্কিড পঠিয়াব পৰা হব। তেখেতে ৰিচাৰ্চৰ কথাও কৈছে। এই ক্ষেত্ৰত আমাৰ ৰাজ্যখনত বহুতো আগ বাঢ়িছে। সোলোং গছ ৰোৱাৰ ক্ষেত্ৰত ৰাজ্যখনত গবেষণা কৰি নতুনকৈ ৰোৱাৰ ব্যৱস্থা কৰিছে। সোলোং গছ সাধাৰণ গছৰ ওপৰতহে কৰ লাগে।

এই নতুন ব্যৱস্থাটো অসমত আৰম্ভ হৈছে। সাধাৰণতে হুলুং গছ গছৰ ছাঁত হয়। গবেষণা কৰাৰ পিছত পাইছে যে ইয়াৰ কাৰণে ডাঙৰ গছ নালাগে, বিহলঙনিৰ ছাঁত কৰিব পাৰি। সেয়ে বহুখিনি কাম কৰিছে। শ্ৰীবসুমতাৰীয়ে লগিং চেণ্টাৰ, ট্ৰেইনিং চেণ্টাৰৰ কথা কৈছে। ভাৰত বৰ্ষত কেন্দ্ৰীয় চৰকাৰে লগিং চেণ্টাৰ কৰে, অকল পশ্চিম বঙ্গ চৰকাৰে নহয়। সেইটো কেন্দ্ৰীয় চৰকাৰে চুইডিছ ইণ্টাৰনেচনেল দেভেলপমেণ্ট এজেন্সীৰ জৰিয়তে খুলিছে। এই লগিং চেণ্টাৰত উত্তৰ পূব ভাৰতৰ সকলো ৰাজ্যৰে প্ৰশিক্ষণৰ কাৰণে যোৱাৰ সুবিধা আছে—যিহেতু চেণ্ট্ৰেল গবৰ্ণমেণ্টৰ স্কিম। ইয়াৰ ৰক্ষণা বেক্ষণ আৰু অন্যান্য সাহায্য চুইডিছ ইণ্টাৰনেচনেল দেভেলপমেণ্ট

এজেন্সীয়ে কৰে। আমি বিচাৰিলে আৰু কেন্দ্ৰীয় চৰকাৰ সন্মত হলে অসমত এটা লগিং চেণ্টাৰ চুইডিছ ইন্টাৰনেচনেল দেভেলপমেন্ট এজেন্সীৰ জৰিয়তে খুলিব পাৰিম। তেখেতে গছ ৰক্ষণা বেক্ষণ কৰাৰ কথা কৈছে। ৰাজ্যখনত গছৰ ৰক্ষণা বেক্ষণ কৰিবলৈ পাৰ্য্যমানে চেষ্টা কৰা হৈছে আৰু সেই কাৰণে নতুনকৈ গছ ৰুৱা হৈছে। সেই কাৰণে আজি বহু গছ ৰক্ষণা বেক্ষণ হৈ আছে। তেখেতে উৰ্ত্তৰ কামৰূপৰ ফৰেষ্ট ডিভিজনৰ সমালোচনা আগবঢ়াইছে। এই কথা কেইটা এতিয়াই দিব নোৱাৰিম, অনুসন্ধান কৰিব লাগিব। তেখেতে খৈৰ কাঠ বিকাৰ কথা কৈছে আৰু সেই সম্পূৰ্কত অভিযোগ আনিছে। কুমাৰিকাটাত গছ কটাৰ কথা কৈছে। এইবিলাক তদন্ত কৰি সদনক জনাব পাৰিম। নলবাৰীত ডিচেম্বৰ মাহত শিমলু গছ ৰুৱাৰ কথা কৈছে। ৰাজ্যখনত সঘনাই বানপানী হয়। বহু গছ খৰালি ৰুব পাৰি। সেই ফালৰ পৰা ডিচেম্বৰ মাহত ৰুৱাৰ কথা জনাইছে। তেখেতে ৰণো বসুমতাৰী সম্পূৰ্কত এখন চিঠি দিছে। সেই চিঠিখনৰ সম্পৰ্কে মই নাজানো। সেই সম্পৰ্কত খবৰ কৰিব লাগিব। যিসকল লোকৰ যেতিয়া স্বাৰ্থত আঘাত হয় তেতিয়া ওপৰলৈ চিঠি লিখে। আমাৰ মন্ত্ৰীসকলৰ বিৰুদ্ধে লিখে আৰু মোৰ বিৰুদ্ধেও লিখে। মই যোৱাকালি কৈছো এজন গুৱাহাটীৰ ব্যৱসায়ীৰ কথা কৈছো আৰু ১৪ হাজাৰ টকাৰ বিল লৈছে। অনুসন্ধান কৰাত আমাৰ বিৰুদ্ধে লিখিছে। তেখেতে কচুগাওঁৰ কথা কৈছে। তদন্ত কৰিহে জনাব পাৰিম। ওডালগুৰীত ৮টা খ্ৰমিল কৰাৰ কথা কৈছে। তদন্ত কৰা হৈছে। গুৱাহাটীৰ চিনিয়ৰ ডি, এফ, অ আৰু এ, চি, এফ এই কাঠ চিজ কৰিছে আৰু ইলিগেল পোৱা নাই বুলি জনাইছে। তাৰ পিছত আমিন গাৱত কাঠৰ ষ্টকৰ কথা কৈছে। গুৱাহাটী হল উত্তৰ পূব ভাৰতৰ সকলো ৰাজ্যৰ প্ৰধান অঞ্চল। গুৱাহাটীৰ যোগেদি লগ অসমৰ বাহিৰলৈ যায়। গতিকে আমিন গাৱত বহুত লগ আছে আৰু ট্ৰাক আছে। ইলিগেল বন্ধ কৰা হৈছে। তেখেতে শোণিত পুৰত জনজাতীয় সকলক উচ্ছেদ কৰা হৈছে বুলি কৈছে। দুই চাৰিটা কথা আছিল। মাননীয় সদস্য গৰাকী মোৰ ওচৰলৈ আহিছিল। এতিয়া শোণিতপুৰত জনজাতীয় লোক উচ্ছেদ কৰা নাই। ষ্টে অৰ্ডাৰ আছে। শোণিতপুৰৰ ছয়দুৱাৰত, ন দুৱাৰত, বালিপাৰাত উচ্ছেদৰ অৰ্ডাৰ নাই। টঙীয়া ভিলেজ আৰু বিভিন্ন গাওঁবিলাকৰ কথা কৈছে।

জনজাতি সকল বসবাস কৰা গাওঁবিলাকত যাতে জোৰ জুলুম নহয় আৰু ৰক্ষণা বেক্ষণ দিয়ে তাৰ কাৰণে চৰকাৰে চেষ্টা কৰিছে। এই কিছুদিন আগতে সদনত কৈছো যে ৰাজ্যখনত যিবিলাক ফৰেষ্ট ভিলেজ আছে, সেইবিলাকৰ উন্নয়ণৰ কাৰণে কিছু আচনি লৈছো। অসমত ৫৩৮ খন ফৰেষ্ট ভিলেজ আছে। এই ফৰেষ্ট ভিলেজবিলাকৰ উন্নয়ণৰ কাৰণে আচনি লৈছো। বেদখলৰ ক্ষেত্ৰত কথাটো স্বকীয়া হৈ আছে। সিদ্ধান্ত কৰা হৈছে যে ১৯৮০ চনৰ আগতে যিবিলাক লোকে বনাঞ্চলত বেদখল কৰিছে, সেইবিলাকক উচ্ছেদ কৰিবলৈ দিয়া নাই। এইটো আমাৰ মন্ত্ৰী সভাই সিদ্ধান্ত লৈছে আৰু বিভাগক জনাই দিছে। ১৯৮০ চনৰ পিছৰ বিলাকৰ উচ্ছেদ কৰিবলৈ দিয়া হৈছে। অসমত এতিয়া ৫৩৮ খন ফৰেষ্ট ভিলেজ আছে। এই ফৰেষ্ট ভিলেজবিলাকৰ বিভিন্ন সমস্যা আছে। ভালেমান বিধান সভাৰ সদস্যই মাজে সময়ে কৈ আছে যে আমাৰ এই ফৰেষ্ট ভিলেজবিলাকত থকা লোক সকলক সকলো উন্নয়ণ আচনিৰ পৰা বঞ্চিত কৰিছে—কাৰণ মাটিবিলাক তেওঁলোকৰ নামত নাই। আই, আৰ, ডি, পি আদি আচনিৰ সুবিধা নাপায়। এই ৫৩৮ খন ফৰেষ্ট ভিলেজত ২ কোটি ৬৪ লাখ টকাৰ আচনি গ্ৰহণ কৰিছে। এই টকা কিছুদিন আগতে বিধান সভাত পৰিপূৰক মঞ্জুৰীৰ দ্বাৰা পাছ কৰিছে। ইয়াত কমিউনিটি প্ৰজেক্ট আচনি লোৱা হৈছে। এই বছৰত ৩৫০ টা ৰিং ওৱেল, ১২০টা টিউব ওৱেল, ৫০ কিলোমিটাৰ ৰাস্তা, ১২০ কিলো মটাৰ পুৰণি ৰাস্তাৰ মেৰামতি, ১৫ টা ভেটাৰিনেৰী ভেক্সিনেচন চেণ্টাৰ, ১০টা নিউ হেল্থ চেণ্টাৰ, ২০ খন নতুন প্ৰাইমাৰী স্কুল, আগৰ দহখনৰ উন্নত কৰা, ইলেক্ট্ৰিফকেচন ২০ কিলোমিটাৰ কৰা হব। সেইদৰে ধানৰ ভঁৰালৰ ৫টা ইউনিট, ৮খন বজাৰ, ২৫টা গোবৰ গেচ প্লেন্ট কৰা হব। ক্ষুদ্ৰ জলসিঞ্চনৰ ক্ষেত্ৰত ৫টা ওৱাটাৰ পাম্প, ১৫টা ডিজেল পাম্প, ১০টা পাৱাৰ হাউচ, ৰিজাৰ্ভৰ ১০ টা আৰু ৩০টা কেনেলৰ ব্যৱস্থা কৰা হৈছে। এই খিনিৰে আমাৰ ৮ হাজাৰ ৫শ পৰিয়াল উপকৃত হব আৰু তেওঁলোকৰ কাৰণে ১২ লাখ মেণ্ডেজ জেনেৰেট কৰিম। ইয়াৰ পিছৰ কাম তেওঁলোকে নিজে কৰিব। সেই কাৰণে ১২লাখ মেণ্ডেজ ক্ৰিয়েট কৰি ৮হাজাৰ ৫শ পৰিয়াল উপকৃত হব। তেনেকৈ আমি আৰু ইন্দিভিজুৱেল আচনি ৯ হাজাৰ পৰিয়ালৰ কাৰণে লৈছো। সেইসকলৰ কাৰণে ইয়াৰ জৰিয়তে একলাখ ৫০

হাজাৰ কৰ্ম্ম দিবসৰ সৃষ্টি হব। তাৰোপৰি ৮৫০ টা পলট্ৰি ইউনিট, ২৯0টা ভাকৰ ইউনিট, ২৬0টা পিগাৰী ইউনিট আৰু ৩0জন লোকক ক্ৰাফটচ্‌মেন ট্ৰেইনিং দিয়াৰ ওপৰিও ৮শ জোৰা হালৰ গৰু দিয়া হব। ইয়াৰ বাহিৰেও তিনিটা ঘাণি, 80টা পাৰাৰ টিলাৰ, ১০১খন দোকান, ৩0টা নিটিং মেচিন, আৰু ১৫0টা কেচ গ্ৰাণ্ট দিয়া হব। তাৰোপৰি ১0জনক কাৰ্পেন্টৰী, ১১0টা বেম্ব ইউনিট, পাচটা ৰাইচ হলাৰ, ৫০টা ফিচাৰী, ৫৫0টা ওইভিং, ২৫0টা ফাৰ্ম্ম ফৰেষ্ট্ৰি, ৩৫০টা চিল্ক ইউনিট, ৩৫টা চেৰিকালচাৰ ইউনিট, ৫৫0টা এগ্ৰিকালচাৰেল ইম্পিউটাচ স্কিম, ২00টা চিলাই মেচিন, ৩০০টা বী কিপিং, দিয়াৰ বাবে আমি এই আচনিত লৈছো। ইয়াৰ বাবে ২কোটি ৬৪ লাখ টকা ধাৰ্য্য কৰা হৈছে।

অধ্যক্ষ মহোদয়, শ্ৰীবসুমতাৰী ডাঙৰীয়াই কোৱাৰ দৰে আমাৰ বনাঞ্চলত জনজাতিৰ বাবে বাঘ মেলি দিয়া নাই। এই লোক সকলক ৰক্ষনা বেক্ষন দিয়া হোৱা নাই বুলি কৈছে। এই সকল লোক বৃটিছৰ যুগৰে পৰা আছে আৰু প্ৰথমতে আমাৰ চৰকাৰৰ পৰাই এনে ধৰণৰ আচঁনিত উপকৃত হব। আগতে তেওঁলোকক চোৱা নাছিল যদিও এই চৰকাৰে তেওঁলোকক চাইছে। আমাৰ অসমত বিভিন্ন হাবিত থকা ৫৩৮খন গাৱত বহুতেত ৰাস্তা নাই, থকাৰ সুবিধা নাই, স্কুল নাই আৰু অন্যান্য বহুতো সুবিধাই নাই। সেই লোক সকলক আমি সকলো বিলাক সুবিধা দিয়াৰ ব্যৱস্থা কৰিছো। তাৰ বাবে আমাক খৰচ লাগিব ২কোটি ৬৪ লাখ টকা। এই খিনিতে মই কব বিচাৰিছো যে, জন-জাতি সকলৰ কাৰণেই যে আজি আমি এভিকচন কৰিবলৈ বিচাৰিছো সেইটো নহয়, ১৯৮0 চনৰ পিচৰ পৰা যি সকল লোক তাত আছে সেই লোক সকলকহে এভিকচন কৰা হব। গতিকে বনাঞ্চলত যিসকল লোক বে-আইনী ভাবে আছে, তেওঁলোকক এভিকচন কৰিব লাগিব। কাৰণ মাননীয় সদস্য সকলে কৈছে যে, বনাঞ্চলত গছ লগাব লাগে। নহলে আমি মাটি কৰ পৰা পাম ? তেখেতে যিটো উৰিষ্যা আৰু মধ্যপ্ৰদেশৰ উদাহৰণ দিছে আমাৰ আচনিৰ ২ কোটি ৬৪ লাখ টকাৰে ৫৩৮ খন গাৱত ভালভাবে খৰচ কৰিব পাৰিলে আমাৰ গাঁও বিলাকৰ অৱস্থাও উৰিষ্যা আৰু মধ্যপ্ৰদেশতকৈ বেছি উন্নত হব। বনৰীয়া জন্তুৰ কথা মাননীয়

সদস্য গৰাকীয়ে উল্লেখ কৰিছে। বনৰীয়া জন্তু নাইকীয়া হৈ গৈছে বুলি তেখেতে উল্লখ কৰিছে। বনৰীয়া জন্তু ক্ৰমে পৃথিবীতেই বিৰল হৈ পৰিছে। সেই বাবেই আমাৰ ৰাজ্যক কেন্দ্ৰীয় চৰকাৰে বনৰীয়া জন্তু ভালকৈ ৰাখিবৰ বাবে নিৰ্দ্দেশ দিছে। হাতী, গড়, আৰু অন্যান্য জন্তু আমি সংৰক্ষন কৰিব লাগিব আৰু কেইটামান কথা কৈছে সেইবিলাক মই পিচত কম। মাননীয় সদস্য গৰাকীয়ে ট্ৰাইবেল চাব প্লেনত চচিয়েল ফৰেষ্ট্ৰিৰ কাম হোৱা নাই বুলি কৈছে। অৱশ্যে এইটো কথা সত্য নহয়, যথেষ্টকাম কৰা হৈছে। এই বিলাক সম্পৰ্কে অপিনিয়ন দিফাৰ কৰে। টকা অন্য কামৰ বাবে খৰচ কৰা নাই। বনাঞ্চলৰ উন্নতিৰ বাবেই খৰচ কৰা হৈছে। আজি চচিয়েল ফৰেষ্টিৰ সম্পৰ্কে নানা ধৰণৰ আলোচনা হৈছে। মাননীয় সদস্য হেমেন দাস ডাঙৰীয়াই এই সম্পৰ্কত বহুতো কথাই কৈছে। চচিয়েল ফৰেষ্টিৰ সম্পৰ্কে আমি আপ্ৰাণ চেষ্টা চলাই আছো। আৰু আমাৰ ৰাজ্যখনে এই সম্পৰ্কে বহুতো অগ্ৰগতি লাভ কৰিছে। যদিও মাননীয় সদস্যই গছ ৰোৱা দেখা নাই বুলি কৈছে। আজি কেইদিনমানৰ আগতে এই বিধান সভাতে বনবিভাগৰ এটা কাট-মোচনৰ উত্তৰ দিওতে কৈছিলো যে, এই সম্পৰ্কে নানা অভিযোগ আছে আৰু সেই সম্পৰ্কে কেন্দ্ৰীয় চৰকাৰকো আপত্তি দৰ্শায়। অলপতে কেন্দ্ৰীয় চৰকাৰৰ এটা টিম আহিছিল আৰু চাইছিল। তেওঁলোকে এটা ৰিপৰ্ট দিছিল আৰু বিভাগীয় মন্ত্ৰী মহোদয়ে এটা ৰিপৰ্ট দিছিল। সেই ৰিপৰ্টটত আছিল যে, আমাৰ শতকৰা ৭৫ ভাগ গছেই আমাৰ জীয়াই আছে। যিবিলাক গছ আমি নতুনকৈ লগাইছিলো। আমাৰ ৰিপৰ্টত আছে যে, কেন্দ্ৰীয় চৰকাৰৰ টিমটোৱে আমাৰ সকলো বনাঞ্চল চাই গৈছে। কেন্দ্ৰীয় চৰকাৰৰ ৰিপৰ্টটলৈ চাই অসমত যোৱা তুবছৰে যিবিলাক গছ লগাইছে সেইবিলাকৰ শতকৰা ৭৫ ভাগ জীয়াই আছে। গুজৰাটত শতকৰা ২৫ ভাগ গছহে জীয়াই আছে। অসমত ১৯৮৩-৮৪ চনত ৩ কোটি ৬২ লাখ জোপা গছ ৰোৱা হৈছিল। আৰু এন, আৰ, ই, পিৰ জৰিয়তে ২৭ লাখ টকা খৰচ কৰা হৈছিল। আৰু ১৯৮৪-৮৫ চনত ১২ লাখ টকাৰ গছ লগোৱা হৈছিল। হয়তো এইবিলাক গছ ৰোপন এন, আৰ, ই, পিৰ জৰিয়তে হোৱা নাই। যিবিলাক অঞ্চলত ব্লক বা ৰাইজে সহায় কৰিছে সেইবিলাক অঞ্চলত গছ ৰোপন কৰা হৈছে। মাননীয় সদস্য মহম্মদ আলী ডাঙৰীয়াই

গোৱালপাৰাৰ বিষয়ে যি কেইটা কথা উৎপাদন কৰিছে সেই বিষয়ে মই খা-খবৰ কৰি ব্যৱস্থা গ্ৰহন কৰিম। শ্ৰীদাস ডাঙৰীয়াই ৯ হাজাৰ টকাৰ বিলৰ কথা উত্থাপন কৰিছে। সেই বিষয়ে তদন্ত কৰি হে উত্তৰ দিব পাৰিম। আমাৰ মাননীয় সদস্য সকলে গচ ৰোৱা সম্পৰ্কে নানা পৰামৰ্শ আগবঢ়াইছে। গচৰ ভেটি পৰখ কৰিব লাগে নে স্‌লপিং কৰিব লাগে আৰু কোনটো কৰিলে কম খৰচ হয় সেইটো পৰামৰ্শ দিছে। পি; ডব্লু ডি, বিভাগ, ৰেল বিভাগ, বি, এফ, চি বিভাগ, ইৰিগেচন বিভাগ ফৰেষ্ট বিভাগ আদিত দুৰ্নীতি হোৱাৰ কথা উল্লেখ কৰিছে।

অধ্যক্ষ মহোদয়, বন বিভাগে নিজে শিল বালি আন আন বিভাগক নিদিয়ে। নিয়ম মতে ৰেলেই হওক বা ফৰেষ্ট য়ে হওক বা ইৰিগেচনই হওক বা বি, এফ, চিয়েই হওক সেইবিলাকে ফৰেষ্ট বিভাগক দিমান্দ দিয়ে আৰু তাৰ বিপৰীতে টকা জমা দিব লাগে। ক্লিয়েৰেন্‌স দিয়াৰ পিচত শিল বালি নিয়ে। বন বিভাগে নিজে শিল বালি দিব নালাগে। টকা জমা দিয়াৰ পিচতহে শিল, বালি দিয়াৰ ব্যৱস্থা আছে। গুৱাহাটীত শিলৰ কোৱেৰী ২২ টা আছে। এইটো মই আগতেও কৈছো। মাননীয় সদস্য সকলে বিভাগীয় অপাৰেচনৰ কথা কৈছে। টেন্দাৰৰ জৰিয়তে মহল আৰু কোৱেৰী বিলাকক দিয়া হয়। এক্সটেনচনৰ বিষয়েও বহুতো মাননীয় সদস্যাই উল্লেখ কৰিছে। এই সম্পৰ্কে আমি সিদ্ধান্ত গ্ৰহন কৰিছো। অধ্যক্ষ মহোদয়, ফৰেষ্টৰ আইনত এটা অসুবিধা আছে। ফৰেষ্টৰ আইন মতে টেন্দাৰ কল কৰাৰ পিচত চেটেলমেন্ট দিয়ে আৰু তাৰ ১৫ দিনৰ পিচত এপিল কৰিলে অৰ্দাৰ দিব নালাগে। অটমেটিক ষ্টে হৈ যায়। টেন্দাৰ কল কৰাৰ পিচতেই চেটেলমেন্ট দিয়া হয় চেটেলমেন্‌ট দিয়াৰ ১৫ দিনৰ পিচত এপিল কৰিলে নিজৰ নিজৰ ভাগে ষ্টে কৰা হয়। তথাপি ইয়াতো যে কিছুমান অনিয়ম আছে সেইটো মই অস্বীকাৰ কৰিব নোৱাৰো।

অধ্যক্ষ মহোদয়, বহুতো মাননীয় সদস্যাই হাতীৰ উপদ্ৰপৰ কথা উল্লেখ কৰিছে। বহুতো অঞ্চলত হাতী আহি ঘৰ-দুৱাৰ ভাঙিছে, খেতি নষ্ট কৰিছে, মানুহ মাৰিছে আমাৰ বহুতো অসুবিধা হৈছে। আনহাতে ভাৰত চৰকাৰে স্পষ্টভাৱে নিৰ্দ্দেশ দিছে যে আমি এই বনৰীয়া জন্তু বিলাকক মাৰিব নালাগে। এই সম্পৰ্কত আমি কেন্দ্ৰীয় চৰকাৰৰ লগত যোগা-

যোগ কৰিছো আৰু আইন শিথিল কৰিবলৈ চেষ্টা কৰিম। কাচাৰৰ মাননীয় সদস্য লস্কৰ ডাঙৰীয়াই সীমান্তত থকা লোকসকলক চেটেলমেন্ট দিয়াৰ কথা উল্লেখ কৰিছে। ১৯৮০ চনৰ পৰা বা তাৰ আগৰে পৰা যিবিলাক মানুহ আছে তেওঁলোকক উচ্ছেদ কৰা নহয়। তেখেতে হাইলাকান্দি মহকুমাৰ এটা বন বিভাগৰ কথা উল্লেখ কৰিছে সেইটো আমি কৰি দিম। তেজপুৰৰ এভিকচন সম্পৰ্কে বহুখিনি কথা কৈছে। তেজপুৰৰ নগাওঁৰ মাজ কচুমৰা ৰিজাৰ্ভত এভিকচন সম্পৰ্কত নানা আপত্তি আমাৰ ওচৰলৈ আহিছে। এই সম্পৰ্কে আমাক নানা প্ৰতিনিধিৰ দলে লগ ধৰিছে। আৰু তেখেত সকলে এই সম্পৰ্কত আমাৰ ওচৰত প্ৰতিবেদন নিবেদন কৰিছে। এইবিলাক বিষয় মই ভালকৈ চাইছো। এই সম্পৰ্কত মই ৰিপোৰ্টটিও আনিছো। অৱশ্যে এইবিলাক মানুহ পুৰণা মানুহ নহয়। এদিন মোৰ ওচৰলৈ আমাৰ ৰাজ্যিক মন্ত্ৰী আৰু আমাৰ বিধায়ক কেইবাজনো গৈছিল। তেখেতসকলে ৰিপোৰ্টটি দিয়াৰ দিনা সেই লোক সকলৰ দৰ্খাস্ত লৈ মোৰ ওচৰলৈ কেইবাজনো ৰাইজৰ প্ৰতিনিধি আহিছিল। মই আমাৰ মন্ত্ৰীৰ ৰিপোৰ্টটি পাইছো আৰু তাত এভিকচনৰ বিৱৰণ আছে। নিজস্ব ভাবে যিখন স্মাৰক পত্ৰ আনিছিল তাত লিখিছিল যে, তেওঁলোক সেই অঞ্চলত কেইমাহ মানৰ আগৰে পৰা বাহিছিল। যিসকল লোক ১৯৬০, ১৯৭২, ১৯৮০ চনত আহিছে সেইসকল লোক এভিকচনত এফেকটেদ হোৱা নাই। ১৯৮০ চনৰ পিচত অহা সকলৰ ওপৰতহে এভিকচন কৰা হৈছে। সেই অঞ্চলটো এবাৰ এভিকচন কৰা হৈছিল। আগতে বহা লোক সকলৰ ওপৰত বিষয়া সকলে উচ্ছেদ কৰা নাই। এই অঞ্চলবিলাক চাবৰ বাবে মেজিষ্ট্ৰেট শ্ৰীজি, চি, সন্দিকৈ, এ, চি, এ শ্ৰীএচ, আহমেদ, এ, চি, এ, শ্ৰীএম, কে, গগৈ, ৰেঞ্জ অফিচাৰ শ্ৰীএ, কে, আলম গৈ সেই অঞ্চলটো অপাৰেচন কৰিছিলগৈ। তথাপিও কৈছো যে, এভিকচন কৰাৰ অধিকাৰ চৰকাৰৰ আছে। সদনৰ সদস্য সকলে কোৱাৰ দৰে কাৰোবাক ৰেপ বা কিলিং কৰা নাই। যদি সেইটো কৰিছে তেনেহলে শাস্তি দিয়াৰ ব্যৱস্থা কৰা হব।

মাননীয় সদস্য শ্ৰীলস্কৰ চাহাবে শ্ৰীবৰপূজাৰি নামৰ যিজন লৰাৰ কথা কৈছে ট্ৰেইনিং দিয়াৰ সম্পৰ্কত সেইটো সচাঁ কথা। এইটোৰ ব্যৱস্থা কৰা হব।

ফৰেষ্ট বেটেলিয়ানৰ সম্পৰ্কত কেইবাজনো মাননীয় সদস্যাই কৈ গৈছে আৰু কিছু অভিযোগো আনিছে। আমি ফৰেষ্ট ৰক্ষা কৰিবৰ কাৰণে এটা বেটেলিয়ানৰ বৰকৈ অবশ্যকতা অনুভৱ কৰাৰ কাৰণেই এই বেটেলিয়নটো খুলিবলগীয়া হৈছো। আগৰ দৰে হোম গাৰ্ড দি ফৰেষ্ট ৰক্ষা কৰা সম্ভৱ নহয়। এই বেটেলিয়নত এক হাজাৰ লৰা নিয়োগ কৰা হব। চৰকাৰে এই বেটেলিয়নত লৰা নিয়োগ কৰিবৰ কাৰণে এখন ৫ জনীয়া নিয়োগ কমিটি কৰি দিছে। চেয়াৰমেন হৈছে শ্ৰীআৰ হাজৰিকা আই এফ এচ আৰু মেম্বাৰ হৈছে শ্ৰীআব্দুল হাই, শ্ৰী এন চি ফুকন, শ্ৰীজিতু দাস, আৰু শ্ৰী এন কে শৰ্মা। এই ৫ জনীয়া কমিটিখনে ৮ হাজাৰ ৬১ জনৰ ইনটাৰভিউ লৈ তাৰে ১৫০ জনক নিয়োগৰ ব্যৱস্থা কৰিছে। এই বেটেলিয়নৰ নিযুক্তিৰ সম্পৰ্কত দৈনিক অসম, জনভূমি আৰু চেন্টিনেল কাকতত যোৱা ডিচেম্বৰ মাহৰ শেষ ভাগত এডৰ্ভাটাইজ কৰা হৈছিল। আৰু সেই মতেই ১৬ হাজাৰ ৬০০ খন দৰ্খাস্ত পৰিছিল। কাচাৰৰ কাৰণে একো কৰা হোৱা নাই বুলি কলে ভুল কৰা হব। তথাপি আমি আগলৈ যিটো ইনটাৰভিউ পাতিম সেইটো টাস্ক ফৰ্চৰ দৰে থানাই থানাই লোৱাৰ ব্যৱস্থা কৰিম যাতে সকলো ঠাইৰ পৰাই লৰাই ইন্টাৰভিউ দিবলৈ সুবিধা পায় আৰু অসমৰ সকলো অঞ্চলৰ লৰাই ইয়াত সুবিধা পাব পাৰে। নৰ্থকামৰূপ ডিভিজিয়নত এন আৰ পিৰ যিটো কথা কৈছে সেইটো বন্ধ কৰা হব। বৰমাৰ যিটো কথা কৈছে সেইটো বন্ধ কৰা হব। বেৰ সম্পৰ্কে ঠাই বিশেষে প্ৰাৰ্থক্য আছে। শ্ৰীমথুৰা ডেকাই জুৰ কথা যিটো কৈছে সেই সম্পৰ্কত মই জনাও যে এতিয়া জুৰ উন্নতি হৈছে। এতিয়া উপাৰ্জণ ভাল ভাল হৈছে। ১৯৮৩ ৮৪ চনত ইয়াৰ উপাৰ্জণ আছিল ৪ লাখ ৩১ হাজাৰ ৩০৭ টকা কিন্তু এতিয়া তাৰ দুগুন হৈছে।

গুৱাহাটীত ২২ টা শিলৰ কোৱাৰি আছে। তাৰে ৩ টা ৰেলওৱে বন্ধ কৰি ৰাখিছে। বাকী কেইটা চলি আছে। কিমান শিল বিক্ৰী হৈছে সেইটো মোৰ হাতত নাই। আনিব লাগিব।

শ্ৰীপাটিৰে কৈছে যে এই বিভাগত উপাৰ্জণ বঢ়া নাই। কিন্তু কথাটো সচাঁ নহয়। আমাৰ খৰচৰ তুলনাত উপাৰ্জণ বহুতখিনি বাঢ়িছে। ১৯৮০-৮১ চনত উপাৰ্জণ আছিল ১২ কোটি ২৭ লাখ ৮৩ হাজাৰ টকা।

কিন্তু এতিয়া সেই টকা বাঢ়িগৈ ২৪ কোটি হৈছেগৈ । অসমত ৬০ ভাগ নতুন ওৱৰ্কিং প্লেন খোলা হৈছে । এতিয়া নতুনকৈ তেজপুৰ, লক্ষীমপুৰত টেৰিটৰিয়েল প্লেন ডিভিজিয়ন হব ।

গছৰ পুলি কাটি পেলোৱাৰ সম্পৰ্কত কৈছে। অৱশ্যে কোঁত-য়াবা কেতিয়াবা গছৰ পুলি কাটি পেলাবলগীয়া হয়। এডোখৰ ঠাইত গছৰ পুলি ৰোওতে গছৰ কোনোবা পুলি মৰি যায় বুলি ঘনাই ৰোৱা হয় । যেতিয়া পিচত সেই সকলো বিলাক পুলিয়েই বাচি থাকে তেতিয়া যিমান আতৰত গছ ৰাখিবলাগে সিমান আতৰত ৰাখি বাকী বিলাক পুলি কাটি পেলোৱা হয়। লক্ষীমপুৰৰ যিটো কথা কৈছে সেইটো আনিব লাগিব । ইয়াৰ কাৰণে সময় লাগিব । সংখ্যাটো আনিহে উত্তৰ দিব পাৰিম ।

সামাজিক বনানীকৰণৰ ক্ষেত্ৰত মই উত্তৰ দিছোয়েই । সামাজিক বনানীকৰণৰ ক্ষেত্ৰত চৰকাৰে নিজে কৰাৰ উপৰিও ৰাইডকো কৰিবলৈ দিছো। ৰয়েলিটি কমা নাই এতিয়া ২ গুনৰ ঠাইত ৪ গুন হৈছেগৈ । আমাৰ ৰাজ্য-খনত বনাঞ্চল কেন্দ্ৰীয় চৰকাৰৰ যিটো নৰ্ম আছে শতকৰা চাৰে ৩৩ ভাগ সেই মতে নাই যদিও নেচনেল প্লেন মতেই শতকৰা ২৪ ভাগ আছে। হিলত শতকৰা ৩০ ভাগ আছে । আমাৰ ইয়াত কমা নাই ।

অধ্যক্ষ ডাঙৰীয়া, আমাৰ মাননীয় সদস্য মহম্মদ আলি ডাঙৰীয়াই মেঘালয় আৰু গোৱালপাৰাৰ মাজত কাঠৰ চোৰাং কাৰবাৰৰ কথা উল্লেখ কৰিছে । কাঠৰ চোৰাং কাৰবাৰটো নতুন নহয়, অসমৰ কেইবাঠাইতো কাঠৰ চোৰাং কাৰবাৰৰ খবৰ চৰকাৰে পাই আছে। এই চোৰাং কাৰবাৰ বন্ধ কৰিবলৈ আমি চেষ্টা চলাই আছো । এইখিনিতে মই এটা কথা কওঁ যে অলপতে শিৱসাগৰৰ চৰাইদেউ মহকুমাৰ অন্তৰ্গত অভয়পুৰ বনাঞ্চলৰ ৫ জন কৰ্ম্মী আৰু বন বিষয়া জনৰ মৃত্যু হৈছিল । এই ঘটনাটো দেখাত সকলোৱে ধাৰণা কৰে যে এই মানুহ কেইজনক নগালেণ্ডৰ মানুহে হত্যা কৰিছে-সীমাৰ কাৰণে। কিন্তু প্ৰকৃততে সেইটো নহয়। এই ঘটনাটো তদন্ত কৰি দেখা গল যে ইয়াত দুজন অসমৰ ঠিকাদাৰ জড়িত আছে। অভয়পুৰ বনাঞ্চলত নগালেণ্ডৰ ফালে থকা সকলো কাঠ এই ঠিকাদাৰ সকলে কাটি শেষ কৰিলে। যেতিয়া নগালেণ্ডৰ ফালে কাঠ কটা শেষ হল তেতিয়া এই ঠিকাদাৰ সকলে

অসমৰ ফালৰ কাঠ কাটি নগালেণ্ডলৈ লৈ যায় আৰু তাত নি নগালেণ্ডৰ চিল মাৰি আকৌ অসমলৈ আনি বিক্ৰি কৰে। এই ঘটনা যেতিয়া আমাৰ বন বিষয়াই বাধা দিবলৈ যায় তেতিয়া তেওঁলোকক হত্যা কৰা হয়। এনে ঘটনা অসমৰ চাৰিওফালে চলি থকা আমাৰ পৰিলক্ষিত হৈছে। এইবোৰ বন্ধ কৰিবলৈ আমি চেষ্টা কৰি আছো আৰু মোৰ বিশ্বাস আমি এইবোৰ সম্পূৰ্ণ বন্ধ কৰিব পাৰিম।

আমাৰ কেইবাজনো সদস্যাই মাষ্টাৰ ৰোল শ্ৰমিকৰ কথা উল্লেখ কৰিছে। আমি ইতিমধ্যে এই সকল শ্ৰমিকক ৰেগুলাৰ কৰাৰ ব্যৱস্থা কৰিছো আৰু পাৰ্য্যমানে তেওঁলোকক ৰেগুলাৰ কৰাৰ ব্যৱস্থা হাতত লম। দুজনমান সদস্যই বনাঞ্চলৰ মাজেৰে এম' এন, পি ৰাস্তাৰ কথা উল্লেখ কৰিছে। আমি সকলো বনাঞ্চলৰ মাজেৰে ৰাস্তা দিয়া টান হয়। এই কথাটো আমি তদন্ত কৰি চাম।

অধ্যক্ষ ডাঙৰীয়া, আমি ১৯৮৩-৮৪ চনত ৪২ লাখ ৫ হাজাৰ গছপুলি বিনামূলীয়াকৈ বিতৰণ কৰিছিলো। এই বছৰ ৭০ লাখ পুলি বিনা-মূলীয়াকৈ বিতৰণ কৰা হৈছে।

মাননীয় সদস্য শ্ৰীমথুৰা ডেকাই বন বিভাগৰ ওপৰত চিনেমা কৰাৰ কথা উল্লেখ কৰিছে। তেখেতে শুনি ভাল পাব যে আমি ইতিমধ্যে দুখন চিনেমা কৰিবলৈ লৈছো—এখন হৈছে আমাৰ বনবিভাগৰ গছ-গছনিৰ ওপৰত আৰু অন্যখন হৈছে বনৰীয়া জীৱ জন্তুৰ ওপৰত। এই দুয়োখন চিনেমা মে মাহৰ ভিতৰত সম্পূৰ্ণ হব বুলি আশা কৰা হৈছে আৰু ইয়াত প্ৰায় ২ লাখ ৫০ হাজাৰ টকা খৰচ পৰিব। ইয়াৰ ওপৰিও আমি ৰাষ্ট্ৰীয় পথৰ কাষত বিশেষকৈ জখলাবন্ধা, ধৰমতুল, কহৰা আৰু যোৰহাটত একোখনকৈ সেউজী উদ্যান পতাৰ ব্যৱস্থা কৰিছো। তেখেতে এজন ডি, এফ, অৰ বিৰুদ্ধে তদন্ত কৰাৰ কথা কৈছে। অধ্যক্ষ ডাঙৰীয়া, তেখেতে কোৱা এই বিষয়া জনৰ বিৰুদ্ধে ইতিমধ্যে এটা পৰ্য্যায়ৰ তদন্ত শেষ হৈছে, বাকীখিনি তদন্ত শেষ হলেই আমি ব্যৱস্থা লব পাৰিম।

অধ্যক্ষ ডাঙৰীয়া, আমাৰ মাননীয়া সদস্যা শ্ৰীমতী মৃদুলা চহৰীয়াই হাতীৰ উপদ্ৰৱৰ কথা কৈছে আৰু ইয়াৰ অত্যাচৰ ৰোধ কৰিবলৈ কৈছে।

এই বিষয়টো লৈ আমি কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি আছো আৰু তেওঁলোকৰ পৰা অনুমতি পালেই হাতীৰ অত্যাচাৰৰ ব্যৱস্থা লব পৰা হব।

মাননীয় সদস্য শ্ৰীচিলভিয়াচ কন্দপানে যি কেইটা পৰামৰ্শ দিছিল মই প্ৰায় আটাইকেইটা কথাৰেই ইতিমধ্যে উল্লেখ কৰিছো। তেখেতে এটা কথা উল্লেখ কৰিছে যে এক্স টিগাৰ্ডৰ মানুহখিনিয়ে বন বিভাগত চাকৰি পোৱাত অগ্ৰাধিকাৰ দিয়াৰ কথা কৈছে। এই সকল লোকে চাকৰি পোৱাৰ কাৰণে আমি চেষ্টা কৰিম। তেখেতে মাজবাটত বনৰীয়া জন্তুৰ সংখ্যা বৃদ্ধি পোৱালৈ লক্ষ কৰি তাক সংৰক্ষণৰ কথা উল্লেখ কৰিছে। এইটো অকল মাজবাটতেই নহয়, আমাৰ প্ৰায়বোৰ বনাঞ্চলতে জীৱ জন্তুৰ সংখ্যা বৃদ্ধি হৈ আহিছে। ইয়াৰ একমাত্ৰ কাৰণ, আমাৰ ওচৰ চুবুৰীয়া ৰাজ্যবোৰত গছ-গছনি নাইকিয়া হোৱাৰ ফলত আমাৰ বনাঞ্চলত ইয়াৰ সংখ্যা বৃদ্ধি হৈছে। এই জীৱ জন্তুবোৰ সংৰক্ষণৰ কাৰণে আমি ব্যৱস্থা হাতত লম।

শ্ৰীৰমেশ ফুকন ডাঙৰীয়াই চেণ্ড মহলৰ কথা উত্থাপন কৰিছে। তেখেতে দিয়া পৰামৰ্শ কেইটা আমি চিন্তা কৰি ব্যৱস্থা হাতত লম। সামাজিক বনানিকৰণৰ কাৰণে আমি কেইটামান নতুন ডিভিজন খোলাৰ ব্যৱস্থা কৰিছো। সেইকেইটা হল—লক্ষীমপুৰ, মঙ্গলদৈ, বৰপেটা, কোকোৰাঝাৰ, ধুবুৰী, নগাওঁ, শিৱসাগৰ, শিলচৰ আৰু কামৰূপ। ইয়াৰ আগেয়ে আমাৰ ডিভিজন আছিল—গুৱাহাটী, গোৱালপাৰা, বিশ্বনাথ, ডিব্ৰুগড়, গোলাঘাট আৰু নলবাৰী। ইয়াৰ উপৰিও দুটা নতুন চাৰ্কেল খোলাৰ ব্যৱস্থা কৰা হৈছে। এটা হব নগাওঁত আৰু আনটো হব বঙাইগাওঁত। ইয়াত প্ৰত্যেকতে একোজনকৈ চি, এফ থাকিব।

অধ্যক্ষ মহোদয়, আমাৰ কাঠ কটা সম্পৰ্কে নানা অভিযোগ আহি আছে। এই সম্পৰ্কে মই ইয়াৰ আগতেও ৰাজ্যপালৰ ভাষণৰ ওপৰত চলা আলোচনা সময়ত বহুখিনি কথাই ব্যক্ত কৰিছো। আমাৰ ৰাজ্যখনত মুঠতে ২ লাখ চি, এম কাঠ কটোৱা হয়। ১৯৭৮ চনলৈকে এই কাঠ কটাৰ দায়িত্ব আছিল প্ৰাইভেট কণ্ট্ৰেক্টৰৰ। কিন্তু ১৯৭৮ চনৰ পাচত কোনো ব্যক্তি বিশেষক কাট কাটিবলৈ দিয়া হোৱা নাই। এতিয়া যিবিলাক কাঠ

কটা হয় সেইবিলাক আমাৰ বন বিভাগেই কটাৰ ব্যৱস্থা কৰিছে। সেয়ে মাননীয় সদস্য সকলক মই দৃঢ় ভাবে কব খুজিছো যে যিয়ে যি ধৰণে নকওক লাগে ১৯৭৮ চনৰ পিচত অসমৰ কোনো বনাঞ্চলতে ব্যক্তি বিশেষৰ দ্বাৰা কাঠ কটোৱা নাই। অধ্যক্ষ মহোদয়, আমি এই বছৰ অৰ্থাৎ ১৯৮৪-৮৫ চনত ২ লাখ ৯২ চি, এম কাঠ কটাৰ আচনি আছে। এই কাঠখিনি এনে ধৰণে বিতৰণ কৰা হব—আমাৰ আগৰ চুক্তিমতে অসমত যি কেইটা প্লাইউদড মিল আছে তেওঁলোকক দিব লাগিব ৫৬ হাজাৰ ৬০০ চি, এম। ধুবুৰীৰ মেচ ফেক্টৰীক দিব লাগিব ১৫ হাজাৰ চি, এম। বিজনীৰ কাঠৰ মিলক দিব লাগিব ৩ হাজাৰ চি: এম। ইয়াৰ ওপৰিও আৰু ২ হাজাৰ চি, এম অন্যান্য কাঠৰ মিলক দিবলৈ আগতে বন্দবস্ত হৈ আছে। এই-খিনি যোৱাৰ পিচত মই আজিও বিভাগক কৈছো যে এই বছৰৰ পৰা টেণ্ডাৰ কল কৰিহে লগ দিয়াৰ ব্যৱস্থা কৰা হব।

অধ্যক্ষ মহোদয়, মই নিৰ্দ্দেশ দিছো বাকী যি খিনি কাঠ থাকিব সেইখিনি টেনদাৰ কল কৰি দিব লাগিব। ইয়াৰ যিখিনি বাকী থাকিব সেইখিনি শতকৰা ৭৫ ভাগ দিব লাগিব কাঠৰ মিল বিলাকক। অসমত ৩৩৮ টা কাঠৰ মিল আছে। বিজনীতো কাঠৰ মিল আছে। গতিকে এই তুই লক্ষ চি, এম, মিল বিলাকক ভগাই দিব লাগিব। তাৰে ৫৬ হেজাৰ চি, এম, কাঠ প্লাইউড কাৰখানা, ১৫ হেজাৰ চি, এম, ধুবুৰী জুইশলা কাৰ-খানা, ৩ হেজাৰ চি, এম, বিজনীৰ মিল আৰু তুটা কাৰখানাক দিব লাগিব। বাকী থকা কাঠখিনিৰ শতকৰা ৭৫ ভাগ দিব লাগিব ৰাজ্যৰ ৩৩৮ টা শ্ব মিলক। বাকী ২৫ শতাংশ কাঠহে ব্যক্তি বিশেষক টেনদাৰ কলৰ বাবে নিৰ্দ্দেশ দিয়া হৈছে। অসমত ২ হেজাৰ কাঠৰ মিল আছে। যি কাঠ কাটিব চুক্তি মতে বিজনীৰ কাঠৰ মিল, ধুবুৰীৰ মেছ ফেক্টৰী আৰু প্লাইউদ কাৰখানাক ৭৫ ভাগ দিব লাগিব। বাকী ২৫ ভাগ ব্যক্তি বিশেষৰ বাবে থাকিব। কিছুমান স্কুল ঘৰ নাম ঘৰ আদিৰ কাৰণে কাঠ কটা বন্ধ কৰি দিয়া হৈছে। কাৰণ তাত তুৰ্নীতি চলিছে। এই বিভাগত যে তুৰ্নীতি নাই সেইটো কোৱা নাই। সেই তুৰ্নীতি জনমানসত দেখিব লাগিব। এই স্কুলঘৰ, নামঘৰৰ ক্ষেত্ৰত এইটো বন্ধ কৰিব লাগিব। আগতে যি হল হল, এতিয়া হব নালাগিব। চুক্তি মতে এতিয়া টেনদাৰ কল হব লাগিব। সেইহে মই সদনত কৈছো

আপোনালোকে যেতিয়া ইয়াৰ ব্যতিক্রম দেখা পায়, তেতিয়া মোক জনাব। মই তাৰ কাৰণে ব্যৱস্থা লম। দ্বিতীয়তে এটা কথা কব খোজো, গছ কটা সম্পৰ্কে কেতবোৰ বিধি আছে। সেইখিনিত যদি ব্যতিক্রম হৈ যায়, তেতিয়া আপোনালোকে জনাই দিব লাগিব। কিছুমান অপপ্রচাৰ কাগজৰ জৰিয়তে দিনে নিশাই কৰি আছে। এই বিষয়ে মই কব খোজো যে এটা কমিটি আছে। তাক ওৱৰ্কিং কমিটি বুলি কোৱা হয়। এই কমিটিত চি. এফ. আৰু দি. এফ. ও থাকে। তেওঁলোকে অসমক চাৰি ভাগ কৰি লৈছে। চি এফ, আৰু দি. এফ, ও, ই কোন বিলাক গছ কাটিব পাৰি তাক চাব লাগে। হলং, মেকাই গছ বিলাক কাটিব হলে কমেও ৭০ ফুট ওখ অৰু ইয়াৰ বয়স ৮৪ বছৰৰ ওপৰ হব লাগে। শাল গছ মুল গছৰ ভাগ দুটা। এটা ফিজিকেল মিচিউৰিটি আৰু কমাৰ্চিয়েল মিচিউৰিটি। ফিজিকেল মিচিউৰিটিত গছৰ বেৰ বেছি হয়, অৱশ্যে ঠাই বিশেষে বেৰ কমও হয়। হলং গছ সাত ফুট আৰু বাকী বিলাক ৬ ফুটৰ পৰা ৭ ফুটলৈ কটাৰ নিৰ্দেশ দিব লাগে। চেগুন গছ কামৰূপত বেছি আছে। ইয়াৰ বয়স ১ শ বছৰৰও ওপৰ পোৱা যায় আৰু নগাওঁ জিলাতো ১ শ বছৰৰ ওপৰ পোৱা যায়। মোক কৈছে যে কিছুমান গছ থিনিং প্লেন মতে বঢ়াব লাগে। মাজে মাজে কিছুমান গছ কাটিব লাগে, সেই গছবিলাক ১০ বছৰৰ ভিতৰত হব লাগিব। অধ্যক্ষ মহোদয়, আমি আৰু এখন স্কীম লৈছো— বাহ গছ ৰোৱাৰ কাৰণে। এই আঁচনিখন এই বছৰতে ৰূপায়িত কৰিব বিচাৰিছো। এই আঁচনিত ১ কোটি ২৪ লাখ টকা বেংকৰ পৰা ঋণ লোৱা হব আৰু চাবছিদি ৪৭ লাখ টকা হব। যদি কোনোবাই ১ বিঘা মাটিত বাহঁ গছ ৰোৱে তেতিয়া ঋণ ১২ শ টকা পাব আৰু চাবছিদি ৬ শ টকা পাব। ১ বিঘাৰ পৰা ১ হেক্টৰ মাটিত বাহঁ ৰোলে চাবছিদি ২ হেজাৰ আৰু বেংকৰ পৰা ঋণ ৪ হেজাৰ টকা পাব। এক হেক্টৰ মাটিত বাহঁ ৰোলে ৬ হেজাৰ টকা পাব। এই আঁচনিত জনজাতি সকলে চাবছিদি ৩ হেজাৰ আৰু বেংকৰ পৰা ১১ হেজাৰ ঋণ পাব। অধ্যক্ষ মহোদয়, কেবাটাও পেপাৰ মিল হৈছে। মোৰ বিশ্বাস অসমৰ মানুহে এই বাহঁ গছৰ দ্বাৰাই কিছু টকা উপাৰ্যন কৰিব পাৰিব। এইখন আঁচনিৰে অসমৰ ৰাইজক উপকৃত কৰিব পাৰিম।

এতিয়া আমাৰ বাহ ৰুৱাৰ প্ৰয়োজন হৈছে। অসমত কেবাটাওঁ

পেপাৰ মিল হৈছে। মোৰ বিশ্বাস অসমৰ ৰাইজে বাহ কই ভাল পাব। বাহ কই আমাৰ বহুত গৰীব লোকে নিশ্চয় কিছু টকা উপাৰ্জন কৰিব পাৰিব। আৰু এই দুখীয়া ৰাইজৰ উপকাৰৰ কাৰনেই এই বাহ কৰা আচনি লোৱা হৈছে মাননীয় সদস্য সকলে কাঠৰ মিলৰ কথা কৈছে। এই কাঠৰ মিল সম্পৰ্কে নানা কথা আছে। কাঠৰ মিলৰ সংখ্যা ১৯৮৩ চনত ৩১৮টা আছিল। এই বছৰ ২৪৭টালৈ কমিছে। এইক্ষেত্ৰত এটা বিশেষ ব্যৱসায় চক্ৰ চলি আছে। তথাপিও আমি যথেষ্ঠ কাঠৰ মিলৰ সংখ্যা কমাব পাৰিছো। অধ্যক্ষ ডাঙৰীয়া মোৰ বোধেৰে মই প্ৰায়বিলাক মাননীয় সদস্যই উংথাপন কৰা প্ৰশ্নবিলাকৰ উত্তৰ দিব পাৰিছো আৰু সেই কাৰনে বিৰোধী পক্ষৰ মাননীয় সদস্য সকলে নিশ্চয় এতিয়া কৰ্ত্তন প্ৰস্তাৱটো উঠাই লব। বহুত কথাই আছে যিবিলাকৰ দ্বাৰা আমি এই বিভাগৰ অৰ্থাৎ বনজ সম্পদৰ পৰা উৎপাদন বঢ়াব লাগিব তাৰ কাৰনে কামো কৰিব লাগিব। আমাৰ যুগ যুগ ধৰি কিছুমান বালিমহল ফিচাৰী মহল কাৰয়ে খাই আছে। মই কৈছোৱে ই ফুটা আঠুৱাৰ নিচিনা। তথাপি ইয়াৰ এটা সুস্থৰ ব্যৱস্থা কৰিব পাৰিলে এই বিভাগৰ উন্নতি নিশ্চয় হব।

মই মাননীয় সদস্য সকলক এতিয়া কৰ্ত্তন প্ৰস্তাৱটো উঠাই লবলৈ অনুৰোধ কৰিলো।

শ্ৰীহেমেন দাস :— আমিও এই বিভাগটোক আন্তৰিকতাৰে লৈছো আৰু লৈছো কাৰনেই দুই এটা কথাৰ উংথাপন কৰিছো। মই কিন্তু শতকৰা ৭৫ ভাগ গছ বছা বুলি কলে পতিয়ন নাযাওঁ। আপুন জালুকবাৰীৰ পৰা মানিক পুৰলৈ যাওঁক তেতিয়া দেখিব। আনহাতে মানকপুৰত যিটো ৱেষ্টাৰ্ন এফোৰেষ্টচন ডিভিজন আছে তেওঁলোকে ১৯৮২-৮৩ আৰু ১৯৮৩-৮৪ চনত কিমান গছ কইছে এই কথাটো চাব লাগে আৰু দৰ্কাৰ হলে তেখেতে এইটো ভিজিলেঞ্চ চেলত দি তদন্ত কৰিব লাগে, এইটো মোৰ অনুৰোধ।

আনহাতে আৰু এটা কথাৰ স্পষ্টিকৰন বিছাৰিছো আমাৰ যিবিলাক ফৰেষ্ট ভিলেজ আছে সেইবিলাকত নানান ৰকমৰ উন্নয়ন-মূলক কাৰ্য্যসূচী লোৱা বুলি কৈছে তাৰ কাৰনে ধন্যবাদ দিছো। কিন্তু ১৯৭৩ চনতে .. নং চিঠিযোগে জনাইছিল যে ফৰেষ্ট ভিলেজ বিলাক ৰেভিনিউ ভিলেজলৈ কনভাৰ্ট

কৰা হব, এইখন সচিবৰ চিঠি। সেই বিষয়ে জনাব নেকি ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) :— শতকৰাৰ ভিতৰত শতকৰাই কৰা হৈছে আৰু বাচিছেও। তেখেতে যদি গুৱাহাটীৰ পৰা নগাওঁলৈ যায় বা গুৱাহাটীৰ পৰা তেজপুৰলৈ যায় তেতিয়া নিশ্চয় দেখিব।

শ্ৰীহেমেন দাস :— এইযে এফোৰেষ্টেচন ডিভিজন তাত কিমান মাটিত কিমান গছ ৰুলে সেইটো ডিভিলেঞ্চৰ দ্বাৰা পৰীক্ষা কৰি চাব নেকি ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) :— তেখেতে কৈছে যেতিয়া তদন্ত কৰি চাম কিন্তু ভিজিলেঞ্চৰ কথা কব নালাগে সকলো কথাকে ভিজিলেঞ্চত দিলে মূল্য নাইকীয়া হব। ৰেভিনিউ ভিলেজলৈ ৰূপান্তৰ কৰা কথা কৈছে। তাত অসুবিধাও আছে। আমাৰ যিটো জোনাই মহকুমা তাত ২২২ খন পট্টা আছে আৰু গোটেই মহকুমাটোৱে ফৰেষ্ট ভিলেজত পৰে। আমাৰ যিখন দৈয়াং ৰিজাৰ্ভ আছে। তাত ১৭ হাজাৰ ভোটাৰেই আছে। ১৯৫০ চনৰ পৰা মুকলি হৈ আছে। কিন্তু আমাৰ উপায় নাই কেন্দ্ৰীয় চৰকাৰে ফৰেষ্ট লেণ্ডত হাত দিব নিদিয়ে। মই জানো ফৰেষ্ট ৰিজাৰ্ভৰ নামত মেপ আছে কিন্তু ফৰেষ্ট হলে নাই। কেন্দ্ৰীয় চৰকাৰক বহুবাৰ জনাইছো। জনতা চৰকাৰ থাকোতেটো দৈয়াং ৰিজাৰ ওপৰত কথাছবিকে উলিয়াব বিছাৰি-ছিলে। ঠিকো হৈছিল ভাগ্যে চৰকাৰটো পৰি গ'ল। গতিকে এই ৰিজাৰ্ভ বিলাকত বসবাস কৰা লোক সকলৰ উন্নয়নৰ কাৰনে ২ কোটি টকা ধাৰ্য্য কৰা হৈছে। মই আশা কৰো মাননীয় সদস্য সকলে এতিয়া নিশ্চয় সন্তুষ্টি লাভ কৰি কৰ্ত্তন প্ৰস্তাৱটো উঠাই লব।

শ্ৰীঅলিত চন্দ্ৰ বড়ো :— এই এটা স্পষ্টিকৰণ বিছাৰিছো এইযে ১৮৩ ঘৰ মানুহক উচ্ছেদ কৰা হৈছে ১৬—৩ ৮৫ত। আমি দিএফওক ধৰিছিলো। এতিয়াও ৩১ জনক এৰেষ্ট কৰি জেল হাজোতত ৰাখিছে এই বিষয়ে মুখ্য মন্ত্ৰী মহোদয়ে জনাব নে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) :— সেইটো তদন্ত কৰি চাম। মই দেখিছো বড়ো ডাঙৰীয়াৰ কাম কৰিবই লাগিব. যেতিয়াই লগ পায় কাগজ দিয়ে।

শ্ৰীমথুৰা ডেকা :— মই এটা কথাৰ স্পষ্টিকৰণ বিছাৰিছো, এইযে আমিন

গাওঁৰ ওচৰত বনস্পতি প্লেণ্ট আছে তাৰ ওচৰত যিটো চ মিল আছে তেখেতে ভাষণত কৈছিল যে চ মিল বিলাকক পাৰ্মিট বন্ধ কৰি দিছে, তেওঁলোকে ক'ত লগ বিলাক পালে একেবাৰে নেচনেল হাইৱেৰ ওচৰতে ডাঙৰ ডাঙৰ লগ পেলাই ৰাষ্টাকে বন্ধ কৰি ৰাখে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) :— ছ মিল চলাবই লাগিব। এগ্ৰিমেণ্টমতে টেণ্ডাৰ দিব লাগে। চ মিল চলাবৰ কাৰনে এগ্ৰিমেণ্টমতে যিখিনি কাঠ তেওঁলোকে পায় আৰু যদি তাৰ কাৰনে ট্ৰেণ্ডাৰ দিয়ে হায়েষ্ট বিদ হলে কাঠ লৈ যাব।

Shri Binoy Kumar Basumatary :— Sir, is the Government considering amendment of the Forests Act, because some people are taking undue advantage of the facilities provided for bids ? Will the lacunae in the provisions of the Act be removed soon ?

Shri Hiteswar Saikia (Chief Minister) :— Sir, I had already announced on the floor of the House long back that the matter is under examination by the government. The Act was enacted long back in 1895. Since then, the Act has not been touched upon We are going to amend that.

Shri Binoy Kumar Basumatary :— Sir, I beg leave to withdraw the Cut Motion on this Grant.

শ্ৰীচন্দ্ৰধৰ কলিতা :— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰীয়ে জন্তু মৰা বা পঠিয়াই দিয়াৰ ক্ষেত্ৰত যিটো বাখ্যা দিলে তাত মই সন্তুষ্ট হব নোৱাৰিলো সেই কাৰণেই এই বিষয়টোৰ ওপৰত অলপ স্পষ্টীকৰণ বিছাৰিছো। কেতিয়াবা বিশেষ এবিধ জন্তুৰ কম বেছি থাকিব পাৰে। সেইদৰে হাতীও আমাৰ বেছি হৈছে। এই হাতী যিহেতু খেদিবও নোৱাৰি আৰু মাৰিবও নোৱাৰি। গতিকে এই পৰিপ্ৰেক্ষিতত মই মাননীয় মুখ্যমন্ত্ৰীক এইটো সুধিব

খুজিছো যে এই বৰ্দ্ধিত হাড়ত থকা হাতীৰ পৰা মুনাফা আদায় কৰাৰ চেষ্টা কৰিবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে মই ইতিমধ্যে কৈছোৱেই। কিছুমান ঠাইত কিছুমান জন্তু থাকেই। এই হাতীও এটা আপুৰুগীয়া সম্পদ। মাননীয় সদস্য সকলে আজি যিবিলাক কথা উৎথাপন কৰিছে সেইবিলাক কথা মই কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰিম।

শ্ৰীচন্দ্ৰধৰ কলিতা :— মাননীয় উপাধ্যক্ষ মহোদয়, বেছি টকা খৰছ কৰি হলেও অসমৰ বনজ সম্পদ ৰক্ষা কৰিব লাগে। এইখিনিকে অনুৰোধ কৰি মই এই কৰ্ত্তন প্ৰস্তাৱটো উঠাই লৈছো।

Mr. Speaker :— Is it the pleasure of the House to grant leave to withdraw the cut motion. ( voice, 'Yes' 'Yes' ). So, the leave is granted and the cut motion is withdrawn. Now, I put the grant that a sum of Rs. 38,62, 05, 000/- be granted to the Minister in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1986 for the administration of 'Forests'.

Grant. No 61 is passed.

Now Grant No. 6 :—

Shri Hiteswar Saikia, (Chief Minister ) :— Sir. on the recommendation of the Governor of Assam, I beg to move that a sum of Rs. 14, 88, 01, 000/ be granted to the Minister in charge to defray the charges which will come in course of payment during the year ending the 31st March, 1986 for the administration of 'Land Revenue and Land Ceiling.'

Mr Speaker :— There are three cut motions, one tabled by Shri Binoy Kr. Basumatari, Shri Alit Chandra Boro,

Shri Tajamul Ali Laskar and Shri Md. Hussain. No. 2 is tabled by Shri Chandradhar Kailta and No. 3 is tabled by Shri Hemen Das and Shri Purno Boro. Now Shri Binoy Kr. Basumatari.

Shri Binoy Kr. Basumatari :— Sir, I beg to move that the total provision of Rs. 14, 88, 0I, 000/- under Grant No. 6 in respect of 'Land Revenue and Land Ceiling' at pages 37-64 of volume II, Part I of the Budget be reduced to Re. 1 i. e. the amount of the whole grant of Rs. 14, 88, 0I, 000/- do stand reduced to Rs. I.

Mr. Speaker :— Now, Shri Kalita.

Shri Chandradhar Kalita :— Sir, I beg to move that the sum of Rs. 14, 88, 01, 000/— under Grant No. 6 in respect of 'Land Revenue and Land Ceiling' at pages 37-64 of Volume II, Part I of the Budget be reduced to Re. I i. e. the amount of the whole grant of Rs. I4, 88, 0I, 000/— do stand reduced to Re. 1.

Mr. Speaker :-- Now, Shri Boro.

Shri Purno Boro :— Sir. I beg to move that the total provision of Rs. I4, 88, 0I, 000/— under Grant No. 6 in respect of 'Land Revenue and Land Ceiling' at pages 37-64 of volume II, part I of the Budget, be reduced to Re. 1 i.e. the amount of the whole grant of Rs. I4. 88, 0I, 000/—do stand reduced to Re. I.

Shri Binoy Kr. Basumatari :— Sir, in support of our cut motion, I would like to point out that this Land Revenue Deptt seems to be the most disorganised one because this opinion can be supported by the records of its achievem-

ents. All of us know that the last land settlement survey was started in the year 1970. It was started in 1970 and ended sometime in 1973. Whereas after 10 years and in some cases after 15 years, the settlement records have not been finalised. If we try to find the reasons we see that the so called Land Revenue Officers are used for other purposes than to look after land revenue collection and instead of settlement of land or issuing Pattas, these officers are used for law and order duties mostly. Thereby, their main objective of surveying the Land Revenue Deptt. is by-passed and that is why for the last 10/15 years they have not been able to produce the up-to-date land records and could not complete the survey and settlement whereas at page 39 we see that Rs. 3 crores and 10 lakhs are provided for survey and settlement. In fact, today in the year of 1985 this allocation should not have been there., because the survey and settlement should have been completed within 5 years i. e. this survey and settlement operation should have been completed in the year 1978 for those cases which were started in 1973. But. now it is 1985 and this year we again providing Rs 3 crores and 10 lakhs for this operation. Therefore, we should obtain from the Govt. a categorical assurance whether this will be the 1 st allocation under Survey and Settlement or is the Govt. planning for new survey and settlement operation ? So, we would like to know for which this 3 crores and 10 lakhs are provided. Then with regard to the survey and settlement, we know that most of the Tribal areas in the sub-mountain areas,

District of Lakhimpur, Jonai and Sadiya, settlements are not there. When shall we be able to declare that the Assam is permanently settled. I do not know. the programme or objectives set by the Government towards achieving these objectives. Then, out of 14 crores we find more than 2.5 crores are allotted for adminisration and direction. This is again very high in the matter of estabishment of this department and we would like to ask the Government why such high amount is provided for administration and direction. Secondly, in comparison to high cost of administration and direction what is the position of revenue collected from the entire State ? Is the total revenue collected, compatible with the amount allotted for administration and direction and if there is a serious gap I think the Government should consider revamping the entire department. Sir, in some States of the country Revenue officials have a different cadre ; they are not summoned for law and order duty. I think in our State also, if we want to settle this problem permanently, this should be examined and a decision taken on this.

Sir, with this brief comment I support the cut motion.

শ্রীপূৰ্ণ বড়ো :— মাননীয় উপাধ্যক্ষ মহোদয়, ভূমি ৰাজহৰ শিতানত এই কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰি কিছু কথা কব বিচাৰিছো। ভূমি সমস্যা সমাধান কৰিব পৰা হলে কৃষক সকলৰ সমস্যা সমাধান কৰিব পৰা গ'লহেতেন। আমি জানো যে যি সকল লোকে খেতি বাতি কৰি আহিছে সেই সকল মানুহেই আজি ভূমিহীনত পৰিণতি হৈছে। ইয়াৰ ফলত কৃষক সকলৰ সমস্যা বৃদ্ধি

হৈ আছে। তেনে স্থলত নিবনুৱা সমস্যা সমাধান কৰিবলৈ ও নিবনুৱা সকলক সংস্থান দিবলৈ হলেও ভূমি সংস্কাৰ সাধন কৰা দৰকাৰ। সেই কাৰণেই আমি দাবী জনাই আহিছো যে ভূমিসংস্কাৰ সাধন কৰি ভূমিহীন লোকৰ মাজত মাটি বিতৰণ কৰি দিয়াৰ ব্যৱস্থা কৰিব লাগে। চিলিং আইনৰ যোগেদি যি কিছু মাটি পোৱা হৈছিল সেইখিনি কিছুমান ভূমিহীন কৃষকক যদিও দিয়া হৈছিল তেওঁবিলাকে এতিয়াও সেই মাটি পট্টন পোৱা নাই। অৰ্থাৎ চিলিং আইনৰ যোগেদি মাটি বিতৰণ কৰাৰ দ্বাৰা ভূমিহীন কৃষকক উপকৃত কৰিব বিচৰা হৈছিল যদিও আচললতে সেইটো হৈ উঠা নাই। কিছু কিছু ক্ষেত্ৰত কেৱল আৱন্টন পট্টা লৈ কৃষকসকল সন্তুষ্ট হৈ থাকিবলগীয়া হৈছে কিন্তু মাটিৰ দখল পাব পৰা নাই। কোনো কোনো ঠাইত ভূমিহীন লোকক মাটি দিয়াৰ কথা আছিল কিন্তু সেই সকল প্ৰকৃততে ভূমিহীন হয় নে নহয় আৰু মাটি পাবলৈ যোগ্য হয় নে নহয় সেই কথা চাই চিতি মাটি দিয়াৰ ব্যৱস্থা কৰা হোৱা নাই। ইতিপূৰ্ব্বৰে পৰা আমি সেই কাৰণেই দাবী জনাই আহিছো যে চাহ বাগানৰ উপৰঞ্চি মাটি বিলাক, চিলিং আইন প্ৰয়োগৰ দ্বাৰা জমিদাৰ আৰু ভূস্বামী সকলৰ পৰা যি মাটি চৰকাৰে পাইছে তাক ভূমিহীন কৃষকৰ মাজত বিতৰণ কৰাৰ ব্যৱস্থা কৰিব লাগে।

উপাধ্যক্ষ মহোদয়, ভূমি বিতৰণৰ ক্ষেত্ৰত সাংঘাটিক ধৰণৰ খেলি-মেলি কৰা হৈছে। আমি এই কথাও স্বীকাৰ কৰো যে কিছু সংখ্যক মানুহে মাটি পাইছে কিন্তু তাৰ নমূনা আমি দাঙি ধৰিব বিচাৰিছো এই ধৰণে ঃ মালিগাওঁ খিলবাৰী ৰাজহ চক্ৰ ডুমডুমা। তাত কিছুমান কৃষকক মাটি দিছে। কিশোৰ সিং দলৈ, প্ৰাথমিক স্কুলৰ শিক্ষক, দিছে ২৭ বিঘা, ইয়াতে একেলগে তিনিজনক দিয়া হৈছে। আন এঠাইত ২৭ বিঘা দিছে দুজনক নাম গুনেশ্বৰ বৰা, প্ৰাথমিক স্কুলৰ শিক্ষক, আন এজন হৈছে কদম্ব বৰা প্ৰাথমিক স্কুলৰ শিক্ষক। এই বিলাক মাটি থকা মানুহ। হাতীও আছে। এই ধৰণে মাটি দিয়াৰ একো ফল হোৱা নাই। এতিয়া সেই মাটি বিক্ৰী কৰিছে আৰু মহাজনে মাটিখিনি কিনি লৈছে। এনে ধৰণৰ ৩৬ ঘৰ মানুহক মাটি দিয়া হৈছিল। গতিকে মাটি বিতৰণৰ নমুনা হিচাবে এই বিলাক দাঙি ধৰলো। তাৰ উপৰিও এইটো উল্লেখ কৰিব খোজো যে যি সকলক মাটি দিয়া হৈছে তেওঁবিলাকে এতিয়াও পট্টা পোৱা নাই।

(সদনত থ্ৰলৰ অভাৱ)

উপাধ্যক্ষ মহোদয়, ৰঙিয়া গোৰেশ্বৰ, অঞ্চলতো আবণ্টন পট্টা পোৱা কৃষক আছে যি সকল ভূমিহীন কৃষক কিন্তু তেওঁলোকে আৱণ্টন পট্টাও পাইছিল কিন্তু ১৯৭৬ চনৰ পট্টা পোৱা মাটিত এইবাৰ ১২ বছৰৰ পিচত মণ্ডল গৈ মাটিৰ দখল দিয়াৰ ব্যৱস্থা কৰিছে। গোৰেশ্বৰ চেনীগাওঁত আবণ্টন পোৱাৰ পিচতো কৃষক সকলে আজি পৰ্যান্ত মাটিৰ দখল পোৱা নাই।

চাহ বাগানৰ উপৰঞ্চি মাটি গৰীব কৃষকৰ মাজত বিতৰণ কৰাৰ কথা আছিল। অসমৰ চাহ বাগানত যিমান পৰিমাণৰ মাটি আছে তাৰে মাত্ৰ শতকৰা ৩০ ভাগ মাটিতহে চাহ খেতি আছে। বাকী ৭০ ভাগ মাটিত চাহ খেতি নাই। গতিকে এই মাটি অধিগ্ৰহণ কৰি গৰীব কৃষকৰ মাজত বিতৰণ কৰাৰ ব্যৱস্থা হব লাগিছিল আৰু তাকে নকৰি সদনতে আমি জানিবলৈ পোৱামতে আৰু খবৰ পোৱামতে চাহ বাগানৰ মালিক সকলে সেই মাটি আকৌ ঘূৰাই নিয়াৰ ষড়যন্ত্ৰ চলাই আছে আৰু ইতিমধ্যে বহু মাটি তেনেকৈ ঘূৰাই নিছে। এইবোৰ অঞ্চলতে জমিদাৰী শোষণ চলি আছে। খেতি কৰিবলৈ দি মাটিৰ মালিকানাৰ বলত ধানৰ ভাগ লৈ গৈ আছে গতিকে চাহ বাগানৰ এই মাটি আজি কৃষকৰ মাজত বিতৰণ কৰাৰ প্ৰয়োজন হৈ পৰিছে। বসুমতাৰী ডাঙৰীয়াই চাৰ্ভে নকৰা অঞ্চলৰ কথা কৈছে। জোনাই, শদিয়া অঞ্চলত বহুতো মাটি চাৰ্ভে নকৰাকৈ ৰাখি থোৱা হৈছে। আৰু সেই কৃষক সকলক উচ্ছেদ কৰাৰ ষড়যন্ত্ৰ চলি আছে। চৰকাৰৰ সামাজিক বনানীকৰণৰ নামত তেওঁলোকক মাটিৰ পৰা উচ্ছেদ কৰা ব্যৱস্থা চলি আছে আৰু তাৰ নমুনা আমাৰ হাতত আছে। সামাজিক বনানীকৰণৰ ক্ষেত্ৰত গুৰুত্ব দিয়া হৈছে কিন্তু কৃষক সকলৰ স্বাৰ্থ উপেক্ষা কৰি আচলতে কৃষক সকলক ভূমিহীন কৰাৰ এটা ষড়যন্ত্ৰ কৰা হৈছে। উপাধ্যক্ষ মহোদয়, অসম আৰু অৰুণাচলৰ সীমাত যিখন ৰিজাৰ্ভ আছে, যত বহুত মানুহে বসবাস কৰি আছে সেই সকল সকলো সম্প্ৰদায়ৰেই লোক। সেই অঞ্চলটোও চাৰ্ভে হোৱা নাই। এই কৃষক সকলক আকৌ সেই অঞ্চলৰ পৰা উচ্চেদ কৰাৰ ষড়যন্ত্ৰ চলি আছে। অৰুণাচল বাসীয়ে যেতিয়া তেওঁলোকৰ ঘৰত জুই লগাই দিছিল খবৰ পোৱা মতে জোনাইৰ এচ, ডি ও ই তেওঁলোকক আশ্বাস দি বহুৱালে। তাত তেওঁলোকে প্ৰত্যেকেই ১০।১২

বিঘা মাটিত খেতিবাতি কৰি ঘৰবাৰী কৰি বসবাস কৰি আছে । কিন্তু এতিয়া চৰকাৰে সামাজিক বনানীকৰণৰ নামত ৩০০ ঘৰ পৰিয়ালে বাস কৰা ঠাইত খুতি পুতিবলৈ আৰম্ভ কৰিছে আৰু এয়েই হ'ল সামাজিক বনানীকৰণৰ নামত কৃষক সকলক উচ্ছেদ কৰাৰ এক ব্যৱস্থা । অধ্যক্ষ মহোদয় কৃষকৰ কি দোষ ? চাৰ্ভে কৰা নাই চৰকাৰে কৰা নাই, কিন্তু অনাহকতে এই কৃষক সকল উচ্ছেদৰ সন্মুখীন হবলগা হৈছে । ঠিক সেইদৰে নগাওঁ জিলাৰ কাচমাৰী অঞ্চলৰ অন্তৰ্গত ভকতগাওঁৰ ৫৫৩ নং দাগৰ ২৩০ বিঘা মাটিত ২৩৩ টা পৰিয়ালে বহু বছৰ আগৰ পৰাই খেতিবাতি কৰি আছিল । তাত মুছলমান, ট্ৰাইবেল আদি সকলো সম্প্ৰদায়ৰেই লোক আছিল । কিন্তু নগাওঁৰ উপায়ুক্তই এই লোক সকলক, এই পৰিয়াল সমূহক উচ্ছেদ কৰাৰ কাৰণে যত্ন কৰি আহিছে । ইয়াৰ আগতে সেই অঞ্চলৰ ৰাইজে ৰাজহ সচিবক লগ ধৰিছিল আৰু সচিবে ডি, চি লৈ লিখি পঠিয়াইছিল যে— এই মানুহ বিলাক প্ৰকৃততে ভূমিহীন হয় নে নহয় আৰু যদি ভূমিহীন হয় তেনেহলে কিবা এটা ব্যৱস্থা লব পাৰি । কিন্তু ডি, চি য়ে জনালে তেওঁ লোকক উচ্ছেদ কৰিব লাগে । আজি বহুবছৰ ধৰি এই লোক সকলে তাতেই বসবাস কৰি আছে । আজি সেই সকল লোকৰ খেতি পথাৰত তেওঁলোকক স্থায়ী বন্দোবস্তী দিয়াৰ কাৰণে প্ৰয়োজন হৈ পৰিছে । উপায়ুক্তই চলোৱা উচ্ছেদ কাৰ্য্য বন্ধ কৰিব লাগে । তাত হেনো এটা ফিচাৰী খুলিবলৈ বিচাৰিছিল আৰু সেই ফিচাৰীৰ নামতেই যদি সেই সকল কৃষকক উচ্ছেদ কৰা হয় তেতিয়াহলে এইটো বৰ বেয়া কথা হব । গতিকে মই বিচাৰিম যাতে এই কৃষক সকলক মাটি দিয়াৰ ব্যৱস্থা হয় । কেতিয়াবা চৰকাৰে মাটি অধিগ্ৰহণ কৰি কৃষক সকলক সেই ঠাইৰ পৰা উচ্ছেদ কৰে । কিন্তু তেওঁলোকক বিকল্প মাটি দিয়াৰ ব্যৱস্থা নহয়গৈ । নগাওঁৰ কেলিডেন্ট, চতিয়া, আমলখি আৰু আমনিবাৰীত আৰ্মি কেম্প বহুওৱাৰ কাৰণে মাটি অধিগ্ৰহণ কৰিবলৈ বিচৰা হৈছিল । তাৰ ক্ষয়তিপূৰণ সাংঘাটিক ভাবে কমকৈ ধাৰ্য্য কৰা হৈছে । তাত কৃষকে বিচাৰিছিল তেওঁলোকৰ মাটিত থকা গছ-গছনী, তামোল-পাণৰ বাৰী মুঠতে জিৰতৰ ক্ষতিপূৰণ, তাৰ মূল্য প্ৰতি বিঘাত কেইবা হাজাৰ টকা নিদ্ধাৰণ হব লাগে কিন্তু তেওঁলোকে মাত্ৰ ৮০০ টকাকৈহে প্ৰতি বিঘাত ধাৰ্য্য কৰিছে । গতিকে এই মাটি অধিগ্ৰহণ কৰিবলৈ

যাওতে প্ৰতি বিঘাত অন্ততঃ ৪000 টকা উপযুক্ত মূল্য হিচাবে দিব লাগে। তাৰ পাচত অধিগ্ৰহণ কৰাৰ পিচতো কৃষক সকলক অন্য বিকল্প মাটি দিয়াৰ ব্যৱস্থা কৰিব লাগে । নহলে এই কৃষক সকলে কৃষক হিচাবে জীৱন নিৰ্ব্বাহ কৰাতো সম্ভৱ নহব । গতিকে মই বিচাৰিম চৰকাৰে কৃষক সকলৰ স্বাৰ্থ ৰক্ষা কৰাৰ কাৰণে আগবাঢ়ি আহিব । আমি জানো ভূমি কেন্দ্ৰীয়কৰণৰ ফলত বেচিভাগ মানুহ ভূমিহীনত পৰিণত হৈছে। কম মানুহৰ হাতত বেচি পৰিমাণৰ মাটি গৈ গোট খাবলৈ আৰম্ভ কৰিছে । আমাৰ বহুতো আধিয়াৰ কৃষক আছে আৰু অইন কৃষকো আছে তেওঁলোকৰ পৰা মাটিৰ প্ৰিমিয়াম লোৱা হৈছে । কিন্তু সেই গৰীব কৃষকক মাটিৰ পট্টন দিয়াৰ ব্যৱস্থা কৰা নাই । আমাৰ হাতলৈ খবৰ আহিছে দৰং জিলাৰ চিনাকোনা, মাজকুচি, বৰটঙলা, ৰুপচা, হাতীবন্ধা ইত্যাদি বহুতো অঞ্চলৰ পৰা প্ৰায় ৩ হাজাৰ কৃষকে প্ৰিমিয়াম দিছিল আৰু বহু বছৰ ধৰি মাটি পট্টন দিয়াৰ কাৰণে আবেদন নিবেদন কৰি আহিছিল । কিন্তু তেওঁলোকক আবণ্টন দিয়াৰ ব্যৱস্থা চৰকাৰে আজিলৈকে কৰা নাই। গতিকে মই দাবী জনাম এই কৃষক সকলক আবণ্টন দিয়াৰ ব্যৱস্থা কৰিব লাগে আৰু কৃষক সকল যি সমস্যাৰ সন্মুখীন হৈছে সেইটো দূৰ কৰিব লাগে । আৰু এই ক্ষেত্ৰত কামে-কাজে আগবাঢ়িলেহে কৃষক সকল উপকৃত হব বুলি আশা কৰিব পাৰি । গতিকে মই এইবিষয়ে আৰু বেচি কব খোজা নাই । আগতেই এই সম্পৰ্কে বহুবাৰ আলোচনা কৰাহৈছে আৰু এই বিধান সভাৰ মজিয়াতে মোৰ বক্তব্য ৰাখি আহিছো এই সম্পৰ্কতেই। গতিকে আৰু দীঘলীয়া নকৰো । এইখিনিকে কৈ কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

*শ্ৰীচন্দ্ৰধৰ কলিতা :— মাননীয় অধ্যক্ষ মহোদয়, বিৰোধীপক্ষই অনা কৰ্ত্তন প্ৰস্তাৱটো সৰ্থন কৰি মই এটা কথা কব বিচাৰিছো যে ১৯৭২ চনতেই ভূমিসংস্কাৰ আইন কৰিলো আৰু তাৰদ্বাৰা ৰায়তৰ বাবে আৰু খেতিয়কক শ্ৰম নিয়োগ কৰাৰ ক্ষেত্ৰত লাভবান কৰিব পৰা হব বুলি চৰকাৰৰ পৰা আশা দিছিল । কিন্তু বাস্তৱ ক্ষেত্ৰত আমি কি দেখিলো । উদাহৰণ স্বৰুপে যোৱা বছৰৰ এখন কাকতত পঢ়িবলৈ পাইছিলো যে ৰায়তক মাটি দিয়া মাটিৰ মালিকে ক্ষুব্ধ হৈ নানাৰকমৰ কেচ আদলতত দাখিল কৰে । ইয়াৰ ফলত বহু ধৰণৰ ভয়াবহ ঘটনা ঘটি গৈছে । তেনেধৰণৰ ঘটনা অসমৰ

*Speech not corrected

জাগাই জাগাই হৈ আছে তেনেবোৰ তথ্যসহ প্ৰমাণ কৰিব পাৰিম। ১৯৮০ চনত মায়া মেধী নামৰ জমিদাৰ এজনৰ বহু বিঘা মাটি চিলিং উদবৃত্ত হৈ-ছিল আৰু বেনামী ভাবে সেই মাটি ভোগ কাৰ আছিল। তাৰ পাচত যিখিনি চিলিং উদবৃত্ত হৈ থাকিল সেইখিনিৰ পৰাও ৰায়তক উচ্ছেদ কৰিলে। গাৰ জোৰেৰে কামতো কৰিলে। সেই এলেকাত থকা গণতান্ত্ৰিক মানুহৰ দ্বাৰা তাত খেতিবাতি কৰি থকাৰ সুযোগ লৈ হাল বায় আৰু পুলিচৰ লগত মোকাবিলা কৰি খেতিবাতি কৰিছে। কিন্তু ধান কাটিবলৈ যাওতে জমি-দাৰে গুণ্ডা বাহিনীৰ দ্বাৰা আক্ৰমণ চলায়। মই সিদিনাখন আদলতত থকাৰ কাৰণে তাত জড়িত নাছিলো। দ্বিতীয় দিনা চি, পি, আই, এম, এল লিডাৰক এৰেষ্ট কৰি ফটোগ্ৰাফ পৰ্য্যন্ত লয়। সেই নথিপত্ৰ আমাৰ হাতত আছে। কিন্তু এনেধৰণৰ ঘটনা বিলাকৰ কোনো বিচাৰ নাই। গতিকে ভূমিহীনক আৰু খেতিয়ক সকলক লাভবান কৰাৰ আশা দেখুৱাই দি তেওঁ-লোকক নিৰাশ আৰু হতাশাৰ ফালে লৈ গৈছে। আন এটা চক্ৰান্তৰ কথা কও সেইটো হ'ল কমলপুৰ সমষ্টিৰ কচুবোৱা গাওঁত প্ৰায় ১১ হাজাৰতকৈও অধিক লোকে নিষ্পেৰাজ শিতানত যুগ যুগ ধৰি তাত দখল ধৰি আছে। সেইয়া ধৰ্ম্মোত্তৰ মাটি আৰু সেই মাটিতেই বহি আছে। তেওঁলোকৰ নামত সেই মাটিৰ পত্তন পৰ্য্যন্ত হৈ গৈছে। সেইবিলাক মাটিও ভূমিসংস্কাৰৰ আইনৰ মেৰপাকত চিলিংৰ উদবৃত্ত বুলি ৰায়তৰ কতৃত্ব নাকচ হয়। এই সম্পৰ্কে নানা ধৰণৰ খেলিমেলি হৈ আছে। এনেধৰণৰ বহু ঘটনাই ভূমিসংস্কাৰৰ নামত খেতিয়কে মাটিৰ পৰা বঞ্চিত হবলগীয়া হয়। গতিকে এনেধৰণৰ ৰঙচঙীয়া কিছুমান আশা খেতিয়ক সকলক দি নিৰাশা কৰি কি লাভ? মৌজাধাৰী ব্যৱস্থা অসমত এতিয়াও চলি আছে। এই বিধান সভাতেই সিদ্ধান্ত হৈছে দহ বিঘাতকৈ অধিক মাটি যাৰ নেথাকিব তেওঁলোকক খাজ-নাৰ পৰা ৰেহাই দিয়াহৈছে। কিন্তু বাস্তব ক্ষেত্ৰত কি কাম হৈছে কব নোৱাৰো। কোনো মানুহে ৰেহাই পাইছেনে নাই তাকো কব নোৱাৰো। গতিকে ঠিক এনে ধৰণৰ কিছুমান ৰঙচঙীয়া আচনি কৰি মানুহ বিলাক দৌৰাই মাৰি গৰীব কৃষকৰ কি উপকাৰ সাধিব? আইন কানুনলৈ যাব-লৈ হলে মণ্ডলৰ ৰেকৰ্ডৰ প্ৰয়োজন কিন্তু এইবিলাকতো মণ্ডলে ৰেকৰ্ড কৰা নাই। যুগ যুগ ধৰি তাতেই আছে কিন্তু ৰেকৰ্ড নাই। এনেধৰণৰ অসন্তু-

স্থিত সেই ৰাইজে কেতিয়াও শান্তিত থাকিব নোৱাৰে। ঠিক এনেধৰণৰ ঘটনা এশ এটা এই আইন বিলাকৰ কাৰ্যক্ষেত্ৰত চলি আছে। সময় হ'ল কাৰণেই চমু কৰিবলৈ চেষ্টা কৰিছো। মই আন এটা কথা কও সেইটো হ'ল গুৱাহাটীত চাব ৰেজিষ্টাৰ অফিচ আছে, তাত যি লেণ্ড ৰেকৰ্ড চেকচন আছে সেই চেকচনত ৰেকৰ্ড পাতিব যি ব্যৱস্থা আছে তাৰ অৱস্থা ভয় লগা ধৰণৰ। আপুনি ৰেকৰ্ড বিচাৰিলে কেতিয়াও ৰেকৰ্ড নাপায়।

Mr. Speaker :— Order. Order. Now it is 5 PM but we have got eight more grants to be passed and after that we have got two other items. So I want to know the desire of the House as to what to do How far we can proceed.

Shri Mohammad Idris, (Minister) :— Sir, we are sitting late almost everyday.

Mr. Speaker :— That can be very easily stopped if the hon'ble members agree.

Shri Mohammad Idris, (Minister) :— Upto 5.30 PM we may sit.

Shri Hemen Das :— But Sir, Revenue is an important Department. If necessary it should be extended even after 5.30 PM. Sir, we are sent here to discuss these problems.

Mr. Speaker :— Mr. Kalita try to be precise.

শ্ৰীচন্দ্ৰধৰ কলিতা ঃ— অধ্যক্ষ মহোদয়, লেন্দ ৰেকৰ্ডৰ ক্ষেত্ৰত মই মানে তেনেকুৱা এটা অৱস্থা দেখিবলৈ পাইছো। মানে আমাৰ মাটি হস্তান্তৰৰ ক্ষেত্ৰত মানে বাপেক পুতেকৰ কোনোবাই মানে মাটি কিনা বেচা কৰিছে। মাটি হস্তান্তৰিতৰ ক্ষেত্ৰত আজি না না ধৰণৰ বেমেজালী হোৱা পৰিলক্ষিত হৈছে। তদস্বৰূপে এই বিলাক সংশোধন কৰিব লাগে। গতিকে সু-শৃঙ্খল ভাবে এই-বিলাক কাম কৰিবলৈ অনুৰোধ কৰিলো। এইখিনিতে অন্য এটা কথা কবলৈ

বিচাৰিছো। গুৱাহাটিৰ কিছুমান মাটি নামী বে-নামী ক্ষেত্ৰতো নানা ধৰণৰ কেলেংকাৰী ঘটিছে। চৰকাৰে ঘোষণা কৰা নীতি কি নাজানো। মাটি দখল দিয়াৰ ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা গ্ৰহন কৰিছে এইটো সদনক জনাব লাগে। অৱশ্যে মই কিছুমান তথ্য জানো সেইবিলাকৰ ভিতৰত যিবিলাক শক্তিশালী মানুহ, মানে হয়তো অলপ সা-সম্পত্তিৰ আধিকাৰী মানুহ, তেওঁ-লোকে বিশেষ সুবিধা গ্ৰহন কৰি আছে। আন এটা কথা হল যে, শৰাই ঘাটৰ দলঙৰ ওচৰত যি জেইলখানাৰ আধাৰশিলাৰ স্থাপন কৰা হৈছে এই বিলাক অতি মূল্যবান মাটি। সেইবিলাক মাটি কেনেকৈ মানে দখল দিছে কি স্বত্বত দখল দিছে এই সম্পৰ্কে আজি জনাব বুলি আশা কৰিলো। মই অৱশ্যে আগতেও কৈছো যে, সময়ো নাই গতিকে এইখিনিকে কৈ মই এই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি মই মোৰ বক্তব্য ৰাখিলো।

শ্ৰীঅলিত বড়োঃ— মাননীয় অধ্যক্ষ মহোদয়, লেন্দ ৰেভিনিউ আৰু লেন্দ চিলিং এই সন্দৰ্ভত বিৰোধী পক্ষৰ পৰা যি কৰ্ত্তন প্ৰস্তাৱ উৎথাপন কৰা হৈছে সেই কৰ্ত্তন প্ৰস্তাৱ মই সমৰ্থন কৰি দুষাৰ কবলৈ ঠিয় হৈছো। অধ্যক্ষ মহোদয়, মই ভূম ৰাজহৰ ক্ষেত্ৰত কবলৈ বিচাৰিছো। মই বিশেষকৈ আমাৰ জনজাতীয় বিধায়ক হিচাবে আমাৰ ট্ৰাইবেল বেল্ট আৰু ব্লকত থকা ট্ৰাইবেলৰ বিষয়ে কবলৈ বিচাৰিছো। এই সম্পৰ্কে যিবিলাক কথা কোৱা হৈছিল সেইবিলাক এতিয়াও কাৰ্য্যকৰী হোৱা নাই। ১৮৮৬ চনৰ অসম ভূমি ৰাহজ আইন সংশোধন কৰা হৈছিল। আৰু জন-জাতিৰ লোকসকলক আশ্বাস দিয়া হৈছিল যে, এই সংশোধিত আইনৰ যোগেদি ব্লকত থকা জন জাতীয় লোকসকলক ৰক্ষনা বেক্ষনৰ বাবে এই চৰকাৰে ৰক্ষনা বেক্ষনৰ ব্যৱস্থা কৰিব। কিন্তু এইবিলাক এতিয়াও কাৰ্য্যত পৰিণত হোৱা নাই। সেইবাবে মই দুটামান উদাহৰণ দাঙি ধৰিব বিচাৰিছো। তাৰোপৰি বেল্ট আৰু ব্লকৰ বাহিৰত থকা অজন-জাতীয় লোকসকলে নিজৰ নিজৰ মাটি বিক্ৰী কৰি জন জাতীয় লোক থকা মাটিত ভৰি পৰিছে। উয়াৰ ফলত বহু অসুবিধা হৈছে। যাৰ ফলত জনজাতীয় লোকৰ মাটি সুৰক্ষিত হোৱা নাই। আৰু বেলেগ ৰূপত পৰিণত হৈছে। এই ক্ষেত্ৰত কবলৈ বিচাৰিছো যে. ট্ৰাইবেল লোক সকলৰ বাবে যি ধৰণে আজি বেল্ট আৰু ব্লক কৰি দিছে সেইদৰে অজন জাতীয় লোকসকলৰ বাবেও ৰক্ষনা বেক্ষন দিবৰ কাৰণে বেল্ট বা ব্লক তৈয়াৰ কৰি

দিব লাগে। বেল্‌ট বা ব্লক তৈয়াৰ কৰি দিলে তেওঁলোকবো ৰক্ষনা বেক্ষন দিয়া হব। আজি অজনজাতীয় লোক সকলে নিজৰ মাটিবাৰী সা-সম্পত্তি বেছি এই জন-জাতীয় লোকৰ বেল্‌ট বা ব্লকত আহি বছৰে বছৰে দিনে দিনে জনজাতীয় লোকক খুন্দা মাৰি আছে। এই সংশোধিত আইন কৰাৰ বাবে চৰকাৰক ধন্যবাদ দিছো। কিন্তু দুখৰ কথা যে, এইবিলাক কাৰ্য্যত পৰিণত হোৱা নাই। এজন লৰাই যদি অংক টান পাই নকৰাকৈ থাকে সেই অংক অংক হৈয়ে থাকে। বৰ্ত্তমান চৰকাৰৰো সেই একেই অৱস্থা হৈছে। চৰকাৰে আইনলৈ ভয় কৰেনেকি নাজানো। গতিকে আইন কাৰ্য্যকৰী কৰিব পৰা নাই। আমি যিবিলাক উদাহৰণ দিছো সেইবিলাক কাৰ্য্যকৰী নকৰাৰ বাবেই আজি নানা ধৰণে বিজুটিৰ সৃষ্টি হৈছে।

অধ্যক্ষ মহোদয়, এইখিনিতে এটা কথা উল্লেখ নকৰি নোৱাৰো যে, বেল্‌ট ব্লক বিলাকত সু-ৰক্ষা দিবৰ কাৰণে এ, দি, চি পৰ্য্যায়ৰ কৰ্ম্মচাৰী নিয়োগ কৰাৰ কথা আছিল। কামবিলাক পৰীক্ষা কৰিবৰ কাৰণে কৰ্ম্মচাৰী নিয়োগ কৰিব লাগে। অৱশ্যে ঠায়ে ঠায়ে কৰ্ম্মচাৰী নিয়োগ কৰা হৈছে। যিসকলক নিয়োগ কৰা হল, সেইসকলো আজি কামৰ পৰা বিৰত হৈ আছে। চৰকাৰে এই কৰ্ম্মচাৰী সকলক ল'এন্দ অৰ্দাৰৰ কামত নিযুক্ত কৰিছে। এই বিলাক কামত তেওঁলোক ব্যস্ত থকাৰ কাৰণে নিজ নিজ দায়িত্ব পালন কৰিব পৰা নাই। গতিকে মই কব বিচাৰো যে, অনতিপলমে এই অফিচাৰ সকলক আইন মতে কাম কৰিবৰ কাৰণে নিৰ্দ্দেশ দিব লাগে। আৰু এ,দি,চি সকলক আৰু বেছিকৈ নিয়োগ কৰিব লাগে। এই এ, দি, চি নিয়োগৰ বাবে ক্ষিপ্ৰতৰ ব্যৱস্থা গ্ৰহন কৰিব লাগে। যদি সেইটো নহয়, তেনেহলে জল জল পট পটকৈ জন জাতীয় লোক সকলে নিজৰ বেল্‌ট বা ব্লকৰ ৰক্ষনা বেক্ষনৰ ভাৰ নিজৰ নিজৰ হাতত তুলি লব। আৰু নিজৰ ৰক্ষনাবেক্ষনৰ বাবে একতাৰ গোটেৰে আৱদ্ধ হৈ আগবাঢ়ি আহিব। তাৰ কাৰণে জনজাতীয় লোক দায়ী নহয় দোষী হব চৰকাৰে।

মই এটা উদাহৰণ দিব বিচাৰিছো যে ৰঙিয়া ৰাজহ চাৰ্কোলৰ গোৰেশ্বৰত কেনেকৈ জনজাতীয় লোকৰ মাটি অজনজাতীয় লোকে খাই আছে? গোৰেশ্বৰ ৰাজহ চক্ৰৰ ডাগ নং ৬৪, ৬৫কে আদি কৰি কেইবাটাও ডাগৰ মাটি শ্ৰীনৰেন্দ্ৰ দেব নাথ আৰু তেখেতৰ পৰিয়ালৰ নামত আছে। এই

*Speech not corrected

মাটি খিনি এতিয়াও জনজাতীয় লোকৰ দখলতে আছে। কিন্তু কেনেকৈ শ্ৰীনৰেন্দ্ৰ দেব নাথৰ পৰিয়ালৰ নামত নামজাৰি হল সেই কথা কোনেও কব নোৱাৰে। এই বিলাকৰ পৰা যে এদিন কিবা এটা অঘটন নঘটিব তাৰ কোনো মানে নাই। সেই কাৰণে এনে ধৰণৰ যিবিলাক খেলিমেলি আছে তাৰ এটা বিহিত ব্যৱস্থা হব লাগে।

মই আন এটা কথা কব বিচাৰিছো যে ৰঙিয়া মহকুমাৰ গোৰেশ্বৰৰ ৩৯ ডাগৰ মাটিখিনি শ্ৰীনৰেন্দ্ৰ দেব নাথ আৰু তেওঁৰ ভাটিজাকে দখল কৰি খাই আছে। কিন্তু সেই মাটিখিনি এজন বৰো লোকৰ নামত নামজাৰি আছে। এই লোক সকল দুৰ্বল হোৱাৰ কাৰণে আইন আদালতলৈ যাব নোৱাৰাৰ কাৰণেই এই লোক সকলে খাই থাকিব পাৰিছে; এনে ধৰণৰ বহুতো প্ৰমান আছে। গতিকে মই অনুৰোধ কৰিছো যি বিলাক বেল্ট আৰু ব্লক আছে সেই বিলাক ৰক্ষা কৰিব লাগে আৰু সুৰক্ষা দিব লাগে। ইয়াকে কৈ মই মোৰ বক্তব্যৰ সামৰনি মাৰি কৰ্ত্তণ প্ৰস্তাবটোৰ সমৰ্থন কৰিলো।

শ্ৰীমথুৰা ডেকা :— মাননীয় অধ্যক্ষ মহোদয়, মই কৰ্ত্তণ প্ৰস্তাব উত্থাপন কৰি প্ৰথমেই কওঁ যে আমাৰ গাওঁ ভুইৰ খেতিৰ মাটিবোৰ কিনা বেচা কৰাটো বন্ধ কৰিব লাগে। এইটো কৰিব পাৰিলেই আমাৰ বহুতো সমস্যাৰ সমাধান হব।

চিলিং আইন প্ৰবৰ্ত্তন হোৱাৰ পিচত আমি বহুতো আশা কৰিছিলো। কিন্তু চিলিং আইন হোৱাৰ পিচতো ৰদ কৰাৰ কাৰণে বহুতে আইন আদালতৰ আশ্ৰয় লৈছিল। চিলিং আইনৰ উতবিত্ত মাটি যি ৯ বিঘাকৈ দিয়াৰ কথা আছিল সেইটো দিয়া হোৱা নাই। চিলিং আইনত এটি উল্লেখনীয় কথা আছে। সেইটো হৈছে চিলিংৰ উদবৃত্ত মাটি ৯ বিঘাৰ ওপৰ দিয়া নহয়। কিন্তু বহু ৰায়তৰ ৯ বিঘাত কৈ অধিক মাটি আছে। আমাৰ কিছুমান মানুহ যুগ যুগান্তৰ ধৰি পুৰুষানুক্ৰমে জমিদাৰ, দেবোত্তৰ আৰু ব্ৰহ্মোত্তৰ মাটি খাই আছিল। সেই বিলাক চিলিং হোৱাৰ পিচত চৰকাৰী হল। তাৰ পিচত চৰকাৰে ব্যৱস্থা কৰিলে যে ১৫ বছৰৰ প্ৰিমিয়াম দিলেহে মাটি পাব। নহলে নাপায়। কিন্তু দুখীয়া ৰাইজে

১৫ বছৰৰ প্ৰিমিয়াম একেলগে ৮০০।৯০০ টকা দিয়ে কেনেকৈ ? এই কথাটো চৰকাৰে চাব লাগে। জনতা চৰকাৰৰ দিনত যি ১০ বিঘালৈকে মাটিৰ খাজানা ৰেহাই দিছিল সেই মতে ১০ বিঘা মাটিৰ খাজানা মাফ দি বাকী খিনি লৈ মানুহক মাটি দিয়া ব্যৱস্থা কৰিব লাগে। ১০ বিঘালৈকে খাজানা মাফ দিয়া কথাটো কাৰ্যকৰী নোহোৱাৰ কাৰণেই চিলিং থাকিলেও মানুহে মাটি পোৱা নাই। জমিদাৰৰ তলতীয়া ৰায়তৰ ১৫।২০ বিঘালৈকে মাটি থকাৰ খতিয়ান আছে। চিলিং আইন মতে উতবিত্ত মাটি পাব নোৱাৰে। এম এন পিৰ জৰিয়তে যি মতে মাটি দিব লাগে সেই মতেও মানুহে মাটি পোৱা নাই। আনকি ৰাইজে পাহাৰৰ ওপৰত লোৱা মাটিৰ পৰাও চৰকাৰে উচ্ছেদ কৰিব বিচাৰিছে। বৰো সম্প্ৰদায়ৰ বহুতো লোকে এটা পাহাৰৰ ওপৰত খেতি কৰি আছিল। তাৰ পিচত তেওঁলোকক উচ্ছেদৰ কাৰণে স্থানীয় এচ ডি চিয়ে নটিচ দিলে। মই নিজেই তালৈ গৈ তেওঁলোকৰ নথি পত্ৰ বিলাক চাই চালো। তেওঁলোকৰ মাটি ২৫ বিঘা আছে। আমাৰ ব্যৱস্থা বিলাকত খেলিমেলি থকাৰ কাৰণেই সমস্যা বিলাক আছে। জমিদাৰৰ ৰায়ত হিচাপে বহুবছৰ পূৰ্বৰ পৰা মাটিৰ খাজনা ভৰি আছে এতিয়া সেই বোৰ মাটি যদি এৰি দিব লগা হয় যেই সকল ৰায়তৰ অৱস্থা কেনে হব চিন্তা কৰক! ১০ বিঘালৈকে খাজনা মাফ দিয়া হবনে নহয় সেইটো প্ৰথমতে ঠিক কৰক। সেইটো নহলে বছৰৰ পিচত বছৰ ধৰি ১৫ বছৰৰ খাজানা একেবাৰতে দুখীয়া ৰাইজে দিবলগীয়াহলে সেইটো বৰ টান হব। একেবাৰেই ৮০০।৯০০ টকা দিয়াতো দুখীয়া ৰাইজৰ পক্ষে সম্ভৱ নহয়। আমাৰ যি বিলাক আইন কৰা আছে সেই বিলাক কাৰ্য্যকৰী কৰিব লাগে। যুটীয়া পট্টাৰ ব্যৱস্থা নাইকীয়া কৰিব লাগে। এই ব্যৱস্থাত বাকী কেইজনে পইচা নিদিলে এজনেই পইচা খাজানাৰ বাবে ভৰিবলগীয়া হয়। মই মুখ্য মন্ত্ৰী ইয়াত থকাৰ কাৰণে এই খিনি কথা তেখেতৰ দৃষ্টিগোচৰ কৰিছো।

চিলিঙত যোৱা মাটি বিলাকৰ জোখ মাফ থিকমতে হোৱা নাই। ৰাস্তাৰ কাৰণে মাটি গলে সেই সকলক বেলেগ ঠাইত মাটি দিব লাগে। আমাৰ জমিদাৰৰ তলত যিবিলাক মাটি আছিল, যিবিলাক দেবোত্তৰ আৰু ব্ৰহ্মোত্তৰ মাটি আছে সেই বিলাকৰ ক্ষেত্ৰত এটা ভাল ব্যৱস্থা কৰিব লাগে।

ইয়াকে কৈ মই কৰ্ত্তণ প্ৰস্তাবটো সমৰ্থন কৰিলো।

*শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) :— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীবিনয় বসুমতাৰী ডাঙৰীয়াই আইনৰ সংশোধনৰ কথা কৈছে। আমাৰ লেণ্ড চিলিং সম্পৰ্কে যিখন আইন সেইখনৰ ওপৰত যি সমালোচনা আগবঢ়াইছে সেইবোৰ আমি পৰীক্ষা কৰি আছো আৰু আমাৰ অন্যান্য ৰাজ্যবিলাকে এই আইন যি ধৰণে প্ৰচেচ কৰিছে আমি সেইবোৰো পৰীক্ষা কৰি আছো। তেখেতে ধেমাজী, লক্ষীমপুৰ আৰু জোনাই মহকুমাৰ চেটেলমেণ্টৰ কামৰ সম্পৰ্কে সুধিছে। লক্ষীমপুৰ মহকুমাত চেটেলমেণ্টৰ কাম সম্পুৰ্ণ হৈছে। ধেমাজী আৰু জোনাইত নন্ কেডেষ্ট্ৰেল চাৰ্ভেৰ কাম চলি আছে। সেইদৰে ট্ৰাইবেল চাব প্লেনত ৪৮ খন গাওঁত কাম চলি আছে। এই কাম ততালিকে কৰিবৰ কাৰণে আৰু অধিক বিষয়া দিয়াৰ কথাও আমি ভাবিছো। চেটেলমেণ্ট অপাৰেচনৰ কাম গোৱালপাৰা, ধুবুৰী, কোকোৰাঝাৰ আৰু কৰিমগঞ্জত ১৯৮৩ চনৰ পৰা আৰম্ভ কৰা হৈছে। দৰং জিলাতো এই কাম আৰম্ভ কৰা হৈছে আৰু অতি সোনকালে এই কাম শেষ হব বুলি আমি আশা কৰিছো।

আমাৰ মাননীয় সদস্য শ্ৰীপূৰ্ণ বড়োৱে মাটি দিয়া সময়ত বাচনি কোনে কৰে সেই প্ৰশ্নটো সুধিছে। গাওঁ পঞ্চায়তৰ জৰিয়তে এই বাচনি কৰা হয়। ইয়াৰোপৰি লেণ্ড চেটেলমেণ্ট এডভাইজেৰি বোৰ্ডেও এই কাম কৰে। চাহ বাগিচাৰ মাটিৰ সম্পৰ্কে কেইবাজনো বিধায়কে আলোচনা কৰিছে। আমি চাহ বাগিচাৰ মালিক সকলক মাটি ঘুৰাই দিয়াৰ পক্ষপাতি নহয়। শ্ৰীকলিতাই যিটো কেডেষ্ট্ৰেল চেটেলমেণ্টৰ কথা উৎথাপন কৰিছে সেইটো মই তদন্ত কৰি কম। মৌজাদাৰ সকলৰ যিবোৰ কথা উৎথাপন কৰা হৈছে সেইটো মই এতিয়াই কৰ নোৱাৰিম। এই কামটো বহু দিন ধৰি আমাৰ ইয়াত চলি আছে। যিসকলে সময় মতে টকা আদায় দিব নোৱাৰে তেওঁলোকৰ বিৰুদ্ধে শাস্তি দিয়াৰো বিভাগীয় ব্যৱস্থা আছে। গুৱাহাটীৰ মাটি পট্টন দিয়াত নানা অসুবিধা আছে। ইয়াৰ বহুতো মাটি দখলত আছে। সেই কাৰণে উপায়ুক্তৰ পৰা এই সম্পৰ্কে আমি ৰিপোৰ্ট

*Speech not corrected

বিচাৰিছো আৰু সেইমতে তদন্ত কৰিম। ১০ বিঘাৰ তলত যি সকলৰ মাটি আছে সেই সকলক খাজনা ৰেহাই দিয়াৰ কাম ইতিমধ্যে আৰম্ভ হৈছে। ট্ৰাইবেল বেল্টৰ মাটি বেআইনি ভাবে কাকো পট্টন দিয়া নহয়। শ্ৰীপূৰ্ণ বড়োৰ পৰা আৰম্ভ কৰি কেইবাজনো বিধায়কে মাটি বিলোৱা সম্পৰ্কে আলোচনা ডাঙি ধৰিছে। অধ্যক্ষ মহোদয়, ১৯৭৮ চনৰ পৰা ১৯৮৩ চনলৈকে ট্ৰাইবেল বেল্টৰ মাটি বিতৰণ কৰা বন্ধ ৰখা হৈছে। শ্ৰীহেমেন দাস ডাঙৰীয়াক মই এটা কথা জনাও যে জনতা দল যেতিয়া ক্ষমতালৈ অহাৰ পিচত লেণ্ড ৰিফৰ্ম কমিশ্যন কৰা নাছিল। ইয়াৰ পিচত ১৯৭৮ চনত এই কমিশ্যন কৰাৰ কাৰণে মাটি বিতৰণৰ কাম বন্ধ কৰি দিয়া হয়। ১৯৭৫ চনত প্ৰয়াত প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধীয়ে ২০ দফীয়া আচনি ঘোষণা কৰিছিল আৰু এই আচনিৰ ভিত্তিত ১৯৭৫ চনৰ পৰা ১৯৭৮ চনলৈকে বহুতো লোকক মাটি দিয়া হৈছিল। জনতা দলে কমিটি কৰি এই মাটি বিতৰণৰ কাম বন্ধ ৰাখিছিল আৰু সেইকাৰণে ১৯৭৮ চনৰ পৰা ১৯৮৩ চনলৈকে মাটি বিতৰণৰ কাম সম্পূৰ্ণ বন্ধ আছিল। ইয়াৰ পিচত ১৯৮৩ চনৰ মাৰ্চমাহৰ পৰা অৰ্থাৎ এই চৰকাৰ অহাৰ পিচৰ পৰা মাটি বিতৰণৰ কাম পুনৰ আৰম্ভ কৰা হয়। অসম ৰাজ্যখনত সৰ্ব্বমুঠ ৫ লাখ ৮৬ হাজাৰ বিঘা মাটি অধিগ্ৰহণ কৰা হৈছিল। ১৯৮৩-৮৪ চনত আমি ১১ হাজাৰ একৰ মাটি বিতৰণৰ কাৰণে আচনি লৈছিলো। কিন্তু আমি ২০ হাজাৰ ৩শ ২৭ একৰ মাটি বিতৰণ কৰিছো। ইয়াৰ ফলত আমি আমাৰ মূল লক্ষ্যতকৈ বেচি মাটি বিতৰণ কৰিছো আৰু আমি শতকৰা হিচাবে ১৮৪০৭ ভাগ মাটি বিতৰণ কৰিছো। ১৯৮৪-৮৫ চনত আকৌ ১১ হাজাৰ একৰ মাটি বিতৰণ কৰাৰ আচনি আছিল। আমি ইতিমধ্যে ৭৬১৯ একৰ মাটি বিতৰণ কৰিছো বাকীখিনি ৩১ মাৰ্চৰ ভিতৰত সম্পূৰ্ণ হব বুলি আশা কৰা হৈছে।

অধ্যক্ষ ডাঙৰীয়া, চাহ বাগিচাৰ মাটিৰ সম্পৰ্কে শ্ৰীপূৰ্ণ বড়োৱে কিছু কথা উত্থাপন কৰিছে। এইটো কথা সত্য যে কিছু মাটি চাহ বাগিচাৰ মালিকক ঘুৰাই দিয়া হৈছে। এই সকলৰ ভিতৰত কাচাৰৰ তিনিখন চাহ বাগিচা আছে সেই কেইখন হল — আইনাখাল, উদাৰবন্দ আৰু কাটলিচৰা। আইনাখাল চাহ বাগিচাক ঘুৰাই দিয়া মাটিৰ পৰিমান হৈছে— ১০,২৯৬ বিঘা ১ কঠা ২ লোচা, উদাৰবন্দক দিয়া হৈছে ১২০০ বিঘা আৰু

কাটলিচৰাক দিয়া হৈছে ৪১৩০ বিঘা। ডিব্ৰুগড়ৰ বুৰণীয়া চাহ বাগিচাক দিয়া হৈছে ৪ বিঘা। কিন্তু আমি আইনাখাল চাহ বাগিচাক যিখিনি মাটি দিছিলো সেইখিনি কি পাৰিপ্ৰেক্ষিতত দিছিলো সেইটো পুনৰ পৰীক্ষা কৰি থকা হৈছে। শ্ৰীবড়োৱে কোৱাৰ দৰে আমি চাহ বাগিচাৰ মালিক সকলক চিলিং চাৰপ্লাচ মাটি ঘূৰাই দিয়াৰ পক্ষপাতি নহয়। আমি যিখিনি এনে ধৰণৰ মাটি চাহ বাগিচাৰ মালিকক ঘূৰাই দিছিলো সেইখিনিৰ বেছি ভাগেই ওখ ঠাই। আমাৰ ইয়াত সাধাৰণতে শালি খেতি কৰা হয় আৰু তাৰ কাৰণে দ মাটিৰ আৱশ্যক হয়। কিন্তু এই মাটিখিনি ওখ হোৱাৰ কাৰণে তাত শালি খেতি কৰিব পৰা নাযায় কাৰণে সেই মাটি চাহ বাগিচাক ঘূৰাই দিয়া হয়। অধ্যক্ষ ডাঙৰীয়া, এই ক্ষেত্ৰত আমি আৰু কিছুমান অভিযোগ পাইছিলো যে যিবিলাক মাটি আমি মজদুৰ সকলক খেতি কৰি খাবলৈ দিছিলো তাৰ কিছুমান মাটি আকৌ বাগিচাৰ মালিকক বিক্ৰি কৰিছে— কাৰণ তেওঁলোকে তাত খেতি কৰিব নোৱাৰে। সেইকাৰণে ঠাই বিশেষে ওখ মাটিবোৰ আমি চাহ বাগিচাৰ মালিক সকলক ঘূৰাই দিয়াৰ ব্যৱস্থা কৰিছিলো।

অধ্যক্ষ ডাঙৰীয়া, এনেকুৱা কিছুমান অভিযোগ আহিছে যি সকলক মাটি দিছে সেই সকলে কোনো কোনো চাহ বাগিছাৰ মালিকক বিক্ৰী কৰি দিছে। আমাৰ মানুহে ভাল খেতি কৰে। সেয়ে এই মাটি বিলাক ঘূৰাই দিয়াত সমস্যাৰ সৃষ্টি কৰিছে। সেই হাই লেণ্ড বিলাকত বহুত মাটি আছে। তাত তেওঁলোকে বসবাস কৰিব নোখোজে। চাহ বাগিছাৰ সেই মাটি বিলাকত অন্যান্য সম্প্ৰদায় লগ লাগ থাকে। কিন্তু তেওঁলোকে বসবাস কৰিছে যিবিলাক হাইলেণ্ড আছে তাত তেওঁলোকে বসবাস কৰা উচিত নহয়। সেয়ে আমি চিন্তা কৰিছো যিবিলাক চাহবাগিছাৰ মাটি এনেয়ে পৰি আছে যি সকলে চাহ খেতি নিজে কৰে সেই সকলক প্ৰত্যেককে ১ হেক্টৰ মাটি ঘূৰাই দিয়াৰ কথা কৈছে। ১ হেক্টৰ মাটি ঘূৰাই দিলে তেওঁলোকৰ চাহ খেতি কৰাৰ কাৰণে কিছু সুবিধা হয়। সেই ক্ষেত্ৰত আমি এখন চাহবাগিছাৰ কাষত ৩শ হেক্টৰ মাটি অধিগ্ৰহণ কৰিছো সেই ৩শ হেক্টৰ মাটিৰ মানুহে এখন কো-অপাৰেটিভ কৰিব। অৱশ্যে চাহ বাগিছাৰ সকলোৰে বুজা বুজি আহিব লাগিব। এই ৩শ টা পৰিয়ালৰ মালিকৰ চুক্তি থাকিব লাগিব।

তেওঁলোকৰ এখন কো-অপাৰেটিভ চছাইটি হব। এই চুক্তিত সেই মজদুৰ সকলক যদি মাটিৰ পৰা চাহৰ উৎপাদন নহয় তেওঁলোকক ভৰণ পোষন দিব লাগিব। মই আসাম টি কোৰপোৰেশ্বন আৰু দুটা চেয়াৰমেনক মাটিছো। এইটো বিষয় আলোচনা কৰিব লাগিব। চাহ বাগিছাৰ মাটি চক্ৰান্ত কৰি লৈছে আকৌ মালিকে ঘুৰাই দিছে। সেইটো চাব পাৰিম। সাধাৰণ মজদুৰৰ চাহ খেতিৰ লগত সম্পৃৰ্ক আছে। কো-অপাৰেটিভৰ চুক্তি মতে সেই মাটি খিনিত উৎপাদন নোহোৱালৈকে খোৱা বোৱা দিব লাগিব। তেওঁলোকে এটা সময়ত সম্পূৰ্ণৰূপে মালিকী স্বত্ব পাব। সেয়ে মই আশ্বাস দিব খোজো এতিয়া চৰকাৰক ৪ খন চাহ বাগিছা দিছে। কি পৰিপ্ৰেক্ষিতত এই চাহ বাগিছাৰ মালিক সকলে ঘুৰাই দিয়া হৈছে, মই পৰিক্ষা কৰিব খোজো। বাকী যি মাটি আছে মজদুৰসকলক দাবী দিছে তাৰকাৰণে ব্যৱস্থা কৰিব লাগিব যাতে ভৱিষ্যতৰ আশংকা দুৰ হব। আমি ভাবো কিছুমান কথা কৰিব পাৰিম। সেইহে এইটো আচনি কৰিছো। তেখেতে এটা কথা কৈছে যিসকলক মাটি দিছে সেই সকলক আমি পট্টা দিব পৰা নাই। সেইটো কথা সচা নহয়। বহুত লোকক ইতিমধ্যে পট্টা দিয়া হৈছে। আমাৰ ১৯৮৩-৮৪ চনৰ ৩০ হেজাৰ ৬৮ টা পৰিয়ালক আমি মাটি আৰু ঘৰ সাজিবৰ কাৰণে টকা দিয়াৰ আচনি আচঁনি আছিল। সেই মতে ১৯৮৩-৮৪ চনত ২৭ হেজাৰ লক্ষ আছিল। আমি সম্পূৰ্ণ ২৭ হেজাৰ ৪৩ টা পৰিয়ালক মাটি দিছো। ২ কোটি ১৮ লাখ টকা ট্ৰাইবেল চাবপ্লেনত আছিল। ৩২ লাখ টকা দিয়া হৈছে। সেয়ে দেখা যায় ১৯৮৩-৮৪ চনত ৩১ হেজাৰ ৩ শ ৯ টা পৰিয়ালক মাটি দিয়া হৈছে। সেই কাৰণে সাজপাৰৰ ক্ষেত্ৰত ২ কোটি ৫০ লাখ টকা দিছে। ১৯৮৪-৮৫ চনত সাধাৰণ দুখীয়া পৰিয়ালৰ সংখ্যা হৈছে ২৬ হেজাৰ ৬ শ ৬৭ টা। ট্ৰাইবেলক ২৬ হেজাৰ ৬ শ ৬৭ টকা আৰু এচ, চি,ক ২ হেজাৰ ৭ টকা দিয়া হৈছে। সেই কাৰণে সাজপাৰৰ কাৰণে দিয়া হৈছে ২ কোটি ৫০ লাখৰো অধিক টকা। আমি ইতিমধ্যে নিয়ম কৰিছো এই পট্টাৰ ক্ষেত্ৰত ৰিভিজন পিটিচন দিব লাগে। যিসকলক পজেচন ৰাইট দিছিল তেওঁলোকক পট্টা দিছে। সেই মতে কাম চলাই আছে। যিসকলক পট্টা দিয়া হৈছিল সেইমতে আগৰ জনৰ ক্ষমতা বন্ধ কৰি দিছে। সেয়ে পট্টা নাপায়। তেওঁলোকে মাটিৰ ওপৰত পট্টা নাপায়। এই বিষয়টোত নিশ্চয় চৰকাৰে বিবে-

চনা কৰি চাব। আকৌ কৈছে ৰভিয়াত মাটি পোৱা নাই। তাত মাটিৰ পট্টা দিয়াৰ ব্যৱস্থা কৰা হৈছে। গালিগাওঁৰ কথা কৈছে। এই সম্পৰ্কে আলোচনা কৰিম। নগাওঁৰ কথাটোত ৰিপোৰ্ট আনিম। প্ৰিমিয়াম দিয়াত সকলোকে পট্টা দিয়াৰ কথা উল্লেখ কৰিছে। এইটো পৰীক্ষা কৰি চাব পাৰিম। চৰকাৰে তাক বিবেচনা কৰি আছে। এইখিনি গুৰুত্বৰ বিষয় মাটিৰ বিষয়ে কলো। মোৰ বোধেৰে মাননীয় সদস্য সকলৰ প্ৰশ্নৰ উত্তৰ দিব পাৰিছো। মাটি সম্পৰ্কে মানুহৰ নানা সমস্যা থাকে। আমি আইন সালসলনি কৰি হলেও দুখীয়া মানুহে যাতে মাটি পায় তাৰ নিশ্চয় ব্যৱস্থা কৰিব লাগিব।

শ্ৰীহেমেন দাস :— মই এটা কথা জানিব বিচাৰিছো যিবিলাক চিলিং আইনৰ উৎবৃত্ত মাটি চৰকাৰে গ্ৰহণ কৰিলে সেই মাটি দিব লাগে মাটিহীন মানুহক এই ক্ষেত্ৰত লেণ্ড ৰিফৰ্ম কমিটিৰো আপত্তি আছে কিন্তু সেই মাটি ডিব্ৰুগড়ৰ মঠলা চাহ বাগিছাক কেনেকৈ দিয়া হ'ল ? লেণ্ড ৰিফৰ্ম কমিচনে আপত্তি কৰা স্বত্বেও যিটো আইনত নাই চিলিং উতবৃত্ত মাটি থকা মানুহক দিব নালাগে বুলি তথাপিও কেনেকৈ দিলে মুখ্যমন্ত্ৰীয়ে জনাব নে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) :— অধ্যক্ষ মহোদয় মই কৈছোৱেই যে কথাটো পুনৰ পৰীক্ষা কৰি চাব লাগিব। কাৰণ জিলা কলেক্টৰে মাটি ঘূৰাই দিলেও চৰকাৰে লব পাৰে বা জিলা কলেক্টৰ ঘূৰাই নিদিলেও চৰকাৰে দিব পাৰে সেইটো নিয়ম আছে যেতিয়া এইটো হব পাৰে সেই কাৰণে কথাটো চাব লাগিব।

শ্ৰীহেমেন দাস :— আনইমতে মাটি দিব নোৱাৰে।

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : — নহয় আইনমতে কৰিব পাৰে কাৰণে কৰিছে।

শ্ৰীহেমেন দাস :— লেণ্ড ৰিফৰ্ম মেনুৱেলত সেইটো নাই।

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) :— আইনখন সাল সলনি কৰি থকা হৈছে। আমি এতিয়া আকৌ নগৰৰ মাটিৰ ক্ষেত্ৰতো নিয়ম কৰিছো। নগৰৰ মাটিতো টেনেণ্ট থাকিলে তেওঁলোকক মাটি দিয়াৰ ব্যৱস্থা কৰা হৈছে।

Shri Binoy Kumar Basumatari :—Sir, what about the position af Chapter X and appointment of special ADC ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) :-- সেইখিনি আছে, বিবেচনা কৰি সোনকলে কৰিম ।

শ্ৰীতজমূল আলী লস্কর :— অধ্যক্ষ মহোদয়, কাটলীছড়া চা বাগান সম্পর্কে মুখ্যমন্ত্রী মহোদয় বলেছেন । কিন্তু এই বাগানে চা গছ নাই, মেশিন নাই অথচ দেখা যায় বহু জমি ঐ বাগান কর্তৃপক্ষকে ফেরত্‌ দেওয়া হয়েছে এবং তারা বহু জমি বিক্রীও করে দিচ্ছে । এ সম্পর্কে মুখ্যমন্ত্রী মহাশয় কি বলবেন ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) :— মই কৈছোৱেই গোটেই কথাবিলাক পৰীক্ষা কৰিবলৈ দিয়া হৈছে ।

Shri Chandradhar Kalita :— Sir, I am not going to withdraw my cut motion.

Shri Binoy Kumar Basumatari— Sir, I beg leave to withdraw the cut motion.

Mr. Speaker— Is it the pleasure of the House to grant leave to withdraw the cut motion No. 1 and No. 3 ? (voices 'yes' 'yes')

Leave is granted and the cut motion No. 1 and No. 3 stand withdrawn. Now. I put the cut motion No. 2 that the total provision of Rs. 14,88,01,00 under grant No. 6 in respect of "Land Revenue and Land Ceiling" at pages 37-64 of Volume II, part I of the Budget, be reduced to Re. 1, i. e. the amount of of the whole grant of Rs. 14,88,01,000 eo stand reduced to Re. 1.

The cut motion is lost. Now I put the main grant that a sum of Rs. 14,88,01.000 be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March,

1986 for the admidistration of "Land Revenue and Land Ceiling".

Grant No. 6 is passed. Now Grant No. 64.

Shri Hiteswar Saikia (chief minister ) :— On the recommendation of the Governor of Assam I beg, Sir, to move that a sum of Rs. 21,54,22,000 be granted to the Minister in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1986 for the administration of "Industries".

Mr. Speaker — There are two cut motions, the first one to be tabled by Shri Mathura Deka and the second one to be tabled by Shri Hemen Das, Shri Mathura Deka to move first.

শ্ৰীমথুৰা ডেকা :— মাননীয় অধ্যক্ষ মহোদয়, এই মুঠ ২১ কোটি ৫৪ লাখ ২২ হাজাৰ টকাৰ মঞ্জুৰী নং ৬৪ উদ্যোগ শিতানত পৃষ্ঠা ১-৪২, ভলিউম ২. পাৰ্ট ফৰটিন বাজেটৰ এটকালৈ হ্ৰাস কৰিবলৈ অৰ্থাৎ গোটেই টকাৰ এটকালৈ হ্ৰাস কৰিবলৈ প্ৰস্তাৱ আগবঢ়ালো ।

Shri Hemen Das – I beg to move that the total provision of Rs. 2I,54,52,ooo under Grant No. 64 in respect of "Industries" at pages I-42 of Volume II, part XIV of the Budget be reduced to Re.1, i.e. the amount of the whole grant of Rs. 2I 54 22,ooo, do stand reduced to Re. 1.

এই বিষয়ে বহুতেই আলোচনা কৰিবলগীয়া আছিল কিন্তু সময় খুব কম। এই কম সময়ৰ ভিতৰতে কেইটামান কথা দাঙি ধৰিব বিচাৰিছো। যোৱা বছৰ অসমক ইলেকট্ৰনিক মানচিত্ৰত অনা হৈছে। অহা সপ্তম পৰিকল্পনাত ইলেকট্ৰনিকচত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। এইখিনিতে মই এটা কথা কব বিচাৰিছো যিটো ইলেকট্ৰনিক কৰ্পোৰেচন কৰা হৈছে

তাত যি প্ৰভিজন আছে টেকনিকেল নো হাও। এই বিষয়টোৰ ওপৰত নজৰ দিবলগীয়া হৈছে। আমাৰ লৰা ছোৱালীয়ে প্ৰয়োজনীয় শিক্ষা আহৰণ কৰিব পাৰে তাৰ চেষ্টা কৰিব লাগে। ইলেকট্ৰনিক বিষয়টো আমাৰ ইঞ্জিনিয়াৰিং কলেজত দিয়া বেছিদিন হোৱা নাই। গতিকে আমাৰ যুৱক যুৱতিয়ে যাতে নিয়োগ পায় তাৰ কাৰণে বেলেগ ব্যৱস্থা কৰিব লাগিব।

গতিকে অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যখনত এই 'ইলেকট্ৰনিকস' প্ৰচলিত কৰাৰ লগে লগে তাত যি বিলাক মানুহ নিয়োগ হব সেই বিলাক যাতে আমাৰ অসমৰে থলুৱা মানুহ হয় তাৰ কাৰণে এই দিশটোৰ প্ৰতি আমি নজৰ দিবলাগিব। স্থানীয় যুৱক সকলক 'টেকনিকেল পাৰ্চনেলিটি হিচাবে প্ৰশিক্ষণ দি তুলিব লাগিব।

অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰে 'কম্পজিট ল'ন'ৰ নিছিনা যি বিলাক আঁচনি লৈছে সেই বিলাক সৰ্বাঁকৈয়ে ভাল আঁচনিয়েই হৈছে। যোৱা বছৰ এই আঁচনিৰ অধীনত ৮ হেজাৰ ২০০ যুৱকে ঋণ পাইছিল। এই বছৰ আশা কৰা হৈছে তাতকৈ আৰু বেছি হব। কিন্তু ইয়াৰ লগত এই কথাটোৰ প্ৰতিও নজৰ দিব লাগিব যে যি উদ্দেশ্য আৰু লক্ষ আগত ৰাখি এইটকা বিলাক দিয়া হৈছে সেই উদ্দেশ্য আৰু লক্ষ পূৰণ হবলাগিব। আমি যি দেখিছো উদ্যোগৰ টকা মাথোন কেইজন মান মানুহেহে পাইছে। কিছু-মান ধুৰন্ধৰ মানুহে সকলো ফালৰ পৰাই ঋণ আদায় পাইছে। কিন্তু সেই টকা আজি আদায় হোৱা নাই। কোন জিলাত কিমান ঋণ দিছে তাৰ হিচাব চালেই দেখা যায় যে, সেই টকা বিলাক আদায় নহয়। বিভিন্ন ধৰণেৰে ঋণ নিয়ে। এইবাৰ সকলো বিলাক অঞ্চললৈকে ঋণ যোৱাৰ যি ব্যৱস্থা কৰা হৈছে তাৰ লগে লগে আহিছে প্ৰবল গতিৰ প্ৰতিৰোধ। মোৰ সমষ্টিৰে এখন অতি পিছপৰা মৌজা আছে যত বেছিভাগ মানুহেই হৈছে ট্ৰাইবেল মানুহ, তাৰ পিছতে অ, বি, চি আৰু জেনেৰেল কাষ্টৰ মানুহো খুউব কম সংখ্যকহে আছে। এইবাৰ তাত ২১ জন লৰাৰে এটা ডি, আই, চি খোলা হৈছে। কিন্তু বৰপেটা বোডৰ এচ, বি, আইয়ে তাত টকা নিদিও বুলি কৈছে এই কাৰণেই যে নদী পাৰ হৈ যাব লাগে। মই এই বিষয়ে মাননীয় মুখ্যমন্ত্ৰীক কৈছো।

মাননীয় অধ্যক্ষ মহোদয়, আন অঞ্চল যত দুটা সমষ্টি পৰে, জনিয়া আৰু সৰভোগ। তাতো বেংকে কৈছে যে, ইমান জনৰ ওপৰত হলে ঋণ নিদিয়ে। ফলত লৰা বিলাক বেংকৰ ঋণ পোৱাৰ পৰা বঞ্চিত হৈছে। এইটো কিয় হবলৈ পাইছে ? সাধাৰণ মানুহ বিলাকৰ হাতলৈ যাতে উদ্যোগ বোৰ যাব নোৱাৰে তাৰ কাৰণে এক দৃঢ় প্ৰতিবন্ধকতাৰ সৃষ্টি কৰা হৈছে। সেইদৰে, আই, আৰ, ডি'টা একেই অৱস্থা হৈছে। সাধাৰণ মানুহ গলে গণ্ডগোল হয়। বেংকৰ লগত কি ধৰণেৰে এইটো 'চেক আপ' কৰে সেইটো আমাৰ মুখ্যমন্ত্ৰীয়েহে জানিব। আচঁনি বিলাক কাৰ্য্যকৰী কৰিবলৈ যাওঁতে বেংকে বাধা প্ৰদান কৰিছে। উদ্যোগ বিভাগৰ সৰু সৰু কৰ্ম্মচাৰী বিলাক ভাগৰি গৈছে। এই বিলাক অঞ্চলত টকা দিবলৈ যাতে বেংকে কুণ্ঠাবোধ নকৰে তাৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰীয়ে যোগাযোগ কৰিব লাগে। আমি দেখিছো তিনিজন লৰাই ঋণ লৈ কাম কৰিছে। এইবাৰো দোকান খুলিবলৈ ব্যৱস্থা কৰিছে। কিছুমানে মাটি কিনিছে, কিছুমানে মটৰ চাইকেল আদি কিনিছে। যি উদ্দেশ্যত টকা বিলাক দিয়া হৈছে সেই সেই উদ্দেশ্যত যদি টকা বিলাক খৰচ নহয় তেতিয়াহলে, সেই টকা কিলাক অনতিপলমেই ঘূৰাই অনাৰ দিহা কৰিব লাগে।

গাৱঁৰ লৰাবিলাক দৰ্খাস্ত লৈ আহিছে কিন্তু সেই দৰ্খাস্ত বিলাক নাকচ হৈ গৈছে। "ষ্টক বিজিনেছ" কি সেইটো বুজি নেপায়। এই 'ষ্টক বিজিনেছ বি, এল, চিৰ যোগেদিপাৰ হৈ গল। যি সকল ইন্দাষ্ট্ৰিৰ সম্প্ৰসাৰণ বিষয়া আছে সেই, সকলে কোন অঞ্চলত কোন ইন্দাষ্ট্ৰি গঢ়ি তুলিলে জীৱিকা নিৰ্ব্বাহ কৰাত সুবিধা হব সেইটোৰ গাইডেঞ্চ থিক মতে দি নিজৰ দায়িত্ব পালন কৰিব পৰা নাই। ফলতেই এই দৰ্খাস্ত সমূহ বাতিল হৈ গৈছে। এই বিলাক ক্ষেত্ৰত উপযুক্ত নিতী নিৰ্দ্দেষণা থাকিব লাগিব। এই খিনিকে কৈ মই কৰ্ত্তন প্ৰস্তাৱটো উত্থাপন কৰিছো।

শ্ৰীমথুৰা ডেকা :— মাননীয় অধ্যক্ষ মহোদয়, মোৰ কবলগীয়া বিশেষ নাই। আমাৰ ঘৰুৱা উৎপাদিত কিছুমান বস্তুৰ ওপৰতে কিছুমান উদ্যোগ গঢ় উঠে। আয়ুৰ্ব্বেদিক প্ৰডাক্টচ এটা অতি শক্তিশালী উদ্যোগ। ইয়াৰ প্ৰয়োজনীয় কেচামাল আমাৰ অসমত প্ৰচুৰ আছে। ইয়াৰ পৰিসৰ বৃদ্ধি হলে সৰ্ব্বভাৰতীয় ক্ষেত্ৰত ব্যৱসায় গঢ়ি তোলাত সহায়ক হব।

শ্ৰীৰমেশ ফুকন :— মাননীয় অধ্যক্ষ মহোদয়, সময় সীমা ৫ বাজি ৩০ মিনিট-লৈকেহে বন্ধা আছিল।

MR SPEAKER :— But there was objection by some of the Hon. Members who wanted to extend the House beyond that. It was the desire of the Hon. Finance Minister to extend upto 5.30 P.M., but at the same time it was proposed by some Hon Members-"No, let us extend it beyond that."

শ্ৰীমথুৰা ডেকা :— মাননীয় অধ্যক্ষ মহোদয়, তামোল-নাৰিকলৰ বাকলি, আহঁ আদিৰ পৰাও একোটা ডাঙৰ উদ্যোগৰ সম্ভাৱনা ইয়াত আছে। মই এই কেইটা কথাৰ প্ৰতিয়েই নজৰ দিব বুলি আশা কৰি মোৰ কৰ্ত্তন প্ৰস্তাৱটো উঠাই লৈছো।

শ্ৰীপূৰ্ণ বড়ো :— মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা কব বিচাৰিছো। এ-আই-ডি-চিৰ আওতাৰত ভালেকেইটা উদ্যোগ আছে যেনে এচকন, এ-আই-এল, ফাৰ্টিলাইজাৰ কৰপোৰেশ্বন ইত্যাদি এই আটাইকেইটাৰে অৱস্থা ভাল নহয়। নাৰেঙ্গীৰ যিটো ফাৰ্টিলাইজাৰ কৰপোৰেশ্বন আছে এ-আই-ডি-চিৰ আওতাৰত সেইটোৰ উৎপাদন এতিয়া ভাল হৈছে। তেওঁলোকে চৰকাৰৰ পৰা দহ লাখ টকাৰ লোন বিচাৰিছিল আৰু সেই টকা ৰিফাণ্ডো কৰিছে। দেখা যায় যে ১৯৮৪-৮৫ চনত এঘাৰ হাজাৰ পাচশ মেট্ৰিক টন উৎপাদন কৰিছিল আৰু ১৯৭৯-৮ চনত সাত হাজাৰ পাচশ উনচল্লিশৰ অলপ বেছি কৰিছিল। এতিয়া আগতকৈ অৱস্থা ভাল কিন্তু তেওঁলোকক মূলধনৰ প্ৰয়োজন হৈছে। গতিকে এ-আই-ডি-চিৰ পৰা ৰিক'মেণ্ড কৰিব লাগে আৰু চৰকাৰৰ ফালৰ পৰা লোন দিব লাগে। তাত ৩২ জন কৰ্ম্মচাৰী আছিল সেই সকলৰ ওপৰিও প্ৰায় দুশ জন কৰ্মী ইয়াৰ দ্বাৰা পৰোক্ষ ভাৱে উপকৃত হয়। গতিকে মই এই উদ্যোগৰ কাৰণে লোন দিয়াৰ বাবে আবেদন জনালো। ইয়াৰ উপৰিও পানীখাইতীৰ হাৰ্ডবোৰ্ড ফেক্টৰি বন্ধ হৈ গৈছে চন্দ্ৰপুৰৰ সুতাকল প্ৰায় বন্ধ হোৱা অৱস্থা। সেই বিলাকত কামৰূপ পেপাৰ মিলৰ নিচিনা পুনৰ উদ্যোগ চালু কৰা সময়ত যাতে পুৰণা কৰ্ম্মী সকলক নোলোৱা

কাৰ্য্যৰ নিচিনা যাতে কৰা নহয়। সেই কথা লক্ষ্য ৰাখিবলৈ অনুৰোধ ৰাখি সামৰিছো।

শ্ৰীচন্দ্ৰধৰ কলিতা ঃ— মাননীয় অধ্যক্ষ মহোদয়, মই অলপ কব খুজিছো।

Mr. Speaker :— Now, Hon'ble Members will try to understand. I hope, the Hon'ble Member will not repeat, if he again repeats then I will stop.

শ্ৰীচন্দ্ৰধৰ কলিতা ঃ— চমুকৈ কম। কৰ্ত্তন প্ৰস্তাৱ নহয়। উদ্যোগ দৰকাৰী বিভাগ কাৰণেই কব বিচাৰিছো। এটা কথা আমাৰ মাননীয় সদস্য সকলে নিশ্চয় বুজিব যে উদ্যোগ হৈছে আমাৰ নিবনুৱা সমস্যা সমাধান কৰাৰ এক পকৃষ্ট উপায়। এই নিবনুৱা সমস্যাৰ প্ৰতি চৰকাৰ নিশ্চয় অৱগত। বছৰটোত তিয়াল্লিশ হাজাৰ শিক্ষিত নিবনুৱা হয় আৰু শতকৰা কৃষি নিবনুৱাৰ সংখ্যা হয়গৈ পঞ্চাশ ভাগ। এই নিবনুৱা সমস্যা সমাধান কৰাৰ কাৰণে কৃষিভিত্তিক উদ্যোগ গঢ়ি তুলিবলৈ চেষ্টা কৰিব লাগে। আমাৰ যি বিলাক উদ্যোগ আছিল অশোক পেপাৰ মিল, গ্লাচ ফেক্টৰি, এভাৰেষ্ট চাইকেল ফেক্টৰি আদি পুনৰ সজীৱ কৰা দৰকাৰ হৈ পৰিছে। এ-আই-ডি-চৰ আওতাৰত প্ৰায় দুশ ছাব্বিশটা সৰু উদ্যোগ আছে এই সকলোবোৰ মৃতপ্ৰায় অৱস্থা। এনে অৱস্থাত। এবৈকশ কোটি চৌৱান্ন লাখ বাইশ হাজৰ টকা উদ্যোগ বিকাশৰ কাৰণে যথেষ্ট নহয়। আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে কৈছে যে বিয়াল্লিশ কোটি টকা অশোক কাগজ কলৰ কাৰণে যথেষ্ট নহয়। সেইটো সক্ৰিয় কৰাৰ কাৰণেই ইয়াতকৈও বেছি টকা লাগিব। এনে অৱস্থাত আমি চাব লাগিব। ৬৬৩ টা উদ্যোগ মৃতপ্ৰায় হোৱাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে ৰাজহুৱা ভাবে সহায় কৰিবলৈ আগবাঢ়ি আহিছে। অসম চৰকাৰেও মৃত্যুমুখী উদ্যোগ সজীৱ কৰিবলৈ চেষ্টা কৰিব লাগে আৰু কৃষিভিত্তিক উদ্যোগ বিকাশ কৰিবলৈ আহিব লাগে নহলে সমস্যা সমাধান নহব আৰু নানা ৰকমৰ বিশৃংখলাৰ সৃষ্টি হব তেতিয়া আকৌ পুলিচ বিভাগত বেছি ধন ব্যয় কৰিবলগীয়া হব।

Mr. Speaker :— No. no, no Mr. Kalita dont come back to Police again.

শ্ৰীচন্দ্ৰধৰ কলিতা :— এইবিলাক অনিবাৰ্য্য বহুতো সমস্যাৰ সৃষ্টি হব। এই উদ্যোগ বিলাকৰ সমস্যা সমাধান কৰিব নোৱাৰিলে আন বহুতো সমস্যাৰ সৃষ্টি হব আৰু তেতিয়া পুলিচ শিতানৰ দৰকাৰ হব। গতিকে মই মিচ-মেনেজমেণ্ট সম্পৰ্কে দুটামান কথা কব খুজিছো। এই মিচ মেনেজমেণ্টৰ কাৰণেই উদ্যোগৰ বিপদ হয় গতিকে মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছো যেন এই দিশলৈ চকু দিয়ে।

*শ্ৰীহিতেশ্বৰ শইকীয়া, (মুখ্যমন্ত্ৰী) :— মাননীয় অধ্যক্ষ ডাঙৰীয়া, আজি মাননীয় সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়াই ইলেকট্ৰনিক ইণ্ডাষ্ট্ৰি সম্পৰ্কে কৈছে। আমি ইতিমধ্যে এটা ইলেকট্ৰনিক ডেভেলাপমেণ্ট কৰপোৰেশ্বন আৰম্ভ কৰিছো আৰু মাননীয় সদস্য দাস ডাঙৰীয়াই শুনি সুখী হব যে এই ইলেকট্ৰনিক ডেভেলাপ-মেণ্ট কৰপোৰেশ্বনৰ নিযুক্তি দিয়া প্ৰায় সকলোখিনি মানুহ স্থানীয়। ইতি-মধ্যে নিয়োগ কৰা পাচ জন ইঞ্জিনীয়াৰ অসমৰে স্থানীয় ইঞ্জিনীয়াৰ ইয়াতে কম্পিউটাৰ ট্ৰেনিঙৰো ব্যৱস্থা কৰা হৈছে। এই ইলেকট্ৰনিক ডেভেলাপমেণ্ট কৰপোৰেশ্বনত ইলেকট্ৰিক কেলকুলেটৰ প্ৰডাকশ্বনৰ কাম আৰম্ভ কৰা হৈছে। ইতিমধ্যে পচিশ জন স্থানীয় ব্যৱসায়ী লোকক ইলেকট্ৰনিক ইণ্ডাষ্ট্ৰিৰ বঢ়োৱাৰ কাৰণে অনুমতি দিয়া হৈছে। দুজনক ব্লেক এণ্ড হোৱাইট টি-ভি কাম কৰাৰ কাৰণে অনুমতি দিয়া হৈছে আৰু কাম আৰম্ভ কৰিছে। অহা আগষ্ট মাহৰ ভিতৰত ব্লেক এণ্ড হোৱাইট টি ভিৰ কাম সম্পূৰ্ণ হব বুলি আশা কৰা হৈছে। অেখেতে নিবনুৱা শিক্ষিত লোকক লোন দিয়াৰ কথা কৈছে। আমি যোৱা বছৰ ৰাজ্যখনত আঠ হাজাৰ এৰৈশ জন নিবনুৱা শিক্ষিত যুৱকক পোন্ধৰ কোটি টকাৰ লোন দিছো। আৰু ইতিমধ্যে তেওঁলোকে ব্যৱসায় আৰম্ভ কৰিছে। আমাৰ যোৱা বছৰৰ ছয় হাজাৰ সাতশ নিবনুৱা যুৱকক লোন দিয়াৰ লক্ষ্যৰ বিপৰীতে এই আঠ হাজাৰ এৰৈশ জন নিবনুৱা যুৱকক লোন দিয়া হৈছে। প্ৰতিটো ব্লকৰ পৰা উন্নয়ন খণ্ডৰ পৰা এই বাচনি কৰি লোৱা হৈছিল। তেখেতে কোৱাৰ দৰে দুই চাৰি ঠাইত বেংকৰ লগত আদান প্ৰদানত অসুবিধা নোহোৱা নহয়। কিন্তু আমি প্ৰায় আটাইবিলাক ঠাইতে বেংকৰ পৰা সহযোগিতা পাইছো। অৱশ্য দুই এঠাইত বেংকে

*Speech not corrected

অসহযোগ কৰা কথা মই অস্বীকাৰ নকৰো। কিন্তু তাৰ তুলনাত ৰাজ্য-খনত বেংকৰ সহযোগ খুব বেছি। মই উদাহৰণ স্বৰূপে কব বিচাৰিছো যে বছৰটোত আমাৰ লক্ষ্য আছিল আশী হাজাৰ চাৰিশ যুৱকক আই-আৰ-ডি-পিৰ অধীনত লোন দিয়া, কিন্তু তাৰ বিপৰীতে আমি যোৱা বছৰটোত এক লাখ নিৰান্নৈব হাজাৰ জন মানুহক আই-আৰ-ডি-পিৰ জৰিয়তে লোন দিব পাৰিছো। এইটোয়ে প্ৰমাণ কৰে যে আচলতে বেংকে সহযোগিতা আগবঢ়াইছে।

বেংক ৰাষ্ট্ৰীয়কৰণ হ'ল হয় কিন্তু বেংকৰ কৰ্মচাৰীসকলৰ মন বিলাক ৰাষ্ট্ৰীয়কৰণ হোৱা নাই। তেওঁলোকৰ আগৰ যিটো ধাৰণা যে ধনী মানুহক ঋণ দিব লাগে আৰু তেতিয়া ঋণটো সহজেই ঘুৰাই পায় আৰু ধনী মানুহে সৰহকৈ টকাতোও দিব পাৰে, সুতও বেচিকৈ দিব পাৰে। কিন্তু আমি আচনি লৈছো সৰু সৰু আচনি, ৮ হাজাৰ ৫ হাজাৰ টকাৰ। এই বিলাকত তেওঁলোকে আমনি পায়। কিন্তু কিছু দিনৰ পৰা বেংকৰ পৰা আমি সহযোগীতা পাইছো আৰু সেই কাৰণে বেংকলৈ আমাৰ কৃতজ্ঞতা জনাইছো। এতিয়া ৮ হাজাৰ লৰাই লোণ লৈ ভাল কাম কৰিছে। কৰবাত কৰবাত জোনাই, ধেমাজী ইত্যাদি ঠাইত অভিযোগ পাইছো দুজন-মান যুৱকে হেনো লোণ লৈ মটৰ চাইকেল, ভি.ডি. ও কিনিছে। এই ৮ হাজাৰ ২১ জনৰ ভিতৰত দুই চাৰিজনে কৰবাত বেয়া কাম কৰিব পাৰে কিন্তু বেচিভাগেই ভাল কাম কৰিছে। এই শিক্ষিত যুৱক সকলে প্ৰশিক্ষণ লৈ যিবিলাক কাম কৰিছে, সেইবিলাক প্ৰদৰ্শনীতো সকলোৰে প্ৰশংসনীয় হৈছে আৰু ভাৰতবৰ্ষত যিকোনো ব্যৱসায়ীৰ লগতেই ফেৰ মাৰিব পাৰিছে। অসমৰ অৰ্থনীতি আৰু ইয়াক শক্তিশালী কৰিবলৈ হলে আৰু অসমৰ টকা অসমত ৰাখিবলৈ হলে আমি ব্যৱসায়ত যাব লাগিব। যোৱা বছৰ ৮ হাজাৰ ২১ জন আছিল। এই বছৰ ৮ হাজাৰ ২ শ জনক দিব লাগিব, মুঠ ১৬ হাজাৰৰো ওপৰত হব। আমি সকলোৱে যদি আন্তৰিকতাৰে লাগো আমাৰ অসমৰ অৰ্থনীতি টনাকয়াল কৰিব পৰা হব। শ্ৰী ডেকাই তামোল পাণ, নাৰিকল আদিৰ ব্যৱস্থা কৰিবলৈ কৈছে এইটো সৰুসুৰা শিল্পত পৰে, এই বিষয়ে আমি চাম। আপোনালোকে জানে যে ইলেকট্ৰনিকচ্ৰ সম্পৰ্কত কেন্দ্ৰীয় চৰকাৰে যথেষ্ট আগ্ৰহ দেখুৱাইছে। ইতি-

মধ্যে তেখেত সকলে জনাইছে যে এখন ইঞ্জিনীয়াৰিং কলেজত, এখন পলিটেকনিকত আৰু হায়াৰ চেকেণ্ডাৰী স্কুলত ইলেকট্ৰনিকচৰ প্ৰশিক্ষণৰ কাৰণে সকলো খৰচ আৰু সুবিধা তেওঁলোকে দিব। প্ৰশিক্ষণৰ ব্যৱস্থা তেওঁলোকে কৰি দিব পাৰিলে নিশ্চয় অসম ইলেকট্ৰনিকচ্‌ৰ ক্ষেত্ৰত বহুখিনি আগবাঢ়ি যাব পাৰিব। শ্ৰীবড়োৱে ফাৰ্টিকেমৰ বিষয়ে কৈছে, এই সম্পৰ্কে মই নজৰ ৰাখিছো। তাত যিখিনি নিয়োগ কৰা লোক আছে সেইখিনিৰ বেচি ভাগেই প্ৰশিক্ষণ প্ৰাৰ্থী। তাৰে ২০০ মান কৰ্মচাৰীক ৰেগুলাৰাইজ কৰাৰ কথা আছে। এইটো আমি বিবেচনা কৰি আছো। এ, আই ডি, চিৰতলত বহুতো ইণ্ডাষ্ট্ৰি আছে কথাটো সচা। তাৰে বহুতো ইণ্ডাষ্ট্ৰি ভাল ভাবে চলা নাই সেইটোও সচা। অৱশ্যে আমাৰ অসমতেই নহয় ভাৰতবৰ্ষৰ বহু ঠাইত পাবলিক চেকটৰত ভাল অৱস্থা নহয়। অসমতো আছে অশোক পেপাৰ মিল, জুট মিল, হাৰ্ড বোৰ্ড ইত্যাদি উদ্যোগ আছে সেই বিলাকৰ অৱস্থা ভাল নাছিল কিন্তু আসাম পেট্ৰোকেমিকেল কমপ্লেক্স নামৰূপ, অসম টি কৰ্পোৰেচন, এচকন ইত্যাদিয়ে লাভ দেখুৱাবলৈ আৰম্ভ কৰিছে। এইদৰে ভালেমান উদ্যোগ আছে যিবিলাকে পাবলিক চেকটৰত লাভ দেখুৱাইছে। অসম টি কৰ্পোৰেচনে যোৱা বিশ বছৰে লোকচান ভৰি আহিছিল কিন্তু এই বছৰৰ পৰা লাভ হবলৈ আৰম্ভ হৈছে। গতিকে আমি সকলোৱে যদি আন্তৰিক-তাৰে লগ হও আৰু কথা বিলাক ভালকৈ চাও তেতিয়াহলে উদ্যোগৰ গতিত আমি আগবাঢ়ি যাব পাৰিম। এইবছৰ ৬।৭ টা পাবলিক চেকটৰে লাভ দেখুৱাইছে। মই আগতেই কৈছো অশোক পেপাৰ মিল আৰু জুট মিলৰ কৰ্ম্মচাৰী সকলৰ দায়িত্ব আছে। বন্ধ বুলিলেই যে বন্ধ হব, জনতা কাৰ্ফিউ হব, আন্দোলন কৰিব এইদৰেতো উদ্যোগ হব নোৱাৰে। অশোক পেপাৰ মিলৰ কাৰণে ৫৭ কৌটী টকা আই, ডি, বি ৰ পৰা আনিব লগীয়া হৈছে। তেওঁলোকক বুজাই পৰাই এই টকা আনিববগীয়া হৈছে আৰু এই টকাতো আমি ঘুৰাই দিব লাগিব। তাত যদি মানুহে কাম কৰিব নিবিচাৰে কেৱল বোনাচৰ দাবীৰে কৰি থাকে কেনেকৈ হব ? এই বাৰ অসমৰ বাগিচা বিলাকত শতকৰা ১০ ভাগ মজুৰীৰ বোনাচ পাইছে। আজি মিলৰ বা কোম্পানীৰ মজুৰী সকলে যদি বা বনুৱা বা কৰ্ম্মচাৰী সকলে যদি নিজৰ বুলি এণ্ডাষ্ট্ৰীতো নাভাবে তাৰ লাভৰ কাৰণে চিন্তা নকৰে তেতিয়া হলে ৰাইজৰ টকাৰে এইটো উন্নত কৰা সম্ভৱ নহয়। বিধান সভাৰ সদস্য

সকলো আগবাঢ়ি আহিব লাগিব, কৰ্ম্মচাৰী সকলে বুজিব লাগিব তেতিয়াহে আমি আগবাঢ়িব পাৰিম এইখিনিকে কৈ তেখেত সকলে অনা কৰ্ত্তন প্ৰস্তাৱটো উঠাই লবলৈ অনুৰোধ কৰিলো।

শ্ৰী হেমেন দাস :—চাৰ, খাইজাবেছীৰ লৰা কেটাক বেংকে যে লোণ নিদিলে কি কৰিম ? মই উঠাই লৈছো।

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী) :— নামকেইটা দিলে মই চাম।

শ্ৰীমথুৰা ডেকা :— মই উঠাই লৈছো।

Mr.. Speakcr— Is it the pleasure of the House to grant leave to withdraw the cut motion ? (voices : yes,yes ). Leave is granted and the cut motion stands withdrawn.

Now I put the grant that a sum of Rs. 21, 54, 22,000 be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31 st March, 1986 for the administration of "Industries".

Grant No. 64 is passed.

Now grant No. 66

Shri Hiteswar Saikia. ( Chief Minister)— Sir, on the recommendation of the Governor of Assam, I beg to move that a sum of Rs. 5,08,17 000 be granted to to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31 st March, 1986 for the administration of "Cottage Industries".

শ্ৰী মথুৰা ডেকা — মই উঠাই লৈছো।

Mr. Speaker – You have not moved ? ( Shri Mathura Deka Yes ). Now. I put the grant that a sum of Rs.5,08,17,000 be granted to the minister-in-charge to defray the charge

which will come in course of payment during the year ending the 31 st March, 1986 for the administration of "Cottage Industries".

Grant No. 66 passed.

Now grant No 47

Shri Hitcswar Saikia (Chief Minister)—Sir on the recommendation of the Governor of Assam I beg to move that a sum of Rs. 14 50,00,000, be granted to the Minister in-charge to defray the charges which will come in course of gayment during the year ending the 31st March, 1986 for the administration of "Natural Calamities".

Mr. Speaker—There is a cut motion tabled by Shri Mathura Deka.

শ্ৰীমথুৰা ডেকা :— অধ্যক্ষ মহোদয়. মঞ্জুৰীৰ শিতানত মুঠ ১৪ কোটি ৫০ লাখ টকা ৪৭ নং মঞ্জুৰীৰ শিতানত যিটো বিচৰা হৈছে সেই সম্পৰ্কত মই কওঁ যে মই কেইদিনমান আগতে মুখ্যমন্ত্ৰী ডাঙৰীয়াক লগ ধৰিছিলো— ঘূৰ্ণী বায়ু কমলপুৰ সমষ্টিতেই নহয় ৰঙ্গিয়াতো গ'ল, আনকি মঙ্গলদৈতো হৈগৈছে। বিশেষকৈ কমলপুৰত বেছি ক্ষতি হৈছে আৰু এই সন্দৰ্ভত আমাৰ ৰাজ্যিক ৰাজহ মন্ত্ৰী তালৈ গৈ চাই আহিছে। এই ধুমুহাৰ ফলত ৭ ঘৰ মানুহৰ ঘৰত জুই লাগিল। জুই জপিয়াই জপিয়াই লাগিল আৰু অ'ত ত'ত সিচৰিত হৈ ৭ ঘৰ মানুহৰ ঘৰ শেষ কৰিলে। এঘৰত: টা বলধ গৰু ৩ জনী গাইগৰু পুৰি মৰিল। সেই মানুহ কেইজনৰ অৱস্থা একেবাৰে নাইকীয়া হৈ হৈগৈছে। চৰকাৰে একোখনকৈ ত্ৰিপাল দিছে আৰু ৩ হাজাৰ কৈ টকা সহায় আগবঢ়াইছে আৰু কিছু সামান্য সহায় আগবঢ়াইছে। এইঁ মানুহ কেইজন খেতিয়ক মানুহ আছিল। তেওঁলোকৰ অৱস্থা একেবাৰে শোচনীয়। অইন আৰু একো উপায় নাই। গতিকে মই আপোনাৰ জৰিয়তে মুখ্য মন্ত্ৰীমহোদয়ক এই কেইঘৰ মানুহক ৩ হাজাৰ টকাৰ ওপৰঞ্চ আৰু কিছু সাহায্য,

টিনপাত ইত্যাদি দিবলৈ অনুৰোধ জনালো কিয়নো খেৰৰ ঘৰ বান্ধিবলৈ আজিকালি বহুত টকা লাগে। কমলপুৰত ২৪খন স্কুল প্ৰাইমাৰী স্কুল, এম. ই স্কুল, হাইস্কুল ইত্যাদি বিধ্বস্ত হ'ল। যোৱা ৰবিবাৰে মুখ্যমন্ত্ৰী ডাঙৰীয়া গৈছিল। তেখেতে যি ঠাইত মিটিং কৰিছিল সেইখন স্কুলৰ টিন পাতেই উৰি গ'ল আৰু এখন বেকা হৈ বৈ গ'ল। এতিয়া স্কুলত পৰীক্ষা চলি আছে। তেওঁলোকে গোসাঁই ঘৰত পৰীক্ষা লব লগা হৈছে। এখন ছোৱালী হাইস্কুল চূৰ্ণকৃতি হৈ গ'ল। এইদৰে ২৪টা স্কুল নষ্ট হৈ গৈছে। এইটো ৰাইজৰ সাহাৰ্য্যৰ দ্বাৰা কৰাতো সম্ভব নহয়। গতিকে চৰকাৰৰ পৰা সাহাৰ্য্য দিবলৈ অনুৰোধ কৰিছো। এই ধুমুহাত বহুলোকৰ ঘৰ দুৱাৰ চূৰ্ণীকৃত হৈছে। বহুলোকৰ থাকিবলৈ ঘৰ নাইকীয়া হৈছে। বৰ্ত্তমান খেৰ নাটনী খেৰৰ গোট ডেৰশ টকা হৈছে। এনে পৰিস্থিতিত ঘৰ ভঙা লোক সকলক সাহাৰ্য্য দিয়াৰ বাবে মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। আৰু এই উদ্দেশ্যে এই কৰ্ত্তন প্ৰস্তাৱটো উত্থাপন কৰি এইখিনি কৰিবলৈ মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনাই মোৰ কৰ্ত্তন প্ৰস্তাৱটো উঠাই ললো।

Mr. Speaker :— Is it the pleasure of the House to leave grant to withdraw the Cut Motion ?

Leave is granted and Cut Motion is withdrawn.

Now I put the Grant No. 47 that a sum of Rs. 14,50,00 000/ be granted to the Minister-in Charge to defray the charges which will come in course of payment during the year ending the 31st March, 1986 for the administration of "Natural Calamities".

Grant No. 47 is passed.

Now Grant No. 15.

Shri Hiteswar Saikia (Chief Minister) :— On the recommendation of the Governor of Assam, I beg, Sir, to move

that a sum of Rs. 9,36,76,000/- be granted to the Minister-in-Charge to defray the charges which will come in course of payment during the year ending the 31st March 1986 for the administration of "Civil Secretariat and Attached Offices".

Mr. Speaker :— There is a Cut Motion moved by Shri Benoy Kumar Basumatary, Shri Alit Chandra Boro, Shri Mohammad Hussain and Shri Tajamul Ali Laskar. Now, Shri Benoy Kumar Basumatary to move.

Shri Benoy Kumar Basumatary :— Mr. Speaker, Sir, I beg to move that a total provision of Rs. 6,36,76,000/- under Grant No. 15 in respect of "Civil Secretariat and attached offices" at pages 7-46 of volume II, Part IV of the Budget be reduced to Re. 1. i. e. the amount of the whole grant of Rs. 6,39,76,000/-, do stand reduced to Re 1.

Sir, I have only one point. Sir, I want to get a clarification from the Hon'ble Chief Minister. During the session a list was furnished before the House that the Secretariat has completed a process of recruiting people for its various offices. We would like to know that while recruiting these people, whether the present policy of representing all the communities of the State, keeping in view the population pattern would be enforced and with this I move my Cut Motion.

Shri Hiteswar Saikia (Chief Minister) :— Sir, I will look into it.

Shri Binoy Kumar Basumatari :— Sir, looking into the matter, now a days, has no bearing. So, we would like to have a categorical reply that in the process that has already been completed will reflect some new procedure.

Shri Hiteswar Saikia (Chief Minister) :— Sir, that will be done.

Shri Benoy Kumar Basumatary :— Sir, I beg leave to withdraw the Cut Motion.

Mr. Speaker :— Is it the pleasure of the House to grant leave to withdraw the Cut Motion ?

Leave is granted and Cut Motion is withdrawn. Now, I put the Grant No. 12 that a sum of Rs. 6,36,-76,000/- be granted to the Minister in-charge to defray the charges which will come in course of payment during the year ending the 31st March 1986 for the administration of 'Civil Secretariat and Attached Offices".

Grant No. 15 is passed.

Now, Grant No. 16. Chief Minister to move.

Shri Hiteswar Saikia (Chief Minister) :— On the recommendation of the Governor of Assam, I beg, Sir, to move that a sum of Rs. 6,20 90 000/- be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March 1986 for the administration of "District Administration".

Mr. Speaker :— There are two Cut Motions. First one ta-

bled by Shri Chandradhar Kalita and the second one by Shri Mathura Deka. Shri Chandradhar Kalita is absent and hence Shri Mathura to move.

শ্ৰীমথুৰা ডেকা :— মই উঠাই লৈছো।

Mr. Speaker :— The Cut motion is withdrawn with the leave of the House. Now, I put the Grant No. 16 that a sum of Rs. 6 20,90 000/- be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March 1986 for the gdministrntion of "District Administration".

The Grant No. 16 is passed.

Now, Grant No. 27. Chief Minister to move.

Shri Hiteswar Saikia (Chief Minister) :— On the recommendation of the Governor of Assam, I beg, to move that a sum of Rs. 4.19,000/- be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March 1986 for the Administration of "Vital Statistics etc."

Mr. Speaker :— There is no Cut Motion to this Grant. Now I put the Grant No. 27 that a sum of Rs. 4,19,000/- be granted to the Minister in-charge to defray the charges which will come in course of payment during the year ending the 31st March 1986 for the administration of "Vital Statistics etc".

Grant No. 27 is passed.

Shri Hiteswar Saikia (Chief Minister) :— On the recommenda·

tion of the Governor of Assam, I beg, Sir, to move that a sum of Rs. 8,86,000, be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1916 for the administration of "Trade Adviser".

Mr. Speaker :— Now. I put the grant No. 53 that a sum of Rs. 8 86 000, be granted to the Minister in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1986 for the administration of "Trade Adviser".

The motion is adopted and
Grant No. 53 is passed

## Calling Attention Notice

Shri Mohmmad Ali :— Sir I beg to call the attention of the Chief Minister under Rule 54 of the Rules of procedure and Conduct of business in Assam Legislative Assembly to the news item appearing in the 'Assam Tribune' dated 19th February. 1985 under the caption "One killed in Mob Attack near Golaghat".

Shri Hiteswar Saikia (Chief Minister) :— Dagaon No 5 village is under Chungajan Tin Ali B.O.P of Jorhat district. It is situated closed to the Assam Nagaland Border and covers an are approximately 2 sq. KMs. It has a non-Naga population of 90 families comprising of

430 persons. The village is surrounded by Naga villages namely Zexuche, Kheheto and Ahoto.

At about 10 AM on 14.2 85 a group of Nagas numbering about 150 armed with lethal weapons like guns, spears and protective shields suddenly appeared from East, South and West direction of Dagaon No. 5 and charged un-armed non-Naga villagers. One Sri Mohon Singh Limbu alias Subha was the first target of the charging crowd. Sir Limbu received gun shot injury and ran for a considerable distance for safety with a boy in his arms but could not take shelter any where and subsepently being hit by a spear on his abdomen fell prey to the attack. The baby somehow escaped unhurt.

Sri Bhandu Majhi, Sri Vikram Mal, Smti Phulmaya Limbo and Sri Sukhs Bahadur Rai received gun shot injuries. All other villagers ran for safety. Sri Purba Lema S/O late Dewa Lama, Smti Monmaya Limbo, Smti Dighali Mudi and Sri Ganesh Man Srestha S/O Late Prith Man Srestha are the eye withnesses of the occurrence. Their statements have already been recorded by police. Sri Chitta Nanda Kurmi G. B. of Dagaon No. 5 came to Chungajan Tin Ali BOP at about 1045 AM and lodged the first information report. As he was not aware of the full details he had simply reported that disturbance was created by the Nagas who had also opened fire. The armed Nagas also killed a pig belonging to Sri Rengto Mudi and took away the same. At 11 A.M.A.P. party rushed to the spot from Chungaian Tin Ali BOP.

The Assam Rifles personnel from Nakhuti also came to the spot immediately on receipt of same information.

One Sri Saikhu Sema, had been arrested on the same day but the following accused persons are still at large, (1) Sri Vikai Sema, (2) Sri Toyehu Sema, (3) Sri Hevito Sema, (4) Hozhoto Sema, (5) Yexulahe Sema, (6) Tokhuyi Sema, (7) Sri Thekhuze Sema, and (8) Sri Yuvishe Sema.

Arrested accused Sri Saikhu Sema has since been forwarded to Golaghat in connection with Sarupathar PS case No. 25/85 u/s 147/148/149/447/302/379 IPC. Constant patrolling is being carried out covering the area in question is under watch.

Govt. has strongly taken up the matter with Govt. of Nagaland to render necessary help for arresting absconding culprits who are suspected to be hiding inside Nagaland. Govt. of India was also informed of the incident. The district authority has already been instructed to arrange adequate police patrolling in the areas for maintaining peace and harmony and to arrest the culprits.

Shri Purna Boro :— I withdraw it.

Mr. Speaker :— I have received a letter from the Hon'ble Governor, Raj Bhawan, Shillong dated 26 th March, 1985 which reads as follows :—

' Dear Mr. Speaker,

Thank you for the letter No. NAG 6/85/3804 dated

March, 14, 1985 informing me of the motion of thanks adopted by the Assam Legislative Assembly on 13th March, 1985.

I take this opportunity of sending you and the Assembly my best wishes.

With regards,
Yours sincerely,
Sd/-Vishma Narayan Singh"

The House stands adjourned till 10 A M tomorrow the 27th March; 1985

ADJOURNMENT

The House then rose at 6-36 PM and stood adjourned till 10 A.M on wednesday the 27th March 1985.

Dated Dispur
The 26th March, 1985

P. D. Baruah
Secretary
Assam Legislative Assembly